নির্বাচিত গল্প

MIDNIGHT EXPRESS

A suspense thriller

By Satyaranjan Kalita

Price Rupees Forteen only

নিউনাৰ্টি এক্সপ্ৰেছ

(ভয় আৰু নৃশংসতাৰ থ্ৰীলাৰ উপন্যাস)

সত্যৰঞ্জন কলিতা

DIRECTORATE OF LIBRARY SERVICES
ASSAM GUWAHATI

ইষ্টাৰ্ণ বুক এজেঞ্চি
পুস্তক প্ৰকাশক আৰু বেচোঁতা
৮ চি, টেমাৰ লেন, কলিকতা - ৭০০ ০০৯

প্ৰথম প্ৰকাশ ঃ
মাৰ্চ, ১৯৮৬

প্ৰকাশক ঃ
শ্ৰীমধুসূদন ব্যানাৰ্জী
৮ চি টেমাৰ লেন
কলিকতা-৭০০ ০০৯

বেটুপাত   দিলীপ দাস

বেচ   চৈধ্য টকা মাথোন

মুদ্ৰক ঃ
শ্ৰীৰবীন্দ্ৰনাথ ঘোষ
নিউ মানস প্ৰিণ্টিং
১/বি গোৱাবাগান ষ্ট্ৰীট
কলিকতা-৭০০ ০০৬,

বাজ

প্যাক

বইবুক

উচ্চ শিক্ষিতা সুন্দৰী শোভনা বেদী পুলিচ বিভাগৰ চাকৰীত সোমাইছিল তেওঁৰ পিতৃৰ হত্যাকাৰীক জব্দ কৰিবৰ বাবে। হত্যাকাৰী বিচাৰি গৈ এক অন্ধগলিত লগ পালে অমিতক। অমিতে গীত গাই অতি শুৱলা। দুয়োৰে মাজত প্ৰেম হ'ল। কিন্তু এদিন পুলিচ অফিচাৰ শোভনাই আৱিষ্কাৰ কৰিলে—অমিত এজন ক্ৰিমিনেলহে। তেওঁলোকৰ প্ৰেম—বিৰহত পৰিণত হ'ল। কিন্তু সেইখিনি সময়তে ঘটনাচক্ৰত দুয়ো উপস্থিত হ'ল এক অভিশপ্ত ভূত-প্ৰেতৰে ভৰা পুৰণি হাউলিত। সাক্ষাৎ হ'ল মানুহৰ তেজ খাই ভালপোৱা ড্ৰেকোলাৰ লগত। মিডনাইট এক্সপ্ৰেছৰ ৰহস্য সেইখিনিতে আৰম্ভ।

এই লিখকৰে ঃ

॥ ৰক্ততৃষ্ণা ॥

॥ কাল অমানিশা ॥

॥ অপাৰেচন গেংটক ॥

॥ নৃশংস ॥

॥ গুলমার্গ ৰহস্য ॥

॥ অভিসন্ধি ॥

॥ নিহত নায়িকা ॥

॥ বেঙ্ক ৰবাৰী ॥

॥ গেং অব ফ'ৰ ॥

॥ প্ৰফেশ্যনেল ॥

॥ নতুন দিনৰ সপোন ॥

॥ চুইট হাৰ্ট ॥

॥ প্ৰতিশ্ৰুতি ॥

॥ আৰ্তনাদ ॥

॥ উপলব্ধি ॥

॥ অপাৰেচন বেইৰুট ॥

॥ স্পাই ॥

॥ ক্ৰিমিনেল ॥

॥ ডায়মণ্ড ৰবাৰী ॥

॥ কীলাৰ ॥

॥ গান পইণ্ট ॥

॥ স্কাউণ্ড্ৰেল ॥

॥ ডাৰ্লিং ডাৰ্লিং ॥

॥ ব্লেকলেডী ॥

॥ মধুপুৰ জংচনৰ যুৱতী হত্যা ॥

॥ প্ৰফেশ্যনাল (বঙালী) ॥

॥ নিষিদ্ধ প্ৰেম ॥

॥ ৰহস্যময়ী ॥

এক

তেতিয়া মাজনিশা।

অক্টোবৰ মাহৰ শেষ ভাগ।

জম্মু কাশ্মীৰত এইবাৰ বৰফ পৰিছে আগতীয়াকৈ।

বৰফৰ আগমনৰ লগতে সমগ্ৰ উপত্যকাটোৱেই প্ৰচণ্ড শীতে জব্দ কৰি পেলাইছে।

বৰফৰ বৰষুণ, হাড় কপোৱা বতাহ আৰু বেজীয়ে বিন্ধাৰ দৰে প্ৰচণ্ড শীতৰ মাত্ৰা জম্মু অঞ্চলত তুলনামূলক হিচাপত কম।

বৰফৰ বৰষুণ আৰু আন্ধাৰ কাটি আগবাঢ়িছে এখন এম্বেচেডৰ গাড়ী জম্মুটাৱী ৰেলষ্টেচন অভিমুখে।

কন্তেক পিছতে গাড়ীখন ৰ'ল জম্মুটাৱী ষ্টেচনত।

গাড়ীৰ পৰা নামিল এগৰাকী যুৱতী। যুৱতী নহয়, যেন এগৰাকী বিবাহিতা মহিলা। অৱশ্যে গাৰ গঠনত বিবাহিতা মহিলা বুলি ভাব হ'লেও সাজপাৰ দেখি কিন্তু তেনে ভাব নহয়।

জিন্‌ছ পৰিহিতা মহিলাৰ দেহ ভৰিৰ কলা ফুলস্লেকে পৰা চামৰাৰ কোটৰে আবৰা। চুলিখিনি চুটি, ওঁঠত এটা জ্বলন্ত চিগাৰেট।

গাড়ীৰ পৰা নামি খৰ গতিৰে মহিলা গৰাকীয়ে গাড়ী ৰোৱা ঠাইৰ পৰা যথেষ্ট ওখত থকা জম্মুটাৱী ৰেলষ্টেচন অভিমুখে খিৰি বগাবলৈ ধৰিলে।

মহিলাৰ হাতত এটা চুটকেচ আৰু আনটো হাতত অত্যাধুনিকাই লোৱা এটা চামৰাৰ বেগ।

খিৰি বগাই যেতিয়া মহিলাই প্লেটফৰ্ম পালে, দেখিলে এই মাজনিশাৰ হিমগিৰি এক্সপ্ৰেছ যাত্ৰাৰ বাবে সাজু হৈ আছে।

খৰতকীয়াভাবে মহিলাই প্লেটফৰ্মত থাকি লোৱা ৰিজাৰ্ভেচন চাৰ্টত নিজৰ নামটো বিচাৰি তথাৰ নম্বৰটো চালে।

আৰু পিছমুহূৰ্ততে নম্বৰ চাই এটা তথাত প্ৰৱেশ কৰিলে।

[illegible]

মহিলাই উঠাৰ পিচমুহূৰ্ত্তে ট্ৰেইনখনেও যাত্ৰা আৰম্ভ কৰিলে।

শেষমুহূৰ্ত্তে ট্ৰেইনখন কথমপি ধৰিব পাৰি মহিলাই স্বস্তিৰ নিশ্বাস এৰিলে।

এটা দীঘলীয়াকৈ উশাহ লৈ মহিলাই এইবাৰ নিজৰ আসন বিচৰা আৰম্ভ কৰিলে।

আসন বিচাৰি উলিওৱাত অৱশ্যে বিশেষ একো কঠিন নহ'ল।

মহিলাই নম্বৰ মিলাই নিজৰ আসন বিচাৰি পাই বহি পৰিল। তেওঁৰ সন্মুখৰ আৰু ওপৰৰ দুই বাংকৰ সহযাত্ৰীসকলৰ ওপৰত সংক্ষিপ্ত দৃষ্টি দি স্বগতোক্তি কৰাদিয়েই ক'লে—কোনোমতে ট্ৰেইনখন পালোঁহি। আৰু অলপ ইফাল সিফাল হোৱা হ'লেই আজি আহিব নোৱাৰিলোহেঁতেন।

মহিলাই স্বগতোক্তি কৰাদিয়েই কৈছে যদিও কথাখিনি যেন সন্মুখৰ আসনত থকা পুৰুষ যাত্ৰীজনকে কৈছে।

সন্মুখৰ আসনৰ পুৰুষ যাত্ৰীজনে ভদ্ৰতা কৰিয়েই মহিলাক সুধিলেঃ আপুনি আহিল ক'ৰ পৰা?

: শ্ৰীনগৰৰ পৰা।

: কিন্তু এই মাত্ৰ নিশা—শ্ৰীনগৰৰ পৰা?

: এই মুহূৰ্ত্তত মই শ্ৰীনগৰৰ পৰা অহা নাই, মই সন্ধিয়াতে জম্মুটাৱৰি পালোঁহি। কিন্তু যেতিয়া শুনিলো আজিৰ হিমগিৰি এক্সপ্ৰেছ কেইবাঘণ্টাও লেট, মই এজন বন্ধুক লগ পাবলৈ গ'লো। বহুদিনৰ মূৰত বন্ধুক পাই বহু কথাই গুলাল। তাতেই আজ্জ মাৰি থাকোতে পলমেই হ'ল। শ্ৰীনগৰৰ পৰা দিল্লীলৈ প্লেনৰ টিকট পোৱা নহ'ল মতকিল, বুজিছে। দুদিন থাকি দিও যেতিয়া প্লেনৰ টিকট নাপালো—মই ভাবিলো; নাই আৰু পলম কৰিলে বিপদ হ'ব—শেষ গাড়ী ট্ৰেইন।

: আপোনাৰ ঘৰ দিল্লীত নেকি?

: নহয়।

[illegible]

. তেনেহলে ক'ত ?

: ক'ত বুলিনো ক'ম ? আচলতে মোৰ ক'তো স্থায়ী বস নাই বুজিছে। ক'ব পাৰে মোৰ হেডকোৱাৰ্টাৰ দুবাই।

: দুবাই ? আপোনাৰ কাম কাজ ?

. কি বুলিনো ক'ম ? ধৰি লওক এক্সপৰ্ট-ইমপৰ্ট। মোৰ স্বামী এসময়ত আছিল ভাৰতত থকা পাকিস্তানী এম্বেচীৰ এজন উচ্চতম বিষয়া।

. কি নাম আছিল তেওঁৰ ?

. কিয় সুধিলে ?

: মানে মোৰ এই এম্বেচীৰ বিষয়াসকলৰ লগত চাকৰীৰ সূত্ৰে যোগসূত্ৰ আছে।

হয় নেকি ? তেখেতৰ নাম আছিল য়াকুব খান।

: য়াকুব খান ? য়াকুবতো মোৰ বিশিষ্ট বন্ধুসকলৰ মাজৰ এজন আছিল। আপুনিতো দেখিছো মোৰ বন্ধু পত্নী।

: ব ব—মই শুধৰাই দিছো, প্ৰাক্তন বন্ধু পত্নী।

. মই বুজা নাই।

: য়াকুব খান মোৰ প্ৰাক্তন স্বামী।

' অ' ছৰি—মই মিছাতে আপোনাক দুখ দিলো।

: নাই দুখ পাব লগা কি আছে। য়াকুবক এৰিছো মইহে।

: আপুনি য়াকুবৰ বিশিষ্ট বন্ধু বুলি কৈছে যেতিয়া নিশ্চয় আপুনি জানে য়াকুবৰ সেই অভাৱনীয় কাণ্ড ?

: কি কাণ্ড ? মইতো শুনা নাই ?

: কিয় স্পাইগিৰি কৰিবলৈ গৈ য়াকুব ধৰা পৰা কথাটো জানো আপুনি নাজানে ?

: তেনে এটা কথা বতৰে শুনিছিলো। কিন্তু পিছত কি হ'ল ?

: কিনো কম ? আপুনি য়াকুবৰ বিশিষ্ট বন্ধু বুলিও [illegible] নাজানে য়াকুবৰ সেই কাণ্ড। কিন্তু [illegible]

[illegible]

বহিষ্কাৰ কৰিলে। য়াকুব পাকিস্তানলৈ উভটি গল।

• আৰু আপুনি?

: মই ভাৰতত বৈ গ'লো। কিয়নো মোৰ বৰ্ত্তমানৰ স্বামী এজন ভাৰতীয়। যদিও তেওঁৰ কাম-কাজ ডুবাইত। বাৰু ব'বচোন, ইমান সময়ে মোৰ কথাহে কৈ আছো। আপোনাৰ পৰিচয়টোকে লোৱা হোৱা নাই। আপুনি বাৰু সামৰিক বাহিনীত কাম কৰে নেকি?

কিয় সুধিলে?

আপোনাক দেখাই শুনাই সামৰিক বাহিনীৰ লোক যেন লাগিছে।

ঠিকেই ধৰিছে। মোৰ নাম উমেশ আনন্দ। মই সামৰিক বাহিনীৰ লোক।

মোৰ নাম য়াচমিন। য়াচমিন শাহাবাদী।

বাৰু ব'বচোন দেই। নিশাতো বহুত হ'ল। মই শোৱাৰ ব্যৱস্থাটো কৰিলও দেই। এটা কথা কও, বেয়া নাপাব, আনন্দ সাহেব, মই ট্ৰেইনত হ'লেও এইবোৰ পিন্ধি শুব নোৱাৰো। গতিকে মই কাপোৰকানি সলাম। বেয়া পাবনেকি?

• নাই নাই, বেয়া পাবলৈ কি আছে? এঘণ্টা দুঘণ্টাৰটো জাৰ্ণি নহয় যে এনেদৰে কথা পাতিয়েই কটাই দিব।

তেনেহ লে মই লাইটটো অফ, কৰি লৈছো দেই।

য়াচমিনে বেপৰোৱা ভাবেই বৃহৎ টাৱেলখনৰে দেহৰ যিমান অংশ পাৰি ঢাকি কাপোৰ সলাবলৈ ধৰিলে।

উমেশ আনন্দে এই অত্যাধুনিকাৰ চাল চলন দেখি থতমত খালে। তেওঁ বাধ্য হৈ চকুমুদি নিজৰ বাংকত পৰি ৰ'ল। মনে মনে ভাবিলে, ইমান বেপৰোৱা ভাবে পুৰুষ যাত্ৰীৰ সমুখতে যি কাপোৰ পৰ্যন্ত সলাব পাৰে, সেই গৰাকী মহিলা এলাপেচা নহ'ব।

সামান্যতমো অনুশোচনা নোহোৱাকৈ যি প্ৰাক্তন স্বামীৰ প্ৰসঙ্গ আনিব পাৰে, সামান্যতমো দ্বিধাবোধ নোহোৱাকৈ চাৰিওফালৰ

পুৰুষযাত্ৰীৰ মাজত মহিলাৰ নিশাৰ সাজ পিন্ধি শুব পাৰে, সেইগৰাকী মহিলা কেৱল বেপৰোৱা বুলি ক'লে কম কোৱা হ'ব, ক'ব লাগিব দুঃসাহসী।

য়াচমিনে কাপোৰ কানি সলাই শুবলৈ লৈ উমেশ আনন্দ নামৰ সমুখৰ সহযাত্ৰী জনলৈ চাই ক'লে বেয়া নাপায় যদি মই আপোনাক আৰু এটা অসুবিধা দিও। মই সদায়েই শোৱাৰ আগতে ব্ৰাণ্ডী অলপ খাও। আপোনাৰ অসুবিধা নহয়তো?

য়াচমিনে আনন্দক কথাষাৰ ক'লে যদিও ইতিমধ্যে তেওঁ চামৰাৰ বেগটোত সাজু কৰি অনা ব্ৰাণ্ডীৰ বটল আৰু গিলাচ উলিয়াই মদত ঢোক গিলিলেই।

সমুখৰ উমেশ আনন্দ নামৰ যাত্ৰীজনেও বুজিলে, য়াচমিনে ভদ্ৰতা কৰি কথাষাৰ ক'ব লাগে কাৰণেই কৈছে, কাৰণ তেওঁ ইতিমধ্যে বুজি উঠিছে এই য়াচমিন নামৰ যুৱতী গৰাকী এলাপেচা বিধৰ নহ'ব।

উমেশ আনন্দে চিৰিয়াখানাৰ জীৱজন্তু চোৱাদি য়াচমিনলৈ চাইছে। চাই চাই আচৰিত হৈ পৰিছে।

য়াচমিন প্ৰকৃতাৰ্থত এগৰাকী সুন্দৰী। সুঠথিবা বগৰ দেহৰ বৰণ, টনাটনা চকু, ওঠত লাগি থকা হাঁহি আৰু হাঁহিৰ অন্তত থকা ব্যক্তিত্বই য়াচমিনক যেন তুলি ধৰিছে।

উমেশ আনন্দই ভাবি অন্ত পোৱা নাই প্ৰকৃততে মহিলা গৰাকী কি? দেশ বিদেশ ভ্ৰমণ কৰি দুঃসাহসী হৈ পৰা অত্যাধুনিকা নে অন্ধকাৰ জগতৰ লগত সম্বন্ধ থকা মহিলা, নে দুষ্ট চৰিত্ৰা?

সন্দেহ নাই, য়াচমিনৰ ৰূপেই হ'ল পুৰুষ বশীভূত কৰা মূলধন, কিন্তু সেই বুলিয়েই তেওঁৰ চালচলন সৰ্বসাধাৰণ অত্যাধুনিকাৰ লগত নিমিলে।

য়াচমিনে নিৰ্বিকাৰ ভাবেই মদ গিলিছে আৰু মহিলাগৰাকীলৈ চাই চাই উমেশ আনন্দৰ মনত সৃষ্টি হৈছে বিভিন্ন চিন্তা।

একোবাৰ আনন্দৰ ভাব হৈছে মহিলা গৰাকীয়ে যেন তেওঁক

মনোমোহা ৰূপেৰে বশীভূত কৰি পেলাইছে।

নিশাৰ সাজ পিন্ধাৰ পিচত য়াচমিনৰ দেহৰ বহু অংশই যেন অনাবৃত হৈ আছে। আৰু নিৰাভৰণতা যেন য়াচমিনৰ ইচ্ছাকৃত।

এইবাৰ য়াচমিনৰ অকস্মাৎ দৃষ্টিত পৰিল—আনন্দে তেওঁলৈ একদৃষ্টে চাই আছে।

য়াচমিনে আনন্দলৈ চাই এটা লাজকুৰীয়া হাঁহি মাৰি সুধি দিলে: কি হ'ল, থৰ লাগি চোন মোলৈ চাই আছে?

প্ৰত্যুত্তৰত আনন্দেও এটা হাঁহি মাৰিলে।

কি জানে আনন্দ সাহেব, বিয়াৰ আগতে মইহেনো অতিপাত সুন্দৰী আছিলো। কিন্তু বিয়াৰ পিচত মোৰ আগৰ ৰূপ আৰু নাই। তাতেই মোৰ কামটো এনেকুৱা, অধিকাংশ সংগীয়েই মোৰ এতিয়া পুৰুষ। বুজিছেই, গতিকে মোৰ লগত লৈ ফুৰিব লগা হৈছে এটা বডী গাৰ্ড। বডী গাৰ্ড মানে এটা কল্‌ট কব্ৰা। মানে বুজিছে নহয়, এটা বিভলভাৰ।

বিভলভাৰ? আপুনিতো দেখিছো সাংঘাতিক মানুহ? লগত বিভলভাৰ লৈ ফুৰে?

আপুনিতো সামৰিক বাহিনীৰ লোক। আপুনি নিশ্চয় বুজিছে—মোৰ বিভলভাৰৰ প্ৰয়োজন আছেনে নাই। অকলে অকলে ঘূৰি ফুৰো, আজি প্লেনত, কালি ট্ৰেইনত, তাতে মোৰ ৰূপ আছে। এই ৰূপেই মোৰ কাল হৈছে বুজিছে। সেয়ে প্ৰয়োজন বিভলভাৰৰ। অৱশ্যে মোৰ ৰূপেই কাল বুলিনো কও কেনেকৈ—মোৰ দেহ সৌন্দৰ্যৰ বাবে বহুতো অসাধ্য সাধনো কৰিছো। ক'বলৈ গ'লে সেইটোৱেই মোৰ কেপিটেল। গতিকে ৰূপ যেনেকৈ মোৰ বাবে কাল, তেনেকৈ আশীৰ্বাদো।

: অ' ব'ব—আপোনাক আচল কথাটোৱেই সুধিবলৈ পাহৰিছো। আপুনি বাৰু ড্ৰিংক্স কৰিব নেকি?

: নাই, নকৰো—আনন্দৰ যেন ইতস্তত।

: সামৰিক বাহিনীত কাম কৰে—অথচ ড্ৰিংক নকৰে?

নকৰা নহয়—কৰো। কিন্তু এনেদৰে ট্ৰেইনত নহয়।

. ঠিকেই কৈছে—বাহ, ট্ৰেইনত সহযাত্ৰী সকলৰ সুবিধা অসুবিধাৰ কথা চিন্তা কৰি কিছুমান শিষ্টাচাৰ মানি চলিব লাগে। কিন্তু মোৰ পিছে উপায় নাই বুজিছে—অভ্যাসেই বেয়া হৈ গ'ল। বদ অভ্যাস যাক কয়। শিষ্টাচাৰ মানিবলৈ গ'লে আকৌ বেমাৰে উক দিব। তাতেই মোৰ সঙ্গীবিলাকো যে—ভদ্ৰতা ৰাখিবলৈ প্ৰথমে মদছে অফাৰ কৰে। তাতে মোৰ সম্বন্ধ অন্ধকাৰ জগতখনৰ লগতহে।

: অন্ধকাৰ জগতৰ লগত?

হয় মি° আনন্দ—মোৰ সম্বন্ধ সেইখন জগতৰ লগত যিখন জগতৰ কাজ কৰ্ম সকলো বে—আইনী।

চাওক মহোদয়া—নিশা বহুত হ'ল। ট্ৰেইনৰ সকলো যাত্ৰীয়েই নিদ্ৰাত। আপুনিও শ্ৰীনগৰৰ পৰা দিনৰ দিনটো চলাজিয়াই ট্ৰেইনত উঠিছেহি। মদৰ নিচাইও নিশ্চয় আপোনাক আচ্ছন্ন কৰি আনিছে—তেনেস্থলত এই সময়ত আপোনাক শুবলৈ উপদেশ দিয়াটোহে, মোৰ উচিত। কিন্তু অন্যায় হ'লেও, অনধিকাৰ চৰ্চা হ'লেও এই মুহূৰ্তত আপোনাক শুবলৈ এৰি দিবলৈ মোৰ মন যোৱা নাই। আমাৰ চিনাকী হোৱা বোধহয় এঘণ্টাও অতিক্ৰম কৰা নাই। অথচ আপোনাৰ বিষয়ে জানিবলৈ মোৰ ইমানেই কৌতূহল হৈছে যে, মই যেন আপোনাৰ বিষয়ে জানিব পৰিলেহে শুব পাৰিম। নহ'লে বিচনাত পৰি থাকিলেও মোৰ টোপনি নহ'ব। নিজ অনধিকাৰ চৰ্চা হ'লেও আপুনি মোক আপোনাৰ বিষয়ে কিবা অলপ কওক।

• কৌতূহল? মোৰ বিষয়ে? স্বাভাৱিক। আপুনি ঠিকেই ভাবিছে। মোৰ জীৱন ৰোমাঞ্চৰে ভৰা। এটা স্বাধীনচিন্তীয়া উদাসীন পক্ষীৰ দৰেই মোৰ জীৱনটো অবাধ গতি। ক'তো কোনো প্ৰতিবন্ধকতা নাই, আজি ইয়াত, কালি তাত। আৰু কি জানিব খোজে মোৰ বিষয়ে?

: মানে আপোনাৰ কৰ্ম পদ্ধতিৰ বিষয়ে, আপোনাৰ পেশাৰ বিষয়ে।

হিমগিৰি এক্সপ্ৰেছৰ এয়াৰ কণ্ডিচনড ডবাটোত চাৰি আসনৰ এটা যেন কোঠালি। সমুখৰ ডাঠ পৰ্দ্দা দুখন মেলি দিয়াৰ পিচত সেই চাৰি আসনৰ ঠাইখিনি কোঠালীতে পৰিণত হৈছে। বাহিৰৰ হিমচেচা বতাহ ভিতৰত প্ৰবেশ কৰিব পৰা নাই। বৰঞ্চ এয়াৰ কণ্ডিচনড ডবাটোত এক আৰামদায়ক উপত বতাহ।

বাকী সকলোবোৰ পোহৰ নিৰ্বাপিত।

য়াচমিনে নিজৰ আসনৰ এচুকত থকা বিডিং লেম্পটো জ্বলাই মদত ঢোক গিলি গিলি কথাত মচগুল।

উমেশ আনন্দে কৌতূহলেৰে য়াচমিনৰ কথা শুনিছে যদিও তেওঁ ওপৰৰ বাঙ্কত শুই থকা আন দুজন অচিনাকী যাত্ৰীক টোপনিত ব্যাঘাত জন্মোৱা হৈছে নেকি সেই কথাও চিন্তা কৰিছে। সেয়ে তেওঁ যিমান পাৰে সৰুকৈ য়াচমিনক কথাবোৰ কৈছে।

য়াচমিনৰ কিন্তু এইবোৰ ক্ষেত্ৰত ভ্ৰূক্ষেপ নাই। তেওঁ যি কৈছে চিঞৰি চিঞৰিয়েই। কাৰবাৰ যে অসুবিধা হ'ব পাৰে, কোনোবাই যে বেয়া পাব পাৰে তেনেবোৰ ক্ষেত্ৰত তেওঁ নিৰুদ্বিগ্ন। বৰঞ্চ যিবোৰ কথা আনক কৈ ফুৰামানেই নিজৰ বিপদ, তেনেকথাবোৰো য়াচমিনে নিৰ্ব্বিবাদে কৈ গৈছে। মদৰ নিচা বাঢ়ি অহাৰ লগে লগে তেওঁৰ কথাৰ সেকামো অধিক নোহোৱা হৈছে। তেওঁ যেন সমুখৰ যাত্ৰীজনৰ দৰে কৌতূহলী শ্ৰোতা বহুদিনৰ মূৰত পোৱাৰ দৰে তেওঁ যি সুধিছে সকলো কৈ গৈছে অকনো আৰ নৰখাকৈ।

য়াচমিনে কৈছে তেওঁৰ অন্ধকাৰ জগতখনৰ লগত হোৱা প্ৰথম সম্বন্ধটোৰ কথা।

দুই

ভেভিয়া তেওঁ য়াকুব খানৰ পত্নী। পাকিস্তান এম্বেচীৰ উচ্চতম ভাৰতস্থ বিষয়া।

য়াকুব প্ৰকৃতাৰ্থত এজন ভদ্ৰলোক। আৰু তেওঁৰে পত্নী য়াচমিনেও স্বাভাৱিকতে এজন উচ্চতম বিষয়াৰ পত্নী হিচাপে যি মৰ্যাদা অক্ষুণ্ণ ৰাখিব লাগে সেই মৰ্যাদাৰেই মিলিজুলি ভাৰতত কটালে প্ৰায় ডেৰ বছৰ। এই ডেৰটা বছৰত য়াকুব খান বা পত্নী য়াচমিনৰ জীৱন আছিল—সহজ সৰল ভদ্ৰলোকৰ জীৱন। দুয়ো জীৱনটোক উপলব্ধি কৰিছিল, আৰু আনন্দ উলাহৰে জীৱনৰ বাকী চোৱা বঙীন সপোনৰে উলাহত কটাবলৈ প্ৰস্তুতি পৰ্ব কৰিছিল। প্ৰথম সন্তানৰ মাতৃ হ'বলৈ ওলাই য়াচমিনে য়াকুবক প্ৰায়েই কৈছিল—জীৱনত ইয়াতকৈ অধিক একোৱে প্ৰয়োজন নাই। এনেদৰে আনন্দময় জীৱন এটা কটাব পাৰিলে সেইয়াই আমাৰ বাবে যথেষ্ট।

কিন্তু মানুহে ভবা কথা জানো সদায়েই ভবামতে হয়?

য়াকুব আৰু য়াচমিনৰ আশাও পূৰণ নহ'ল।

এটা মটৰ দুৰ্ঘটনাত পতিত হৈ য়াচমিনে মাতৃত্বৰ আশা চিৰদিনৰ বাবে হেকওৱাৰ পিচত অন্তৰ্বেদনাত সম্পূৰ্ণ ৰূপে ভাগি পৰিল। বঙীয়াল য়াচমিন হৈ পৰিল মানসিক অন্তৰ্দ্বন্দ্বত ভোগা এগৰাকী ৰোগীৰ দৰে। হাঁহি নাই, কথা নকয়, খোৱাত ৰুচি নাই, সকলোতে অনাগ্ৰহ। য়াকুবে বহুত চেষ্টা কৰিলে, বহু সান্ত্বনা দিলে, বহু সুচিকিৎসকৰ ওচৰলৈ তেওঁক লৈ গ'ল। কিন্তু ভগ্ন হৃদয়ৰ য়াচমিনে আগৰ অৱস্থালৈ কোনোমতেই ঘূৰি আহিব নোৱাৰিলে।

সেইখিনি সময়তে ডাক্তৰৰ পৰামৰ্শ মতেই য়াচমিনে মনৰ দুখ খাপি থুপি ৰাখিবলৈ মদত চোক দিলে। য়াচমিনৰ লগতে য়াকুবেও সেই দিনৰ বাবেই নিয়মিত মদ্যপায়ী হৈ পৰিল।

ইয়াৰ পূৰ্বে য়াকুবে মদ খালেও অসভ্যা লৌকৰ বকাৰ ক্লাবেই কথা

কাচিং বিষয়া পৰ্যায়ৰ পাটিত এটা পেগ। কিন্তু য়াচমিনে মদক নামকে কেতিয়াও শুনানিছিল। অথচ মদ এবাৰ স্পৰ্শ কৰি অচিৰেই হৈ পৰিল অতিপাত সুৰাপায়ী।

মদ আৰু মদ। মদেই যেন এটা সময়ত য়াচমিনৰ জীৱন হৈ পৰিল। ডাক্তৰৰ পৰামৰ্শ মতে মানসিক অশান্তি আঁতৰাই টোপনি অহা ৰোগৰ পৰা ৰক্ষা পাবলৈ একো পেগ মদ গিলিছিল। অথচ সিয়েই তেওঁক পৰিণত কৰিলে দুৰ্ঘোৰ মদ্যপায়ীত।

য়াকুবে প্ৰথমে তেওঁক নিয়ন্ত্ৰণত আনিবলৈ চেষ্টা কৰিলে। সান্ত্বনা দিলে, বুজনি দিলে। য়াচমিনে সুস্থ অৱস্থাত সকলোৰেই বুজি পায়। য়াকুবক কথা দিয়ে তেওঁ সুস্থ হ'বলৈ চেষ্টা কৰিব, কিন্তু এঢোক মদ পেটত পৰাৰ পিচতে সকলো পাহৰি হৈ পৰে সম্পূৰ্ণ মাতাল। য়াচ-মিনে হেৰুৱাই পেলাই নিজৰ নিয়ন্ত্ৰণ।

। দিল্লীৰ চেন্ট্ৰেল ক্লাৱত মদ খাই বেহুচ হৈ পৰি থকা য়াচমিনক বহুদিন য়াকুবে শেষ নিশা ডাং কোলাকৈ গাড়ীত তুলি ঘৰলৈ অনাৰ দৰে কাণ্ডও ঘটিবলৈ ধৰিলে।

য়াকুব বিৰক্ত হ'ল। য়াচমিনৰ আশা এৰি দিলে। বিৰক্ত হৈ তেওঁক নিজৰ সোঁতত নিজেই উটি ভাহি যাবলৈ দিলে।

তেওঁলোকৰ আনন্দময় জীৱন ক্ৰমান্বয়ে বিষময় হৈ পৰিল।

য়াকুবৰনো দোষ কি ? এগৰাকী মানসিক বিকাৰগ্ৰস্ত মহিলাৰ লগত সুখৰে থাকিবইবা কেনেকৈ ?

এনে সময়তে য়াকুবৰ সান্নিধ্যলৈ আহিল এগৰাকী মহিলা। মহিলাৰ নাম ৰুবিনা। ৰুবিনা ভাৰতীয় সামৰিক বাহিনীৰ এজন উচ্চতম বিষয়াৰ পত্নী।

এটা সময়ত ৰুবিনাৰ লগত য়াকুবৰ বন্ধুত্ব হ'ল। আৰু এই বন্ধুত্বই অচিৰেই ঘটনাৰ গতি সলালে।

পাকিস্তান এম্বেচীৰ উচ্চতম বিষয়া য়াকুব এটা সময়ত যে স্পাইলৈ পৰিণত হ'ল, এই কথা বহু দিনলৈ কোনোৱে গমকে নাপালে।

কোৱা বাহুল্য যে, কবিনাৰ লগত য়াকুবৰ বন্ধুত্বই এই পথ প্ৰশস্ত কৰি দিছিল। য়াকুবৰ এ নতুন ভূমিকাত পাকিস্তান চৰকাৰে উৎসাহ যোগালে। বহু অৰ্থৰে য়াকুবক পুৰস্কৃত কৰিলে। পুৰস্কৃত কৰিলে কবিনাকো।

কিয়নো য়াকুবৰ স্পায়িঙৰ উৎস হ'ল এই কবিনাই।

এজন উচ্চতম সামৰিক বিষয়াৰ পত্নী হিচাপে কবিনাৰ স্বাভাবিকতে বহুতো ভাৰতীয় সামৰিক বিষয়াৰ সৈতে চিনাকী আছিল। কবিনাৰ গোপন তথ্য সংগ্ৰহৰ এইটোৱেই অন্যতম পথ। আৰু সেই সংগৃহীত তথ্য য়াকুবৰ মাৰফৎ পাকিস্তান চৰকাৰলৈ প্ৰেৰণ কৰাত কঠিনতা একো নাই। গতিকে কবিনা আৰু য়াকুবৰ এই স্পায়িঙৰ ব্যৱসায় নিৰাপত্তামূলক দূৰত্বত থাকিয়েই চলি থাকিল কিছুদিন।

কিন্তু মাইকী মানুহৰ মন। ধনৰ লোভে এটা সময়ত কবিনাক অন্ধ কৰি পেলালে। কবিনাই যেন আৰু এচাপ আগবাঢ়ি আৰু সহজতে অধিক ধন কম সময়তে পাবলৈ বিচাৰিলে।

অচিৰেই সকলোৱে গম পালে, কবিনা চৰিত্ৰহীনাও। কবিনাই নিজৰ দেহ, নিজৰ যৌৱন সহজতে বহুতকে বিলাই দিবলৈ পৰোৱা নকৰা হ'ল। অৱশ্যে কবিনা চৰিত্ৰহীনা হোৱাৰ মূলতো আছিল স্পায়িঙেই। কবিনাই তথ্য সংগ্ৰহৰ এইটো এটা পথ হিচাপেহে লৈছিল। নিজৰ দেহদান দি দুৰ্বল মুহূৰ্তত তথ্য সংগ্ৰহৰ চেষ্টাত কবিনা যেতিয়া মচগুল আছিল সেই সময়তে ঈৰ্ষাত য়াচমিনৰ মন জ্বলি উঠিল।

য়াচমিনে ভাবকিশই নোৱাৰিলে কোন মুহূৰ্তত য়াকুব তেওঁৰ জীৱনৰ পৰা ক্ৰমান্বয়ে আঁতৰি গ'ল। দূৰ। বহুদূৰ। ভাবকিয়েই নোৱাৰিলে—কোন মুহূৰ্তত য়াকুব কবিনাৰ প্ৰণয় প্ৰাৰ্থী হ'ল। কোন মুহূৰ্তত ছুয়ো লগ লাগি স্পায়িঙৰ এই নতুন পথত নিজকে ব্যতিব্যস্ত কৰি পেলালে।

আৰু যেতিয়া সম্বিৎ ঘূৰাই পালে তেতিয়া য়াচমিন একেবাকী

বেলেগ মানুহ। পথভ্ৰষ্টা সুৰাপায়ী য়াচমিন হৈ পৰিল সাহসী। ঈৰ্ষাৰ দাবানলত জ্বলা প্ৰতিশোধ পৰায়ণা এগৰাকী মহিলা।

য়াচমিনে য়াকুবৰ এই নতুন ভূমিকাৰ সন্তেদ নিৰ্দিষ্ট ঠাইত সংগোপনে জনোৱাৰ পিচদিনাই য়াকুব বন্দ হ'ল—পাকিস্তানী স্পাইৰ অপৰাধত।

তাৰ পিচতে য়াচমিন য়াকুবৰ বিচ্ছেদ।

তাৰ পিচতে য়াচমিনৰ এই নতুন জীৱন।

মাইকেল ফেৰেৰা অন্ধকাৰ জগতৰ এটা জনপ্ৰিয় নাম। স্মাগলিঙৰ বজা ফেৰেৰা সকলো ধৰণৰ বে-আইনী কামতে সিদ্ধহস্ত। সেই ফেৰেৰাৰে পত্নী য়াচমিন। পত্নী মানে ৰক্ষিতা। যিহেতু আইনমতে তেওঁলোকৰ কোনো বিয়া হোৱা নাই। ক'বলৈ গ'লে ফেৰেৰাৰ কাম-কাজত সহায়ৰ বাবেই য়াচমিন ফেৰেৰাৰ পত্নী। এগৰাকী দুগৰাকী নহয়, য়াচমিন হ'ল ফেৰেৰাৰ সপ্তম পত্নী।

কিন্তু য়াচমিনৰ এই নতুন জীৱন ভাল লাগিছে। এডভেঞ্চাৰৰ গোন্ধ থকা এই জীৱন লৈ য়াচমিন বৰ্তমান সুখী।

একে লেঠেৰীয়ে কথাবোৰ কৈ য়াচমিনে সমুখৰ আসনত আধা-শোৱাকৈ মনপুতি তেওঁৰ কথাবোৰ শুনি থকা আনন্দলৈ চাই ক'লে—আপুনি মোৰ জীৱনৰ কথা শুনিবলৈ কৌতূহল প্ৰকাশ কৰিছিল—এইয়া হ'ল মোৰ নতুন জীৱনৰ আৰম্ভণী। কিন্তু ইয়াৰ পিচৰ মোৰ জীৱন কাহিনী অধিক সংঘাতময়, অধিক ৰোমাঞ্চকৰ। য'ত আছে মৃত্যু, ভয়। অথচ মৃত্যুৰ দুৱাৰ দলিৰ পৰা উভতি অহাৰ আনন্দ। কিন্তু সেই কাহিনী এতিয়া আৰু নহয়। টোপনিত মোৰ চকু মুদ খাই আহিছে। বহু নিশা হ'ল। আপুনিও অলপ শুই লওক।

য়াচমিনে আৰু কোনো বাক্যব্যয় নকৰাকৈ শুই পৰিল।

তিনি

দিল্লী মহানগৰীৰ দৰিয়াগঞ্জ এলেকা।

দিল্লীৰ গেট পাৰ হৈ আহি গুলচা চিনেমাৰ কাষত এটা ঠেক পথ।

এই ঠেক পথটোৰ মোৰ ল'বলৈ গৈ এখন টেক্সি একতীয়া হৈ পৰি আছে।

টেক্সিৰ ষ্টেয়াৰিঙতে মূৰ থৈ মৃত অৱস্থাত টেক্সিৰ ড্ৰাইভাৰ। আক পিচৰ আসনতো এজন লোক মৃত।

দুয়োকে কোনো আততায়ীয়ে গুলিবিদ্ধ কৰিছে।

দুয়োৰে দেহৰ পৰা নিগৰি পৰা তেজ টেক্সিৰ মজিয়াত ডোঙা বান্ধিছে।

গাড়ীখন আগুৰি দৰ্শকৰ ভীৰ।

কোনোৱেই কথাটো কি একো উমঘাম পোৱা নাই। নিজৰ কল্পনা প্ৰসূত মন্তব্য কেৱল বহুতে ভাঙি ধৰিছে।

বহুতে কৈছে ঘটনাটো ঘটিছে শেষনিশা। নহ'লে এই দুৰ্ঘটনাৰ কথা বা দুৰ্ঘটনা দেখা বহুলোক থাকিলহেঁতেন। সাধাৰণতে মাজ নিশালৈকে এই মহানগৰীত যানবাহনৰ আহবাহ, মানুহৰ সমাগম যথেষ্ট থাকে। শেষ নিশাহে মহানগৰীখন নিমাওমাও হৈ পৰে।

দুৰ্ঘটনাটো নিশ্চয় সেইখিনি সময়তে সম্পন্ন হৈছিল।

সেয়ে এই ব্যস্ত এলেকাতো কোনোৱে এই দুৰ্ঘটনাৰ উমঘামেই পোৱা নাছিল। অৱশ্যে পুলিচৰ অনাহক হাৰাশাস্তিৰ ভয়ত কোনো দেখালোকেও যদি নজনা, নেদেখাৰ ভাও জুৰি আছে তেতিয়া কথা বেলেগ।

দিল্লী মহানগৰীত কেইবছৰমানৰ পৰা হত্যা লুটপাতৰ মাত্ৰা বি ধৰণে বৃদ্ধি পাইছে এই হত্যাকাণ্ডও তেনে এক সাধাৰণ ঘটনাই। বেছিভাগ সমবেত দৰ্শকেই এই হত্যাকাণ্ডত বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত ন'হল। প্ৰতিদিনেই হত্যা লুটপাত দেখি দেখি তেওঁলোকৰ

দৃষ্টি যেন অভ্যস্ত।

এটা সময়ত পুলিচ আহিল।

গাড়ীখন আগুৰি ধৰা ভীৰ আঁতৰালে। দুই মৃতদেহক উপলক্ষ্য কৰি প্ৰয়োজনীয় তথ্যপাতি পঞ্জীবদ্ধ কৰিলে। ফটো ল'লে। ফিঙ্গাৰ প্ৰিণ্ট ল'লে। তাৰ পিচত গাড়ীখন পুলিচ হেফজেতলৈ পঠাই মৃতদেহ দুটা পষ্টমৰ্টেমৰ বাবে পঠিওৱাত ভীৰ ক্ৰমান্বয়ে আঁতৰিল।

এইবাৰ পুলিচে সোধপোচ আৰম্ভ কৰিলে।

গাড়ীখন পৰি থকা কেকুৰিতে ফলৰ ৰসৰ দোকান তিনিখন আৰু আন দোকানৰ দোকানীক পুলিচে ইটো সিটো সুধিলে। ইজন সিজনকৈ কেইবাজনকো সোধাৰ পিচত এজনে পুলিচৰ আগত সৈ কাঢ়িলে যে সি গুলিৰ শব্দ শুনিছিল। মানুহটো ঘটনা সংঘটিত হোৱা ঠাইখিনিৰ প্ৰায় গাতে লগা হাৰ্ডওৱেৰৰ দোকানখনৰ নাইট চকীদাৰ। যদিও তাৰ ডিউটি নিশা চকীদাৰী কৰা, তথাপিও শেষ নিশা অলপ পোহৰ পোহৰ হওঁতে সি ফুটপাথতে গাৰ কাপোৰখন পাৰি বাগৰ দিছিল। সি ক'ব নোৱাৰে কেতিয়া সি টোপনিত ঢলি পৰিল।

এনে সময়তে সি গুলিৰ শব্দত খকমককৈ সাৰ পাই একে জাপে উঠিছিল। সি সমুখত গাড়ীখন দেখিছিল। গাড়ীৰ ভিতৰত গুলিথোৱা মানুহ এটাই চটফট কৰাও দেখিছিল। আৰু দেখিছিল দুজনলোক দৌৰ মাৰি আঁতৰি যোৱা। যদি সি টোপনিৰ জালত ভুল দেখা নাই—দৌৰ মাৰি যোৱা দুজনৰ এগৰাকী মহিলা আছিল। অৱশ্যে সেইটো তাৰ অনুমানহে। আৰু যদি সেই গৰাকী মহিলা হয়, পিন্ধা কাপোৰকানি কিন্তু পুৰুষৰ দৰেই আছিল।

যতদূৰ সম্ভৱ সিহঁত দুয়ো একেখন গাড়ীতে আহিছিল। আৰু এইখিনি ঠাই সুবিধাজনক যেন পাই সিহঁতে মানুহ দুটাক হত্যা কৰিছিল।

পুলিচে প্ৰত্যক্ষদৰ্শীৰ জবানবন্দী লোৱাৰ পিচত একো সিদ্ধান্তত উপনীত হ'ব নোৱাৰি গাড়ীত উঠিল।

ঃ কি নাম ক'লে—য়াচমিন শাহবাদী। বৰ সুন্দৰ নাম। আপোনাৰ ৰূপ যেনেকৈ মনোমোহা, নামটোও তেনে সুন্দৰ। বান্দাৰ পৰিচয়টো জানি থওক। বান্দাক সকলোৱে জানে গোমবাজ বুলি। একেবাৰে নিম্নাথিত প্ৰাণী, বুজিছে। কোনো মতে পেটে-ভাতে থাই থকা মানুহ। মই যি বিপদত পৰিছো—জীৱনৰ আশা এৰিয়েই দিছিলো কিন্তু দিল্লীতে আপুনি থকাৰ গম পাইহে মই যেন পৰিত্ৰাণ পালো। তেতিয়াহে দীঘল উশাহ লৈছো। এতিয়া বান্দাক যদি আপুনি বচাব খোজে বচাওক, আৰু যদি মৰিবলৈ এৰি দিয়ে—তেতিয়াও মোৰ কৰিব পৰা বা কৰিব লগা একো নাই।

য়াচমিনে এই অদ্ভুত মানুহটোৰ অনধিকাৰ চৰ্চাত টিঙিৰি তুলা হৈ আছিল, এতিয়া তাৰ আবোল তাবোল লাগবান্ধ নোহোৱা কথাত জ্বলি উঠিল।

য়াচমিনে খঙত চিঞৰি উঠিল ঃ হেৰা! এই ব্ৰহ্মপুত্ৰাই তুমি যিবোৰ কথা বলকিবলৈ আৰম্ভ কৰিছা, মোৰ তেজ উঠলি উঠিছে। কিবা এটা অঘটন ঘটাৰ আগতেই তুমি ইয়াৰ পৰা বাহিৰ হোৱা।

ঃ বাহিৰ? বাহিৰ মই হ'ম। এই হোটেলৰ বন্ধকমত মই থাকিবলৈ অহা নাই। বাহিৰ হৈ যাবলৈ মই সাজু। হ'ব লাগিব। ইমান সহজেনো এই গোমবাজে পৈতৃক প্ৰাণটো কেনেকৈ এৰি কণ্ডকচোন।

য়াচমিনে অধিক উত্তেজিত হৈ চিঞৰি উঠিল ঃ মোৰ হাততেই তোৰ এতিয়া প্ৰাণ যাব। শীঘ্ৰে তই বাহিৰ ওলাব যদিও ওলা। অলপ শান্তিৰে দিনটো কটাব পাৰিম বুলি হোটেলখনত উঠিছোহে, আহিল ক'ৰ এটা কেলেহুৱা। মস্তিষ্কৰেই বিকৃতি নেকি ক'ব নোৱাৰো, দিনটোৱেই এতিয়া অশান্তিতে যাবনেকি?

ঃ শান্তি,—অশান্তিৰ কথা ন'কব বুজিছে মাদাম, এই বান্দাৰ

প্ৰথমটোৰ লগত সম্বন্ধ বহুদিনৰে পৰা নাই। দিন নাই, ৰাতি নাই অশান্তিতে কটাব লগা হৈছে। আৰু এতিয়া যদি আপুনিও বিভলভাৰ উলিয়াই প্ৰাণে মাৰিম বুলি ভয় খুৱাই কমৰ বাহিৰ কৰি দিয়ে, মই ক'লৈ যাম কওঁকচোন? আৰু আপুনি যি বস্তু, মোৰ দৰে কেলেহুৱাক গুলি কৰি হাৱাত মিলাই দিবলৈ কেতপৰ? কিন্তু এই নিম্নাখিত প্ৰাণীটোক মাৰিনো আপুনি কি শান্তি পাব কওক? এটা পকৰা মৰাৰ সমানো শক্তিৰ প্ৰয়োজন নাই এই বান্দাক মাৰিবৰ বাবে। কিন্তু বিশ্বাস কৰক মাদাম, আপোনাৰ দয়া হ'লে কিন্তু বান্দা বাচি যায়।

য়াচমিনে পূৰ্বতকৈও উগ্ৰমূৰ্ত্তি ধৰি চিঞৰি উঠিল . তই সঙ্গে সঙ্গে বাহিৰ হ'বিনে, পুলিচ মাতিম?

: পুলিচ কিয়, হোটেলৰ বয় এটাকো মোক ঢকা দি উলিয়াবৰ বাবে মতাৰ দৰ্কাৰ নাই। আপুনি বাহিৰ হ'বলৈ কৈছে যেতিয়া বাহিৰ হৈ যাম। কিন্তু আপুনি মোক বচাম বুলি নক'লে মই বাহিৰ হৈ যাম কেনেকৈ? আৰু আপোনাৰ মুখত পুলিচৰ নাম একেবাৰে শোভা নাপায় বুজিছে। যি গৰাকী মানুহে মোৰ দৰে দহজনক অকলেই ঠাণ্ডা কৰি দিব পাৰে—সেই গৰাকী মানুহে মোক বাহিৰ কৰিবলৈ মানুহ মাতিব, সেইটো অসম্ভব। ইমূৰৰ পৰা সিমূৰলৈ, কাশ্মীৰৰ পৰা ডুবাইলৈকে স্মাগলিং কৰা যাৰ কাম, সেই গৰাকী মানুহ যে অলপ বস্তু নহয় সেই কথা মোৰ জানিবলৈ বাকী নাই। তদুপৰি পুলিচ? পুলিচতো আহিবই। যি কোনো মুহূৰ্ত্ততে পুলিচ আহি যে এই হোটেল পাব সেই কথা মই জানো। পুলিচ আহিব আপোনাক নহ'লেও মোক বিচাৰিয়েই আহিব। দুটাকৈ খুন কৰিছো তাৰ পিচতো পুলিচে মোক বিচাৰি নাহিবনে?

. খুন? তই খুন কৰি আহিছ?

: হয় মাডাম, এই ধৰক চাৰি পাঁচ ঘণ্টাৰ আগতে। উপায় নহ'লে খুন নকৰিনো কি কৰিব? কিন্তু দুটাকৈ খুন কৰিও কোনো কায়দা নহ'ল মাডাম। খুন কৰিলো যিহৰ বাবে—সেই দৰ্কাৰী বস্তুটোকে

সিহঁতৰ লগত নাছিল।

য়াচমিন সতৰ্কিত হ'ল। গমি চাবলৈ চেষ্টা কৰিলে—প্ৰকৃততে মানুহটো খুনী হ'ব পাৰেনে নোৱাৰে? কিন্তু মানুহটো খুনী হওক নহওক মানুহটোৰে গভীৰ পানীৰ মাছ সেই কথা তাই বুজি পালে। গতিকে অধিক সময় অপব্যয় নকৰি এইবাৰ পোনপটীয়াকৈ সুধিলে: চোৱা গোমৰাজ, তুমি যিবোৰ কথা কোৱা আৰম্ভ কৰিছা তাৰ আগ-গুৰি মই একোকেই বুজি পোৱা নাই। সোণকালে তুমি সকলো কথা বুজাই কোৱা।

উৱা। মাদাম, আপোনাৰ দেখোন কথাৰ সুৰ সলনি হৈ গ'ল? তাৰমানে আপুনি নিশ্চয় ইতিমধ্যে মোক বুজি উঠিছে? হয় মাদাম একেবাৰে নিম্নাধিত প্ৰাণী মই, কোনোমতে পেট প্ৰবৰ্ত্তাই আছো। এই পেটৰ কথা চিন্তা কৰিয়েই, চাওকচোন দুটাকৈ মানুহো খুন কৰি পেলালো। অথচ যিহৰ বাবে মানুহ দুটা খুন কৰিলো, সেই বস্তুটো এতিয়া আপোনাৰ হাতত। মই অৱশ্যে আনন্দৰ হত্যা কথাৰ পিচতহে গম পালো যে উমেশ আনন্দৰ এটাচীটো এতিয়া আপোনাৰ হাতত।

: উমেশ আনন্দ? কোন উমেশ আনন্দ?

• সেইবোৰ অবাস্তৱ কথা সুধিছে কিয় টাইম বৰবাদ কৰিছে মাদাম? একেলগেইতো কমুটাৰীৰ পৰা ট্ৰেইনত দিল্লীলৈ আহিছো। ওপৰৰ বাৰ্থত মই, তলৰ বাৰ্থত আপোনালোক। মানে আপুনি আৰু উমেশ আনন্দ। গোটেই নিশা অবাস্তৱ কথা যে কিমান পাতিছিলে। অথচ আপুনিও জানে যে উমেশ আনন্দ, প্ৰকৃততে সামৰিক বিষয়া নহয়, এটা স্মাগলাৰ। আৰু উমেশ আনন্দইও জানে আপুনিও প্ৰকৃততে স্পাই, সাংবাদিকা একেবাৰেই নহয়, আপুনি বলকি আছা সকলোবোৰ কাহিনীয়েই ভুৱা আৰু [illegible] ওপৰৰ বাৰ্থত শুই শুই, আপোনালোকৰ কথাবোৰ শুনি শুনি, আপোনালোকৰ অভিনয় চাই চাই আৰু বুজিবলৈ বাকী নাথাকিল যে, উমেশ আনন্দৰ [illegible] মোৰ

অভীষ্ট বস্তুটো উদ্ধাৰ কৰা বৰ সহজ সাধ্য নহ'ব।

সঁচাকৈয়ে মাদাম—আপুনি কোন ভলকতযে আনন্দৰ চুটকেসটো সলনি কৰি নিজৰটো এৰি থৈ আহিল তং ধৰিবই নোৱাৰিলো।

আনন্দক খুন কৰি, টেক্সি ড্ৰাইভাৰটোক খুন কৰি যেতিয়া একেই দেখা আপোনাৰ চুটকেচটোহে পালো, তেতিয়াই বুজিলো বস্তু হাতছাৰা হৈ গ'ল। চুটকেচ খুলিয়েই পালো আপোনাৰ নোটবুক। আৰু নোটবুকত চকু ফুৰায়েই গম পালো— আপুনি এই হোটেলতে থকাৰ সম্ভাৱনাই বেচি।

মোৰ আৰু বুজিবলৈ বাকী নাথাকিল আপুনি প্ৰকৃততে কোন, আপোনাৰ উদ্দেশ্য কি। ট্ৰেইনত সকলোৱে শুনাকৈ যেতিয়াই আপুনি কোৱা আৰম্ভ কৰিলে—আপোনাৰ অপৰাধ জগতৰ কাহিনী, তেতিয়েই মই বুজিছিলো—আপুনি অপৰাধ জগতৰ মানুহ হ'ব নোৱাৰে। অপৰাধ জগতৰ মানুহ হ'লে—তেওঁ কেতিয়াও নিজৰ কীৰ্তি কাহিনী ৰাজহুৱা ভাৱে কৈ নুফুৰে। কিয়নো তেওঁ নিশ্চয় জানে যে বেৰৰো কাণ থাকে।

সেয়ে ট্ৰেইনত আপোনাৰ কথা শুনিয়েই মই নিশ্চিত হৈছিলো যে —আপুনি পুলিচৰ চোৰাংচোৱা। উমেশ আনন্দকে কেৱল নহয়, উমেশ আনন্দৰ সম্পূৰ্ণ গেটোক ধ্বংস কৰাৰ বাবেই আপুনি এক বিস্তাৰিত জাল তৰিছে। আপোনাৰ চুটকেচটো উদ্ধাৰ হোৱাৰ পিচত —সেই কথাত মই নিশ্চিত হৈ পৰিলো। নিজে নিজে ধৰা দিবৰ বাবেই আপুনি নিশ্চয় চুটকেচটোত নোট বুক পৰ্যন্ত ৰাখিছিল। একালৰ পৰা আপোনাৰ উদ্দেশ্য সফল হৈছে। সেই নোট বুকত চকু ফুৰায়েই মই এই হোটেল পাইছোহি। কিন্তু আপোনাৰ এটা উদ্দেশ্যহে সফল নহ'ল—সি হ'ল একে লগে উমেশ আনন্দৰ গেংটোক ধ্বংস কৰাৰ প্লেন। আপোনাৰ সেই প্লেন, ধৰি লওক, এই গোমৰাজৰ বাবেই সফল নহ'ল।

ঃ জেনেহ'লে শুনা গোমৰাজ, তুমি যদি মোৰ প্ৰকৃত পৰিচয়

পাইছাই—তেনেহ'লে তুমি নিশ্চয় এই কথাও বুজিছা যে, মোৰ পিছত পুলিচৰ লোক বহুতো মজুত আছে। সিহঁতে তোমাৰ ওপৰত সম্পূৰ্ণ দৃষ্টি ৰাখি আছে। মোৰ ইঙ্গিতৰ বাবে সিহঁতে কেৱল অপেক্ষা কৰিছে। আৰু সহজকৈ ক'বলৈ হ'লে—তুমি আহি এই ঠাইত ভৰি দিলা যেতিয়া, তোমাৰ উদ্ধাৰৰ আৰু কোনো পথ নাই। তুমি এতিয়া মোৰ হাতত বন্দী।

• অনাহকত কিয় কথা কৈ আছে মাদাম? মই স্পাইৰ অভিনয় কৰা পুলিচ চৰৰ জালত ভৰি দিছোহি যেতিয়া আপুনি ভাবিছে নেকি আগ পিচ চিন্তা নকৰাকৈ মই ইয়াত প্ৰৱেশ কৰিছো? সকলো চিন্তা কৰিয়েই মোৰ এই আগমন। মই জানো পুলিচৰ চক্ৰবেহুৰ পৰা কেনেকৈ ওলাই যাব লাগে। ঠিকেই জানিব, কোনোৱা সুৰুঙাদি এই গোমৰাজ ওলাই যাবই। গতিকে কথা বঢ়াইছো লাভ নাই। আপুনি সেই মাইক্ৰমিনি ফিল্মটো উলিয়াই দিয়ক।

মাইক্ৰমিনি ফিল্ম?

যিটো ফিল্ম—আপুনি উমেশ আনন্দৰ চুটকেচৰ পৰা অপহৰণ কৰিছে।

মই কোনো ফিল্মৰ কথা নাজানো।

মাদাম—চাকৰীহে কৰিছে? চাকৰীতকৈ আপোনাৰ জীৱনটো জানো ডাঙৰ নহয়? চাওক, কেই ঘণ্টামান আগতে দুটাকৈ মানুহ মই খুন কৰি আহিছো। কিন্তু এই মুহূৰ্তত মই তাতোকৈ ভয়াবহ কাণ্ড এটা ঘটোৱাৰ বাবে প্ৰস্তুত। ৰিভলভাৰ আপোনাৰ হাতত আছে। ইংগিত পালে—একাধিক সশস্ত্ৰ পুলিচ ইয়াত আহি জপিয়াই পৰিব। কিন্তু এইটো কি চাওক। এইটো এটা টাইম বম। হাতত সময় মাত্ৰ দুই মিনিট। দুই মিনিটৰ পিচত আপুনিও বাচি নাথাকিব। মইও ধূলিসাৎ হ'ম, ধূলিসাৎ হ'ব—এই হোটেল। গতিকে বিলম্ব নকৰি—ভাল হোৱালীৰ দৰে মাইক্ৰমিনি ফিল্মটো মোৰ হাতত অৰ্পণ

য়াচমিনে এক মুহূর্ত চিন্তা কৰি গোমৰাজলৈ চালে আৰু তাৰ পিচত আগবঢ়াই দিলে এটা সৰু বুটামৰ দৰে বস্তু—মাইক্রমিনি ফিল্ম।

গোমৰাজে একে থাপতে বস্তুটো লৈ বাহিৰ পালেহি। পিচে পিচে য়াচমিন। য়াচমিনৰ ওঠত হাঁহি—গোমৰাজে মাইক্রমিনি ফিল্ম বুলি যিটো বস্তু কঢ়িয়াই নিলে—সেই বস্তুটোৱেই পথ উলিয়াই দিব—এটা অপৰাধী সম্থাক জব্দ কৰাৰ।

য়াচমিনে সফলতাৰ হাঁহি লৈয়েই হোটেলৰ বাহিৰ পালেহি। শঙ্কিত দৃষ্টিৰে বাৰে বাৰে উভতি চালে—টাইম বম্বটোৰ ইতিমধ্যে বিস্ফোৰণ হৈছেনে নাই ?

পাঁচ

পুলিচৰ ইউনিফৰ্ম পিন্ধি ললে শোভনাৰ ব্যক্তিত্বই এক নতুন ৰূপ লয়। তেতিয়া আৰু শোভনা এগৰাকী সুন্দৰী যুৱতীহে কেৱল হৈ নাথাকে, হৈ পৰে এক চতুৰা পুলিচ বিষয়া। ইউনিফৰ্মটোৱেই শোভনাৰ মনলৈ আনি দিয়ে অপৰিসীম সাহস। তেতিয়া দুৰ্দ্ধৰ্ষ ডকাইত, নৃশংস হত্যাকাৰীলৈও শোভনাৰ ভয় নালাগে। হৈ পৰে নিজেও দুৰ্দ্ধৰ্ষ। শোভনাৰ লাঠীৰ একোটা কোবত চোৰ ডকাইতেও শোভনাৰ মাজত শক্তিদেৱীৰ ৰূপ দেখে। দেখে কালি গোসানীৰ ভয়াবহতা।

শোভনা বেদী যেতিয়া কোনো অভিযানলৈ যাত্ৰা কৰে—তেতিয়া তেওঁৰ বাংঢালী, বঙীয়াল ৰূপৰ পৰিবৰ্তে মুখমণ্ডলত ফুটি উঠে দৃঢ়তা, কিবা এটা কৰি দেখুওৱাৰ দৃঢ়তা। মহিলা পুলিচ বিষয়াই কি চোৰ ডকাইত ধৰিব বুলি সৰ্বসাধাৰণে দায়িত্বহীন ভাৱে মন্তব্য প্ৰকাশ কৰাৰ পৰিপ্ৰেক্ষিতত পুলিচ ইন্সপেক্টৰ শোভনা বেদীৰ মনত কিবা এটা কৰি দেখুওৱাৰ জেদভাৱে বাহ লৈছে যদি কব নোৱাৰো কিন্তু চোৰ ডকাইত অথবা তাতোকৈ জটিল কেচো সাহসিকতাৰে সন্মুখীন হোৱাৰ ক্ষেত্ৰত শোভনা বেদীয়ে যিমানখিনি কৃতিত্ব তেওঁৰ চাকৰী-কালত দেখুৱাব পাৰিছে—বহুতো পুৰুষ পুলিচ বিষয়াইও তেওঁৰ সমকক্ষ হব পৰা নাই। প্ৰয়োজনতকৈও অধিক সাহসৰ পৰিচয় দিয়াত পুলিচ ইন্সপেক্টৰ শোভনা বেদী সদায়েই এখোজ আগত। তাতেই শোভনা হল কৰ্তব্যৰ প্ৰতি অতি সচেতন। তেওঁক দায়িত্ব দি কাৰণো সফল হওক নহওক কিবা এটা অন্ততঃ কৰিবই বুলি নিশ্চিন্তে বহি থাকিব পাৰি।

যেয়ে শোভনাৰ উৰ্দ্ধতন পুলিচ বিষয়াসকলৰ তেওঁৰ ওপৰত আস্থা। পুলিচ কমিচনাৰ জগমোহনে প্ৰায়েই মন্তব্য দিয়ে—পুলিচত শোভনা বেদীৰ দৰে বিচক্ষণ, সাহসী আৰু নিজৰ কৰ্তব্যত

প্ৰতি সাহসী পুলিচ বিষয়া পোৱাতো সৌভাগ্যৰ কথা। এসময়ৰ মন্ত্ৰী জুগজীৱন বামৰ পুত্ৰ শ্ৰীকান্তই গুৱগাৱত এগৰাকী মহিলা হত্যা অপৰাধত জড়িত হোৱা যি চাঞ্চল্যকৰ বাতৰি কিছুকাল আগতে বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ঠাই পাইছিল—সেই হত্যা তদন্তৰ দায়িত্বত আছিল—এই শোভনা বেদী।

গুৰগাৱৰ হোটেল এখনত এগৰাকী মহিলাৰ হত্যা তদন্ত কৰিবলৈ গৈ যেতিয়া শোভনা বেদীয়ে আবিষ্কাৰ কৰিছিল যে এই হত্যাৰ লগত মন্ত্ৰীপুত্ৰও জড়িত তেতিয়াও শোভনা থমকি নৰল।

অথচ এই তদন্তত অধিক আগনাবাঢ়িবলৈ শোভনাক বাধা দিয়া হ'ল।

বাধা নামানি শোভনা আগবাঢ়িল।

স্বয়ং মন্ত্ৰীপুত্ৰৰ বিৰুদ্ধে তদন্ত কৰিবলৈ সাহস কৰা শোভনাৰ ওপৰত বহুতো ক্ষুণ্ণ হল। ক্ষুণ্ণ হ'ল এই বাবেই যে এই হত্যা তদন্তৰ লগত মন্ত্ৰীৰ সন্মানৰ কথাও জড়িত আছে। জড়িত আছে গোটেই পাৰ্টিৰ সন্মানৰ কথাও।

শোভনাক বৰাই বুজাই কোৱা হ'ল—এই কেচৰ ফাইল ইমানতে বন্ধ কৰি পেলাব লাগে। কিয়নো তদন্ত চলাই গলে শোভনাৰ বাবেই বিপদ। যদিহে চাকৰীৰ মোহ আছে—মন্ত্ৰীক ক্ষুণ্ণ কৰি জানো টিকিব পাৰিব? এটা হেচুকনিতে চাকৰী শেষ হব। গতিকে বলে নোৱাৰা শিল ভাঙিবলৈ চেষ্টা কৰি কি লাভ? বৰঞ্চ ওপৰ মহলা সন্তুষ্ট থাকিলে নিজৰ বাবেই ভাল। প্ৰমোচন পোৱাতো সুবিধা।

কিন্তু শোভনা আছিল নাচোৰবান্দা। তেওঁ এই হত্যা ৰহস্য ভেদ কৰিবই। হত্যা সদায়েই অপৰাধ। মন্ত্ৰীৰ পুত্ৰই হত্যাৰ লগত জড়িত বাবে সেই অপৰাধ নাইকীয়া হৈ যাবনে? আইন জানো ধনীৰ বাবে বা ক্ষমতাশালীৰ বাবে বেলেগ আৰু দৰিদ্ৰৰ বাবে বেলেগ? ক্ষমতাহীন ব্যক্তি, দুৰ্বল ব্যক্তি কোনোবাটোক আইনৰ বজ্ৰাচকু দেখুৱাই

চোচৰাই আনিব আৰু কোনোবাটোক বলে নোৱাৰা শিল বুলি নমস্কাৰ জনাব—সি কেনেকৈ হ'ব? আইন সকলোৰে বাবেই এক।

গতিকে মন্ত্ৰী, উচ্চতম বিষয়া কাৰোবেই হাকবচন নামানি শোভনা বেদীয়ে মন্ত্ৰীপুত্ৰৰ মহিলা হত্যা তদন্ত কৰিবলৈ গৈ বহুতো কেলেঙ্কাৰী উদঘাটন কৰি পেলালে।

ঘটনা বেগতিক দেখি শোভনা বেদীৰ পৰা ফাইলটো কাঢ়ি অনা হ'ল আৰু শোভনাক সাৱধানবাণীও শুনাই দিয়া হ'ল।

ঊৰ্দ্ধতন কৰ্তৃপক্ষৰ এই কাণ্ডত তেওঁ বৰ অপমান বোধ কৰিলে। এইখন দেশৰ আইনৰ অৱস্থা এইয়াইনে? কাৰবাৰ বাবে আইন, কাৰবাৰ বাবে তাৰ কোনো মূল্যই নাই। শোভনা বৰ বিৰবিৰ হ'ল, ভাবি অন্ত নাপালে—এতিয়া তেওঁ কি কৰিব। এবাৰ ভাবিলে চাকৰিকে এৰি দিব। য'ত নৈতিকতাৰ কোনো মূল্য নাই—সেই চাকৰীত তেওঁ কেনেকৈ টিকি থাকিব?

কিন্তু পিচ মুহূৰ্ততে শোভনাৰ মনলৈ আহিল এক দৃঢ়তা। এইয়া যেন তেওঁৰ প্ৰতি এক চেলেঞ্জ। শোভনা দৃঢ় হ'ল। চাকৰী তেওঁ নেৰে। বৰঞ্চ ইহঁতক এটা সমুচিত শিক্ষাহে দিব। কাললৈ মনত থকা শিক্ষা। তেওঁক এই তদন্তৰ পৰা আঁতৰাই দিলে ঠিকেই—কিন্তু যিখিনি তদন্ত তেওঁ ইতিমধ্যে কৰিছিল, মন্ত্ৰীপুত্ৰৰ মহিলাৰ লগত কৰা কেলেঙ্কাৰী আৰু তাৰ পিচত কৰা হত্যাৰ যিখিনি তথ্য প্ৰমাণে সৈতে তেওঁৰ হাতত আছে—সেইখিনি তথ্য তেওঁ বাতৰি কাকতত প্ৰচাৰ কৰি দিব—তাৰপিচত দেখা যাব ক'ৰ পানী কলৈ যায়।

ভবামতেই কাম। শোভনাক সহায় কৰিবলৈ যুখন প্ৰথমশ্ৰেণীৰ কাকত আগবাঢ়ি আহিল। তিনি দিন পিচত যেতিয়া বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত বৰ বৰ হৰফে মন্ত্ৰীপুত্ৰৰ মহিলা হত্যাৰ কেলেঙ্কাৰী কাহিনী চোৰা চোৰাকৈ প্ৰকাশ পাব ধৰিলে—চৌদিশে হুলস্থুল লাগিল। বিৰোধী পক্ষই মন্ত্ৰীক অপদস্থ কৰাৰ এনে এক সোণালী সুযোগ পাই কিৰিলি পাৰি উঠিল। পুলিচ বিষয়াক [illegible]

দিয়া কথাটোত বিশেষকৈ তেওঁলোকে অধিক গুৰুত্ব দিলে।

ইফালে পুত্ৰৰ দুৰ্ণামৰ ভাগীদাৰী হৈ স্বয়ং মন্ত্ৰী মহোদয়ৰে গাদীৰ তলং ভৃতং লাগিল, উৰ্দ্ধতন পুলিচ বিষয়াক মন্ত্ৰীয়ে হুমকি দিলে।

শেষ দৃষ্টি পৰিল শোভনা বেদীৰ ওপৰত। কোনো ব্যাখ্যা নিবিচৰাকৈয়ে শোভনাক চাকৰীৰ পৰা নিলম্বিত কৰা হ'ল।

নিলম্বিত হৈও শোভনা হতাশ নহল। বৰঞ্চ এনেকুৱা কিবা এটা হবই বুলি তেওঁ সাজু হৈয়েই আছিল। শোভনাই মনক প্ৰত্যয় দিলে—কিবা এটাতো কৰি দেখুৱাব পৰা গল। মন্ত্ৰীৰ গাদীতো তলং ভতং হ'ল। ইফালে মন্ত্ৰীপুত্ৰৰ কেলেঙ্কাৰী যিমানেই প্ৰচাৰিত হ'ল—সিমানেই প্ৰচাৰিত হ'ল—শোভনাৰ সুনাম। জাউৰিয়ে জাউৰিয়ে অহা প্ৰশংসাবাণীত শোভনাই এটা সিদ্ধান্তত আহিব পাৰিলে যে অসৎ লোকৰ হৈ কাম কৰা মানুহৰ যিদৰে অভাৱ নাই, ভালকথাৰ প্ৰশংসা কৰা লোকো এইদেশত মজুত আছে। শোভনাৰ সেইটোৱেই সান্ত্বনা—নিলম্বিত হৈছে যেতিয়া, চাকৰীও হয়তো অৱশেষত হেৰুৱাব, কিন্তু তেওঁ কৰা কামৰ স্বীকৃতি পিচে মানুহে দিছে।

শোভনা নিলম্বিত হোৱা তিনিমাহমান পিচতে দেশৰ ৰাজনীতিত এক নাটকীয় পৰিবৰ্তন ঘটিল। নতুনকৈ নিৰ্বাচন অনুষ্ঠিত হৈ এই নাটকীয়তা চৰম বিন্দুত উঠিল।

দেশৰ শাসন ভাৰ আন এটা ৰাজনৈতিক দলৰ হাতলৈ আহি পৰিল। মন্ত্ৰী জুগজীৱন ৰামহঁতৰ দলৰ অস্তিত্ব নোহোৱাৰ দৰেই হৈ পৰিল।

নতুন শাসক, নতুন মন্ত্ৰী, নতুন বিষয়াৰ শাসন আৰম্ভ হ'ল।

নতুন শাসকে শোভনা বেদীক পুনৰ চাকৰীতো দিলেই, তেওঁৰ পূৰ্ব মৰ্য্যাদাও ঘূৰাই দিলে।

শোভনাৰ নতুনকৈ যেন প্ৰাণসঞ্চাৰ হ'ল। কিছুদিনলৈ অহা মনৰ হা-হুতাশ মচি পেলাই তেওঁ পুনৰ নিজৰ কাৰ্য্যত জপিয়াই পৰিল। এইবাৰ নতুন সাহসেৰে, নতুন প্ৰত্যয়েৰে।

পুলিচ ইন্সপেক্টৰ শোভনা বেদী অপৰাধ জগতৰ লোকসকলৰ বাবে ভয়ৰ কাৰণ হৈ দেখা দিলে। গাভৰু ছোৱালী, বয়স খুউব বেছি বাইশ। সুন্দৰ গাৰ গঢ়নৰে শোভনাক একে আষাৰেই ৰূপৱতী বুলি কব পাৰি। কিন্তু সাহসৰ যেন তুলনা নহয়। বহুতে শোভনাক কয় 'ঝান্সী কি ৰাণী' বুলি।

অপৰাধ জগতৰ বহুতেই বাখৰ নেগুৰৰে কাণ খজুৱাব খোজা শোভনাক এটা সমুচিত শিক্ষা দিবৰ বাবে সুযোগৰ অপেক্ষাত ৰ'ল।

শোভনাই নিজেও বুজি পালে—তেওঁ যিদৰে অপৰাধীৰ আড্ডা-সমূহ খানবান কৰা আৰম্ভ কৰিছে যিকোনো মুহূৰ্ত্ততে বিপদ যে সন্মুখত উপস্থিত হব পাৰে সেইকথা অৱধাৰিত। কিন্তু নাৰী হৈ যিটো চাকৰীত সোমাইছে, যিটো প্ৰত্যয় লৈ, যিটো সাহস বুকুত বান্ধি নিজৰ কৰ্তব্য পালন কৰি গৈছে সেই কৰ্তব্যৰ আগত নিজৰ জীৱন তুচ্ছ। যিহেতু শোভনাই এক আদৰ্শ সৰোগত কৰিছে নিজৰ কৰ্তব্যত আগবাঢ়িছে।

ইয়াৰ অন্তৰালত অৱশ্যে এক কাহিনীও আছে।

বহুতেই প্ৰশ্ন কৰে শোভনাৰ দৰে এগৰাকী উচ্চশিক্ষিতা, ৰূপৱতী নাৰীয়ে পুলিচৰ চাকৰীত সোমাবলৈ গল কিয়? শোভনাৰ বাবে উপযুক্ত চাকৰী আছিল। কোনোবা কলেজৰ অধ্যাপিকা অথবা শিক্ষয়িত্ৰী। কিন্তু তাকে নকৰি পুলিচৰ চাকৰীত সোমাই প্ৰতি মুহূৰ্ত্ততে বিপদৰ বুকিলৈ খাৱন শোৱন এৰি চোৰ, ডকাইত, ব্লেকমাৰ্কে-টিয়াৰৰ পিছত দৌৰিবলৈ কিহে পালে?

কিন্তু কনাই জানে—কি কাৰণে শোভনাই পুলিচৰ চাকৰীক তেওঁৰ হেপাহৰ চাকৰী বুলি নিৰ্বাচিত কৰিলে। এই চাকৰী নিৰ্বাচিত কৰাৰ অন্তৰালত আছে তেওঁৰ এক প্ৰচণ্ড ক্ষোভ এই ক্ষোভ সমগ্ৰ পুলিচ বিভাগটোৰ প্ৰতি।

শোভনাৰ পিতৃ আছিল—এজন বিচাৰক। জগদীশ বেদীৰ আদৰ্শবান বিচাৰক হিচাপে যথেষ্ট সুখ্যাতি আছিল।

এই জগদীশ বেদীৰ বিচাৰত এবাৰ এজন অতি কাৰ্য্য ক্ৰিমিনেলৰ

শাস্তি হৈছিল। বিচাৰৰ ৰায় দি বিচাৰক জগদীশ বেদীয়ে সেইদিনা কৈছিল—ইউচুফ নামৰ এই ক্রিমিনেলজন প্ৰকৃততে ফাটীকাঠত উঠাবহে উপযুক্ত। এই কদৰ্য্যলোকজনে এগৰাকী ষোল্লবছৰীয়া যুৱতীক অপহৰণ কৰাই নহয় তাইক অমানুষিক ভাবে দৈহিক নিৰ্যাতন কৰিও হেপাহ নপলাই তাইক ডিঙিত চেপি হত্যা কৰিবলৈও চেষ্টা কৰিছিল।

ছোৱালীজনীৰ মৃত্যু নহল যদিও তাইৰ জীৱনটোৱেই শেষ হ'ল। শেষ হ'ল এক অৰ্থত যে যদিও হেনা মুখাৰ্জী নামৰ বলাৎকাৰৰ বলী হোৱা ছোৱালীজনী নিৰ্দোষ, নিষ্পাপ তথাপিও তাই অভাৱনীয়ভাবে যিটো দুৰ্যোগৰ সন্মুখীন হ'ল—সেই দুৰ্যোগ তাইৰ বাবে অভিশাপ হৈ তাইৰ পিচে পিচে ছাঁৰদৰে ঘূৰি ফুৰিব। তাই জীৱনত আৰু হুৰোৱা মৰ্য্যাদা কেতিয়াও ঘূৰাই নাপায়। এটা অভিশপ্ত জীৱনকে আকোৱালি লৈ হেনা মুখাৰ্জী নামৰ দুৰ্ভগীয়া ছোৱালী জনীয়ে জীৱনৰ বাকী কাল হা হুমুনিয়াহ কাঢ়ি কটাব লাগিব।

গতিকে হেনা মুখাৰ্জী অথবা হেনাৰ দৰে নিৰ্দোষীক কলঙ্কিত কৰা, নিৰ্য্যাতিতা কৰা অপৰাধীসকলৰ প্ৰতি ভাৰতীয় দণ্ডবিধিৰ আইন সমূহ অধিক কঠোৰ হোৱা আৱশ্যক। এই ক্রিমিনেল সকলেই হ'ল দেশৰ বায়ু কলুষিত কৰাৰ প্ৰধান উৎস। তেনে এক ক্রিমিনেল হেনা মুখাৰ্জীক নিৰ্য্যাতন কৰাৰ বাবে অপৰাধী, পুৰণি ডাগী আচামী, ইউচুফ আলিক যাবৎজীৱন কাৰাদণ্ড বিহা হ'ল।

শোভনা বেদীৰ পিতৃ আদৰ্শ বিচাৰক জগদীশ বেদীয়ে ইউচুফৰ দৰে জঘন্য অপৰাধীক জেললৈ পঠিয়াই কিন্তু এবাৰলৈও ভবা নাছিল যে কালক্ৰমত এই ইউচুফ আলিয়েই তেওঁৰ বাবে সৰ্বনাশ হৈ দেখা দিব।

কিন্তু সেইদিনা নভবা কথাও সম্ভৱ হৈ উঠিছিল। জেলবন্দী ইউচুফ আলি জেলত সম্পূৰ্ণকৈ এমাহো নহওতেই সি কিবা প্ৰকাৰে জেলৰ পৰা পলাইছিল। জেলৰ পৰা পলায়েই ইউচুফে প্ৰথমে

উপস্থিত হৈছিল—তাক জেললৈ পঠিওৱা বিচাৰক জগদীশ বেদীৰ ঘৰত।

প্ৰতিহিংসাৰ দাবানল যেন জ্বলাইছিল তাৰ চকুৰ পৰা।

ইউচুফে তৎপৰতাৰে জগদীশ বেদীক এটা খুটাত বান্ধি থৈ তেওঁৰ ডাঙৰ ছোৱালী স্বপ্নাক ডেগাৰৰ জোঙটোৰে পিন্ধি থকা কাপোৰবোৰ এখন এখনকৈ খুলি সম্পূৰ্ণ উলঙ্গ কৰি তাৰপিচত স্বপ্নাক বলাৎকাৰ কৰিছিল—নিঃসহায় পিতৃৰ সন্মুখতে। সেই সময়ত জগদীশ বেদীৰ সৰুমলীয়া কন্যা শোভনা আছিল—ইউনিভাৰচিটিৰ হোষ্টেলত। শোভনা আহি যেতিয়া ঘৰ পাইছিলহি তেতিয়া সকলো শেষ। ইউচুফৰ গুলিবিদ্ধ পিতৃৰ নিষ্প্ৰাণ ৰক্তাক্তদেহ আৰু স্বপ্নাৰ সংজ্ঞাহীন কলুষিত দেহ সন্মুখত লৈ শোভনাই সেইদিনা কন্দা নাছিল। মনে মনে কৰিছিল এক প্ৰতিজ্ঞা। সেই প্ৰতিজ্ঞা আছিল সেইমুহূৰ্তত মনত পুঞ্জীভূত হোৱা ক্ষোভৰ প্ৰতীক।

আৰু এই প্ৰতিজ্ঞাকে কামে কাজে কৰি দেখুৱাবলৈ বহুতৰ হাক বচন নুশুনি শোভনা সোমাইছিল পুলিচৰ চাকৰীত। শোভনাই জানিছিল বহুতো অসাধু পুলিচৰ লোকৰ বাবেই এই জাতীয় অপৰাধীসকলে দিনৰ পিচত দিন অপৰাধ কৰি যাবই লাগিছে—সিহঁতক বাধা দিওতা কোনো নাই। কিয়নো সিহঁতেযে পুলিচৰ লোকক হাতৰ পুতলা কৰি ৰাখে—সেয়ে শোভনাই চাকৰীত সোমায়েই নিজৰ প্ৰতিজ্ঞাক পূৰ্ণ ৰূপ দিবলৈ দিল্লী মহানগৰীৰ অপৰাধ জগতৰ বিৰুদ্ধে যেন অকলেই যুদ্ধহে ঘোষণা কৰিলে। সাহসৰে সন্মুখীন হ'ল—দুৰ্দ্ধৰ্ব একো-একোটা অপৰাধী সম্ৰাট। ধানবান কৰি দিলে বহুতো অপৰাধীৰ আড্ডা। শোভনাক সহায় কৰিবলৈ, দিহা পৰামৰ্শ দিবলৈ, সাহস যোগাবলৈ দুই এজন প্ৰবীণ পুলিচ বিষয়াও আগবাঢ়ি আহিল।

আৰু এনে দৰে সজাগ হ'ল—অপৰাধী সম্ৰা সমূহো।

কোনো বলাৎকাৰৰ কেচ শোভনাৰ হাতত পৰিলেই শোভনাৰ মনত পৰে ইউচুফ আজিৰ কামনাৰ বহ্নিত ক্ষত-বিক্ষত হোৱা বায়েক-

স্বপ্নাৰ উলঙ্গ দেহটো। সম্মুখত ভাহি উঠে সেই মৰ্মান্তিক দৃশ্যটো। তাৰপিচতে শোভনাৰ কি হৈ যায় কব নোৱাৰে—তেওঁ হৈ পৰে দুঃসাহসী। কোনো বাধাই যেন তেওঁক আৰু প্ৰতিবন্ধক হৈ বাট ভেটিব নোৱাৰে। সকলো বাধা অতিক্ৰমি শোভনাই অপৰাধীৰ ওপৰত জাপিয়াই পৰে। কোনো এক অদৃশ্য শক্তিৰ বলত শোভনাই বিচক্ষণ পুৰুষ পুলিচ বিষয়াসকলেও আগবাঢ়িবলৈ সাহ নকৰা অন্ধকাৰ গলিতো অকলেই যেনেদৰে সোমাই পৰে, সেই সাহসিকতাৰ কাহিনীবোৰ মুখ বাগৰি পিচলৈ কাহিনীতেই পৰিণত হয়।

শোভনা বেদীক কেন্দ্ৰ কৰি এনেধৰণৰ কেইবাটাও দুঃসাহসিক কাহিনী বাতৰি কাকততো বহুবাৰ প্ৰকাশ পাইছে।

যদিও সকলোৱে জানে—শোভনাৰ এই দুঃসাহসেই কোনোবাদিনা হয়তো তেওঁৰ নিজৰ বাবেই কাল মাতি আনিব। পুৰুষ হলেও এক কথা কিন্তু এগৰাকী নাৰীৰ এই দুঃসাহসিকতা তেওঁৰ নিজৰ ভালৰ বাবে নহয়।

পিচে যিয়ে যি মন্তব্যই নকৰক—সকলোৱে শোভনা বেদীক সম্মানৰ দৃষ্টিৰেই চাই, প্ৰাপ্য মৰ্য্যাদাখিনি দিয়াত কোনোৱে কাৰ্পণ্য নকৰে। অৱশ্যে স্বয়ং পুলিচ কমিচনাৰৰ শোভনাৰ প্ৰতি শুভ দৃষ্টি থকা বাবেই তলতীয়া বিষয়াসকলেও তেওঁৰ প্ৰতি সম্মানৰ ভাব ৰাখে যদি স্বকীয়া কথা। যিহেতু প্ৰকৃততে লগৰ বিষয়াসকলে—শোভনাক ঈৰ্ষাৰ দৃষ্টিৰেহে চোৱাতো উচিত।

কাৰণ সমপৰ্য্যায়ৰ এজন বিষয়াৰ ইমান নাম ডাক, আৰু বাকী সকলৰ ম্লান, নিষ্ক্ৰিয়তা যেন উদঙাইহে দেখুৱাই দিছে এই শোভনাই। শোভনাই যেন প্ৰমাণ কৰি দিছে—বহুতো পুলিচ বিষয়া দুৰ্নীতি-পৰায়ণ বাবেই, আইনৰ দৃষ্টিত অপৰাধীসকলৰ লগত হলিগলি কৰে বাবেই অধিকাংশ অপৰাধীয়েই সাৰি যাবৰ বাবে সুৰুঙা পাই যায়।

সেয়ে বাহিৰত দেখুৱাই সমীহ কৰি থাকিলেও ভিতৰি ভিতৰি দুই একে শোভনাক শলাঠেকত পেলাবলৈ মন্ত্ৰণা কৰাৰ গুণগুণনি ভনে

জলে চলি থাকে।

শোভনা পিচে এনেবোৰ কথা চিন্তা কৰা মানুহ নহয়। পঢ়াশুনাত দক্ষ আছিল বাবেই হয়তো তেওঁৰ চিন্তাধাৰাও আছিল পৈণত, তীক্ষ্ণ বুদ্ধিসম্পন্না। সৰ্বসাধাৰণ পুলিচৰ দৰে তেওঁৰ ভোটা বুদ্ধি নহয় বাবেই—অপৰাধী সম্বা সমূহে জালপাতিও ইমানদিনে তেওঁৰ একো৷ ক্ষতি সাধন কৰিব পৰা নাই।

শোভনাই অপৰাধীৰ চক্ৰবেহ্যৰ মাজৰ পৰা নিজৰ তীক্ষ্ণ বুদ্ধিৰ বাবেই হানি বিঘিনি নোহোৱাকৈ ঠিকেই বাহিৰ হৈ আহিব পাৰিছে।

শোভনাৰ এই কৃতিত্বৰ অংশ অৱশ্যে আৰু এজনে দাবী কৰিব পাৰে। আপুনি হয়তো শুনি আচৰিত হব যে—শোভনাৰ অপৰাধীক জব্দ কৰাৰ কৃতিত্বৰ এই দাবীদাৰজন হ'ল এজন সুদৰ্শন যুবক। তাতোকৈ আচৰিত কথা এয়ে যে অমিত নামৰ এই সুদৰ্শন যুৱকজন এসময়ৰ অপৰাধ জগতৰ লোক।

অমিতৰ প্ৰসঙ্গটো এইখিনিতে উত্থাপন হলেই বেছিয়া আপোনাৰ খু-ছুৱনি দূৰ কৰি চমুকৈ অমিত আৰু শোভনাৰ সম্পৰ্কৰ বিষয়েও এটা আভাষ দি থও।

অমিত আছিল এসময়ত দিল্লী মহানগৰীৰ এটা নামকৰা গুণ্ডা। অমিতৰ বিৰুদ্ধে অৱশ্যে হত্যা জাতীয় অভিযোগ নাই কিন্তু চুৰি বিদ্যাত আছিল সি পৈণত। বিশেষকৈ ট্ৰেইনৰ যাত্ৰীসকলৰ ওপৰতে আছিল তাৰ দৃষ্টি। সি আৰু একাধিক সহযোগীৰে সৈতে দিল্লীৰ পৰা আহযাহ কৰা ট্ৰেইনবোৰত পিয়াপি দি ফুৰে।

দেখাত সিহঁতৰ দলৰ কাকো চোৰ যেন নালাগে। যিহেতু সিহঁতে এই ট্ৰেইনবোৰত বিচৰণ কৰে এক আৱৰণৰ আঁৰত। সিহঁতে দুই তিনিজন লগলাগি কেতিয়াবা ঢাকলৈ, কেতিয়াবা ঢুলুকি লৈ, কেতিয়াবা চুটুকুৰা কাঠকে লৈ ভ্ৰাই ভ্ৰাই গান গাই ফুৰে। অমিতৰ কণ্ঠ অতি ভাল। হিন্দী ছবিৰ হিট, গীতবোৰ গাবোঁচাতে হাতৰনিয়াম

এটা কাহুও ওলমাই, পাণখাই দুই কোৰাবিয়েদি সেলেণ্ডি বোৱাই যেতিয়া অমিতে গীত জোৰে ডবাৰ সকলো যাত্ৰীয়ে মন্ত্ৰমুগ্ধৰ দৰে গীত শুনে। কেতিয়াবা অমিতৰ গীতৰ লগতে লক্ষ্মীছায়াই নিজৰ দেহ ভাঙি ভাঙি নাচ জোৰে।

এইয়াই হ'ল অমিতৰ সহযোগীসকলৰ সোণালী সুযোগ। যাত্ৰীবোৰে যেতিয়া অমিতৰ গীত আৰু অনাথ বালিকা লক্ষ্মীছায়াৰ নাচ চাই মন্ত্ৰমুগ্ধ হৈ থাকে—অমিতৰ সহযোগীসকল লাগি যায় চুৰি কাৰ্য্যত।

এনেদৰেই বহুকাল জুৰি অমিত এণ্ড কোম্পানীয়ে এই ট্ৰেইনবোৰত চুৰি কৰি কৰি ইমানেই পাৰ্গত আৰু বেপৰুৱা হৈ পৰিছিল যে—ৰেল বিভাগ, আনকি পুলিচ বিভাগৰো কালক্ৰমত বলে নোৱাৰা সমস্যা হৈ দেখা দিলে। সকলোৰে চিন্তা হ'ল—এই লুট কাৰ্য্য কিদৰে বন্ধ কৰা যায়। চোৰ বিদ্যাত পাৰ্গত এই গেঙটোক কিদৰে জব্দ কৰা যায়।

সেই সময়তে শোভনা বেদীয়ে চাকৰীত সোমাই দুই এটা কেচ তদন্তত সফলতা লাভ কৰি উৰ্দ্ধতন কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। গতিকে শোভনাৰ ওপৰতে ট্ৰেইনত সঘনে কৰা চুৰিকাৰ্য্যৰ এই ধুৰন্ধৰ চোৰৰ দলটোক জব্দ কৰিবলৈ দায়িত্ব পৰিল।

শোভনা উঠি পৰি লাগিল এই চোৰৰ দলটোক ধৰা পেলাবলৈ।

প্ৰায় দহদিন ধৰি শোভনাই ইথনৰ পিচত সিথন ট্ৰেইনত খোপনি ললে। কেতিয়াবা যাত্ৰীৰূপে, কেতিয়াবা ভেণ্ডৰ ৰূপ, কেতিয়াবা অসৎ ভিকতাৰ ছদ্মবেশত। অমিত শোভনাৰ দৃষ্টিলৈ আহিল। কিন্তু চুৰি কাৰ্য্যত হাতেলোটে যেতিয়ালৈকে ধৰিব নোৱাৰে তেতিয়ালৈকে চোৰ ধৰিলেও প্ৰমাণৰ অভাৱত আদালতত খালাচ পাই যাব। গতিকে শোভনাই সুযোগলৈ অপেক্ষা কৰিলে।

এদিন সুযোগ আহিল। ছদ্মবেশী যাত্ৰীৰূপী শোভনাই এদিন হাতেলোটে জব্দ কৰিলে—অমিতৰ সহযোগী দুজনক।

তাৰ দুদিন মান পিচত আৰু দুজন।

অমিত আৰু সহযোগীসকলে ইতিমধ্যে গম পাই গ'ল চতুৰা পুলিচ বিষয়া শোভনাৰ উপস্থিতিৰ কথা। গতিকে বাধ্য হৈ অমিত আৰু অমিতৰ দলৰ বাকীকেইটাই পৰিস্থিতি অধ্যয়ন কৰি ভাগমাৰি ৰ'ল। সিহঁতে বুজিলে পুলিচৰ শ্যেনদৃষ্টি পৰিছে যেতিয়া সিহঁতৰ আৰু সাৰন নাই।

বাধ্য হৈ সিহঁতৰ ভিতৰতে আলচ চলিল—পৰিস্থিতি বেয়ালৈ ঢাল লৈছে—ট্ৰেইনৰ যাত্ৰীৰ আ অলঙ্কাৰ আজোৰ মৰা সিহঁতৰ ব্যৱসায় ইমানতে ইতি কৰি চো, বদলোৱাহে বুদ্ধিয়কৰ কাম হ'ব। যিজনী পুলিচ বিষয়া সিহঁতৰ পিচ লৈছে—মানুহজনী বোলে বৰ ডাইল। এবাৰ পিচত লাগিলে পিচ নেৰে।

ইতিমধ্যে সিহঁতলৈ এটা খবৰো উফৰি আহিল যে—যি চাৰিজন সিহঁতৰ সহযোগীক পুলিচে জব্দ কৰিছিল সৌকাৰ কোবত সিহঁতে স্বীকাৰ কৰি পেলাইছে সকলো কথা। পুলিচে হেনো ইতিমধ্যে সিহঁতৰ গে লীডাৰ অমিতক জব্দ কৰিবলৈ উঠি পৰি লাগিছে।

কথা শুনি অমিত অলপ নাৰ্ভাচ হ'ল। যদিও সি অলপ ধতুৰা নহয়—তথাপিও পুলিচে তাকে যদি লক্ষ্য কৰি লৈছে তেতিয়াহলেতো উপায় নাই। সেয়ে সি কেইদিনমান আত্মগোপন কৰি থাকিল। দলৰ আনবিলাককো অমিতে এ কই উপদেশ দিলে।

কিন্তু সিহঁতৰ অজ্ঞাতবাস যেতিয়া এদিন দুদিনকৈ এসপ্তাহ অতিক্ৰম কৰিলে সিহঁতৰ উশাহ চুটি হৈ আহিল। এইটো এটা কথা হ'লনে? এজনী পুলিচৰ ভয়ত সিহঁতেনো দিনৰ পিচত দিন নিজৰ খাতা এৰি এনেদৰে লুকাই থাকিবনে? তদুপৰি খৰচা পানীৰ কথাওটো আছে। হাবাথাইতো জীয়াই থাকিব নোৱাৰি।

তেনেহলে কি কৰা যায়?

সমাধান সূত্ৰৰ বাবে সকলোৱে অমিতৰ মুখলৈকে চাই ৰ'ল। যিহেতু অমিত সিহঁতৰ গেংলীডাৰ গতিকে অমিতেই সিহঁতক পথ দেখুৱাই দিয়ক।

মিজনাহী এজনাহ / কল,

অমিত স্কুল কলেজত পঢ়া লৰা। কোনোবা ভদ্ৰঘৰৰ সন্তানেই। পৰিস্থিতিয়ে অমিতক এই পৰ্য্যায়লৈ নমাই আনিলে যদিও তাৰ চৰিত্ৰ কিম্বন আচৰণ এতিয়াও সৰ্বসাধাৰণ অপৰাধীতকৈ কিছু হলেও সুকীয়া।

সন্মুখত হাজিৰ হোৱা এই বিপদত সমাধান সূত্ৰ হিচাপে—অমিতে তাৰ সহযোগীসকলক কলে—চিন্তাৰ কাৰণ নাই। অপৰাধ কৰিবলৈ গলে কিছু বিপ্লটো লবই লাগিব, কিছু সাহসটো দেখুৱাবই লাগিব। আমিতো হত্যাকাৰী নহয়, আমিতো মানুহ খুন কৰা নাই। আমি হলো সামান্য চোৰ। গতিকে ধৰা পৰিলেওনো কি হ'ব—বৰবেচি ছমাহ জেল। ফলাফল চিন্তা নকৰাকৈয়ে জানো আমি এই অপৰাধ জগতত ভৰি দিছো। গতিকে ভাইসকল—আজিৰ পৰা আমি আৰু পুলিচৰ ভয়ত আত্মগোপন কৰি নাথাকো। আজিৰ পৰা সকলোৱে আমি নিজৰ কামত পুনৰ লাগি যাম।

অৱশ্যে পূৰ্বৰ দৰে নহয়। এতিয়া আমি প্ৰতি মুহূৰ্ততে সতৰ্ক হৈ চলিব লাগিব। মনত ৰাখিব লাগিব যে পুলিচ আমাৰ পিচত লাগি বৈছে। তদুপৰি আমাৰ কাৰ্য্যক্ষেত্ৰও সলনি হব। আমি অন্ততঃ অধিক ছমাহমানলৈ ট্ৰেইনত আৰু লুট কাৰ্য্য নচলাও। নিজৰ নিজৰ সুবিধামতে য'ত যেয়ে যেনেকৈ পাৰে। আমাৰ দল বাদ্ধি কৰা সমূহীয়া প্ৰচেষ্টাবোৰ এতিয়াৰ পৰা কিছুদিনলৈ বাতিল হ'ল। নিজৰ প্ৰচেষ্টাত সকলোৱে নিজ কাৰ্য্য কৰিব আৰু সময় সুযোগ বুজি আমি এই অন্ধকাৰ গলিৰ এই জুপুৰীত লগলাগিম্হি।

জয়ধ্বনি দি সকলোৱে অমিতৰ মতত একমত হোৱাৰ কথা প্ৰকাশ কৰি সেইদিনাৰ পৰা সকলোৱে আকৌ নিজৰ কিস্তত নামি গল।

অমিতেও এইবাৰ বল সলালে। সি দেখাত অতিশয় ধুনীয়া। পুৰুষ সুলভ গা গাৰি থকা অমিতে নিজৰ ধুনীয়া ৰূপটোৰ বাবেই মানুহৰ দৃষ্টিৰ আৰ হব নোৱাৰে যদিও এইবাৰ অমিতে মুখতথা

দাড়ি বাখি বংচঙীয়া পোছাক পৰিচ্ছদ কৰি, চকুত চশমা পিন্ধি মূৰত উইগ লগাই নিজৰ ৰূপটো একেবাৰে সলনি কৰি পেলালে। কিয়নো অমিতৰ মনত আছিল সি শোভনা বেদীৰ দৃষ্টিত পৰিছে যেতিয়া ছদ্মবেশ নধৰিলে সাৰণ নাই।

অমিতৰ পোছাক পৰিচ্ছদ সলনি হোৱাৰ লগে লগে সলনি হ'ল নিজৰ কাৰ্য্যক্ষেত্ৰও।

অমিতৰ সুৰুলী কণ্ঠই এইবাৰ কামত দিলে। সি নৈশ ক্লাববোৰত গান গোৱা আৰম্ভ কৰি দিলে। অচিৰেই অমিতৰ সুন্দৰ কণ্ঠৰ পৰিচয় সকলোৱে পাই গ'ল। অমিতৰ গীত শুনিবলৈ মানুহৰ ভীৰ লাগিল। ট্ৰেইনৰ সাধাৰণ চোৰ অমিত্ৰ সু-গায়ক ৰূপে সমাদৰ পাই গল। ইটো সিটো [illegible] অমিতৰ গান পৰিবেশন হ'ল।

আৰু এদিন এনেদৰেই গান পৰিবেশন কৰোতেই পুলিচ ইন্সপেক্টৰ শোভনা বেদীয়ে গম পালে যে ৰাজেশ নামধাৰী এই গায়কটোৱেই হ'ল ভেওঁ বিচাৰি ফুৰা ট্ৰেইনৰ লুটকাৰী সকলৰ লীডাৰ অমিত।

এবাৰ যেতিয়া গায়কৰূপী অমিত শোভনাৰ দৃষ্টিলৈ আহিল আৰু সাৰি যায় কেনেকৈ ?

শোভনাই অমিতৰ পৰিচয় পাইও তাক কিন্তু জব্দ নকৰিলে। কিয়নো অকল গেং লীডাৰটোক জব্দ কৰিলেইতো নহব—জব্দ কৰিব লাগিব গোটেই গেঙটোক।

শোভনা অমিতৰ পিছত লাগি ৰ'ল।

বিভিন্ন ৰূপত, বিভিন্ন বেশত, বিভিন্ন ঠাইতে শোভনাই অমিতক লগ পালে। কিন্তু যেতিয়ালৈকে অমিতৰ গোপন আড্ডাৰ সন্ধান নাপাই তেতিয়ালৈকে শোভনাই গেঙটোৰ বাকী সকলক অচিনাকি বিচাৰি উলিয়াই কেনেকৈ ?

গতিকে শোভনাই বাধ্য হৈ সুযোগৰ সন্ধানত থাকিব লগা হ'ল। অন্যহে অমিতক দৃষ্টিৰ পৰা আৰু হৰবলৈ নিদিয়াকৈয়ে।

[illegible]

[illegible]

আৰু এদিন সুযোগ আহিল।

এদিন অমিতৰ পিচলৈ শোভনা প্ৰৱেশ কৰিলেগৈ—অমিতৰ সেই অন্ধকাৰ গলিটোত।

শোভনা অমিতৰ পিচ লৈছিল—পুলিচৰ সাজত নহয়, এগৰাকী সাধাৰণ যুৱতীৰ সাজত। সুযোগটো অথলে নাযাবৰ বাবেই এনেদৰে মৰসাহ কৰাৰ বিপ্লটো লৈছিল। অপৰাধীক সন্মুখত দেখি, চীকাৰ জব্দ কৰাৰ উলাহত আগপিচ নুগুণি শোভনাই সেই অন্ধকাৰ গলিটোত প্ৰৱেশ কৰিছিল যদিও তাই পাহৰি গৈছিল তাই এগৰাকী বাইশ বছৰীয়া যুৱতী। তাতেই ৰূপৱতী। চীকাৰৰ গোন্ধ পাই তাই পাহৰি গৈছিল—ভৰাযৌৱনৰ এই সুকোমল দেহটোলৈ তাই অকলশৰে কাকো জানিবলৈ নিদিয়াকৈ এই অন্ধকাৰ গলিটোত প্ৰৱেশ কৰাটো অনুচিত হৈছে।

শোভনা সাহসী—তাত সন্দেহ নাই। বুদ্ধিতো বিচক্ষণ। এজন দুজন পুৰুষে তাইক একো কৰিব নোৱাৰে সেইটোও ঠিক, কিন্তু যিমানেই হলেও তাই হ'ল নাৰী, এগৰাকী বাইশ বছৰীয়া যুৱতী, ৰূপ আছে, যৌৱন আছে। তাতেই অন্ধকাৰ গলি, তাতেই অকলশৰীয়া।

অমিত ধীৰ পদক্ষেপে অন্ধকাৰ ঠেক পথটোত খুপি খুপি আগবাঢ়িছে। দুইকাষৰ ঠিয় ঠিয় দুইতলীয়া তিনিতলীয়া জৰাজীৰ্ণ অট্টালিকাবোৰৰ দুই এটাৰ পৰা গীতৰ ঝঙ্কাৰ, ঝুমুকাৰ শব্দ আৰু মত্তপায়ীৰ অশ্লীল চিঞৰ বাখৰ কিছুমান চিটিকি আহি অমিতৰ কিছু নিলগে নিলগে সাৱধানে আগবঢ়া শোভনাৰ কাণত পৰিছেহি।

সেই সময়ত শোভনা পুলিচ বিভাগত নতুন। অভিজ্ঞতাও কম। অসীম সাহসী বুলিয়েই তাই এনেদৰে এনে পৰিবেশত অপৰাধীৰ পিচ লবলৈ সাহস কৰিছে।

কিন্তু অমিতৰ পিচে পিচে তাই যিমানেই আগবাঢ়িছে—ক্ৰমান্বয়ে যেন তাইৰ মনলৈ আহিছে তাই মৰসাহ কৰিছে। এনেদৰে, এনে পৰিবেশত তাই ইমান সাহস দেখুওৱাৰ প্ৰয়োজন নাছিল।

আৰু এই তাৰ মনতে অহাৰ লগে লগে তাইৰ মনতে আহিল তাই এগৰাকী যুৱতী। তাই বাৰু কেনেকৈ ভাবিলে অমিত আৰু অমিতৰ গেঙটোক তাই অকলেই জব্দ কৰিব পাৰিব। নাই—ইয়ানপৰে অসম্ভৱ কথা এটা তাইৰ মনতে আহিছিল। ঠিক আছে—তাই অমিতৰ গোপন আড্ডাৰ এলেকাতো যিহেতু গম পালে—তাই আৰু আগবঢ়াতো অনুচিত হব। অতিশীঘ্রে এই গলিটোৰ পৰা বাহিৰ ওলাই পুলিচৰ দল মাতি আনি পুনৰ এই গলিত প্ৰৱেশ কৰিব লাগিব। যদি সময়মতে সদলবলে অমিতৰ আড্ডাত প্ৰৱেশ কৰিব পৰা যায়—তেতিয়া সকলোকে জব্দ কৰাতো সম্ভৱ হ'ব।

শোভনাই চিন্তাৰ লগে লগে এইবাৰ ওভতাই খোজ পেলালে। কিন্তু খোজ থৰতকীয়া কৰিব খুজিও ঘোপমৰা অন্ধকাৰত উজুতি খাই পুনৰ ধীৰে ধীৰে আগবাঢ়িব ধৰিলে।

এনেদৰে ওভটাৰ পথত আৰু কেইখোজমান আগবঢ়াৰ পিচতে শোভনাৰ দৃষ্টিত পৰিল এটা ঘৰৰ সন্মুখত কেইটামান ছা মূৰ্ত্তি। ঘোপমৰা আন্ধকাৰত দেখ নেদেখকৈ দেখা ছা মূৰ্ত্তি কেইটাই যেন গুণগুণাই কিবা কথা পতাত ব্যস্ত।

শোভনা সতৰ্ক হ'ল। তাইৰ ভাব হ'ল সিহঁতে যেন তাইক উপলক্ষ্য কৰিয়েই সেই গুণগুণনি তুলিছে। যদিও অন্ধকাৰত তাইক স্পষ্টকৈ দেখা নাই তথাপিও সিহঁতে হয়তো ঠিকেই ধৰিছে—এজনী ছোৱালী অকলশৰে এই গলিত প্ৰৱেশ কৰিছে। তাইৰ এই মৰসাহ দেখি সিহঁতে হয়তো গুপাগথা চলাইছে ছোৱালীজনী অন্ধকাৰ গলিত অকলশৰে অহাৰ অন্তৰালত কিবা ৰহস্য আছেনেকি ?

শোভনাৰো দুশ্চিন্তা এইবাৰ দৃঢ় হ'ল। তাইৰে এনেদৰে অন্ধকাৰ গলিত প্ৰৱেশ কৰি ভুল কৰিছে—পুনৰবাৰ উপলব্ধি হ'ল। আৰু এই উপলব্ধিৰ লগে লগে তাই কৰালত গুচি থকা ৰিভলভাৰটো খামুচি ধৰিলে।

কিন্তু শোভনাই ৰিভলভাৰটো কামত লগাবলৈ কোনো সুবিধাই

নাপালে।

অকস্মাৎ একাধিক লোক শোভনাৰ ওপৰত জপিয়াই পৰিল।

শোভনাই এই আকস্মিক আক্ৰমণত প্ৰথমতে হতভম্ব হলেও পিচ মুহূৰ্ততে তাইৰ ৰণচণ্ডী ৰূপ গা-কৰি উঠিল।

তাইৰ প্ৰচণ্ড মাৰত একাধিক আক্ৰমণকাৰী চিটিকি পৰিল। হাতত জাগ্ৰত বিভলভাৰ লৈ শোভনাই সিহঁতৰ পিচ ললে।

অন্ধকাৰতো তাই স্পষ্ট দেখিলে—সিহঁত কেইটা কাষৰ ঘৰটোত সোমাই পৰিল। আগপিচ নুগুণি শূন্যত এটা গুলি এৰি শোভনাও একেজাপে সেই ঘৰত প্ৰৱেশ কৰিলে।

কিন্তু ঘৰটোত প্ৰৱেশ কৰি তাই দেখিলে ঘৰটো শূন্য। ঘৰটোত জ্বলি থকা স্তিমিত পোহৰে ঘৰটো সম্পূৰ্ণকৈ পোহৰাব পৰা নাই যদিও তাত যে কোনো জন প্ৰাণী নাই সেই কথা তাই বুজি পালে। আক্ৰমণকাৰী কেইটা নিশ্চয় এই ঠাইতে ক'ৰবাত আত্মগোপন কৰি আছে।

এক মুহূৰ্ত চিন্তা কৰি তাই এইবাৰ উভতি খোজ দিলে। তাই এটা সিদ্ধান্তত উপনীত হ'ল যে—যিমান সোনকালে পৰা যায়—পুলিচ ফৌজ আনি গোটেই গলিটো ঘেৰাও কৰিব লাগিব। এই অন্ধকাৰ গলিটোত কি-বা ৰহস্য আছে কোনে জানে, কিজানিবা কেচু খান্দোতে সাপেই ওলায়।

কিন্তু যি মুহূৰ্ততে শোভনাই উভতি খোজ পেলাইছে—সেই মুহূৰ্ততে তাইৰ চকুত পৰিল ফ্লাচ লাইটৰ পোহৰ। তীব্ৰ পোহৰত তাইৰ চকু চাটমাৰি ধৰিলে। তৎভৎ খাই তাই গুলি এৰিবলৈ ধৰিলে যেনি তেনি।

আৰু সেই মুহূৰ্ততে তাইৰ মূৰত পৰিল এক প্ৰচণ্ড প্ৰহাৰ। তাৰ পিচত তাই আৰু একো কব নোৱাৰে।

যেতিয়া তাই জ্ঞান ঘূৰাই পালে তেতিয়া তাই প্ৰথমতে উপলব্ধি কৰিলে—মূৰটো যেন ফাটি যাব খুজিছে।'/ প্ৰচণ্ড মূৰপাত যেন তাই

পুনৰ জ্ঞান শূন্য হৈ পৰিব।

কোনোবাই মৰমৰে তাইৰ চুলিত হাত বুলাই আছে, আৰু যেন কাৰোবাক কৈছে—ছোৱালীজনীয়ে জ্ঞান ঘূৰাই পাইছে—এতিয়া আৰু চিন্তাৰ কাৰণ নাই।

তাই চকু মেলেলাকৈয়ে প্ৰথমতে চিন্তা কৰিলে তাইৰ কি হৈছিল মনত পৰিছে—তাই সেই ঘৰটোৰ পুৰা উভতি খোজ লওঁতেই তাইৰ ওপৰত আক্ৰমণ চলিছিল। তাৰপিছত তাই একো কব নোৱাৰে।

আৰু এতিয়া জ্ঞান পাই, মূৰৰ প্ৰচণ্ড যন্ত্ৰণাই চাটি ফুটি কৰিলেও তাই ধীৰে ধীৰে চকু মেলিলে।

চকু মেলি দেখিলে—তাই এখন বিচনাত। বিটো মৰম বিধৰ বিচনাত তাই শুই আছে—সেই ঘৰটোৰ পৰিবেশ একেবাৰে অন্যৰূপ।

ধীৰে ধীৰে এইবাৰ তাই মূখ ঘূৰালে। কিন্তু তাইৰ কাষত বহি আলফুলকৈ মূৰত হাতবুলাই থকা মানুহটো দেখি এইবাৰ তাই উচপ খাই উঠিল।

তাইৰ কাষত সেইয়া অমিত। যাক অনুসৰণ কৰিবলৈ তাই পিচ লৈ লৈ এই গলিত প্ৰৱেশ কৰিছিল সম্ভৱ সেই অমিতৰ বিচনাতে এতিয়া তাই শুই আছে।

তাই চকু মেলা দেখি অমিতৰ চকুৰে মুখে আনন্দৰ ৰেখা ফুটি ওলাল—তাৰ পিচত শোভনালৈ চাই মৰমেৰে কলে—মাডাম, বৰ কষ্ট পাইছে নহয়? এতিয়া আৰু চিন্তাৰ কাৰণ নাই, সব ঠিক হৈ যাব। লক্ষ্মী, মেমচাহাবৰ কাৰণে চাহ আন।

অমিতে কোমল স্বৰত পুনৰ কলে—মাদাম, আপোনাক দেখাতটো ভদ্ৰঘৰৰ ছোৱালী যেনেই লাগিছে। অথচ আপোনাৰ হাতত বিভলভাৰো দেখিলো। কি উদ্দেশ্যে যে আপুনি এই গলিত সোমাই-ছিলহি কব নোৱাৰো। আপুনি হয়তো নাজানে মাদাম—এই গলিটো কিমান নিকৃষ্ট গলি। গোটেইখন গুণ্ডাবদমাচৰ আড্ডা। আপুনি কি উদ্দেশ্যেই নাহক—[illegible] লগত এই গলিত প্ৰৱেশ

কৰাতো উচিত হোৱা নাছিল।

ভাগ্য ভাল—গুলিৰ শব্দ শুনি মই উভতি গৈছিলো বুলিহে—নহলে আপোনাৰ কি দশা হলহেঁতেন সেইয়া ভগবানেহে জানে। বিশ্বাস কৰক মাদাম, মইও ভাল মানুহ নহয়। মইও এটা লুটকাৰী দলৰে নেতা। চোৰ ডাকি কৰিয়েই আমি কথমপি চলি থাকো। কিন্তু তাতকৈ বেচি একো নহয়। ছোৱালীৰ কেচ, খুন জখম আমাৰ দ্বাৰা নহয়। কিন্তু এই গলিটোত তেনে কাৰ্য্যকৰা লোক কিন্তু বহুতো আছে। বিশেষকৈ ছোৱালী কিডনাপ কৰা দল ইয়াত আছে তিনিটা। ৰাকা বুলি এটা গুণ্ডা আছে—তাৰ কামেই হৈছে ছোৱালী কিডনাপ কৰা। দিল্লী বা ইয়াৰ আশেপাশে যিমানবোৰ ছোৱালী কিডনাপ হয়, তাৰ অধিকাংশই এই ৰাকা আৰু তাৰ দলৰে কাম বুলি ধৰি লব পাৰে।

আপুনিও এই ৰাকাৰ দলৰ লোকৰ হাতত পৰিছিল। আজলী হৰিণী নিজেই আহি জালত ধৰা দিয়াত সিহঁত হৰষিত হৈ পৰিছিল। সময় মতে মই সিহঁতৰ ওপৰত জপিয়াই নপৰাহলে—আপুনি ইতিমধ্যে সংজ্ঞাহীন অৱস্থাতে কোনোবা আৰবদেশৰ সদাগৰৰ হাতত বিক্ৰী হৈ গলহেঁতেন।

ধৰি লওক আপোনাৰ কপাল ভাল। নিৰ্দিষ্ট সময়ত উপস্থিত হৈ সিহঁতক যদি মই প্ৰচণ্ড মাৰ নিদিলোহেঁতেন, সিহঁতক কোনেও বাধা দিব নোৱাৰিলেহেঁতেন। অৱশেষে আপোনাক উদ্ধাৰ কৰি ৰাকাক মোৰ চিৰকালৰ বাবে শত্ৰু কৰি ললো। যেতিয়া ৰাকাই গম পাব যে সিহঁতৰ দলৰ কবলৰ পৰা আপোনাৰ দৰে বহুমূল্যবান চীকাৰ এটা কাঢ়ি আনিছো—সি যে মোৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিব সেইটো ধুৰুপ। সেইয়া বাক সময়ত বিচৰ দেখা যাব। মইযে আপোনাক সিহঁতৰ কবলৰ পৰা উদ্ধাৰ কৰিব পাৰিছো—সেইটোৱেই এতিয়া মোৰ বাবে সন্তোষৰ কথা।

লক্ষীছাৱাই চাহ লৈ কমটোত প্ৰবেশ কৰাত অমিত অলপ সৰকে

ধাৰে কথা বন্ধ কৰিলে।

লক্ষ্মীয়ে শোভনালৈ চাহকাপ আগবঢ়াই দি কলে—খাওক মেমচাব। দুখীয়াৰ ঘৰৰ চাহ।

অমিতেও কলে—চাহ খাওক মাদাম, চাহ খালে মূৰটো অলপ ভাল পাব।

শোভনাই শোৱাৰ পৰা বিচনাতে বহিবলৈ চেষ্টা কৰিলে। কিন্তু মূৰটো ফাটি যাও ফাটি যাও কৰিছে।

অমিতে কথাটো বুজিব পাৰি এইবাৰ ধৰি ধৰি শোভনাক বিচনাত বহুৱাই দি তাৰ ডিঙিৰ বগা মাফলাৰখনকে শোভনাৰ মূৰত টানকৈ গাঠি মাৰি দি কলে—চাহখিনি খাওকচোন, বহুতখিনি ভাল পাব।

তাই কষ্ট কৰি চাহত ঢোক গিলিলে।

চাহকাপ পেটত পৰাত তাই যেন বহুতখিনি সকাহ পালে।

এইবাৰ অমিতে কলে—অধিক সময় অপব্যয় নকৰো মাদাম, যিকোনো মুহূৰ্ততে বাকা আহি পৰিব পাৰে। তাৰপিচতবা কি পৰিস্থিতি হয় কোনে জানে—সিওঁতো গুণ্ডাই এৰা ভকত নহয়। গতিকে মাদাম আপোনাৰ ঠিকনাটো কওক, মই এখন টেক্সি মাতি আনো। আপোনাক ঘৰত থৈ আহো। অন্যথা আপুনি কোনোবা হস্পিতাললৈ যাব খুজিলেও লৈ যাব পাৰিম।

প্ৰথমতে আপুনি সুস্থ হৈ লওক। তাৰ পিচতে ৰহস্যটোৰ সম্ভেদ লব পাৰিম।

ৰহস্য? ইমান সময়ে একপক্ষীয় ভাবে অমিতেই কথা কৈ গৈছিল যদিও শোভনাই ইমান সময়ৰ মূৰত এই প্ৰথম এটা শব্দ উচ্চাৰণ কৰিলে।

ৰহস্য মানে—মই কব খুজিছো মাদাম, আপুনিটো নিশ্চয় কিবা উদ্দেশ্যলৈহে এই গলিত প্ৰৱেশ কৰিছিল। গলিটো নহয়—একেবাৰে অন্ধকাৰ গলি, যি গলিত কেৱল অপৰাধীৰ আড্ডা। তেনে এটা নিকৃষ্ট গলিত আপুনি তাকো অন্ধকাৰত অকলশৰে প্ৰৱেশ কৰাৰ

অন্তৰালত নিশ্চয় কিবা ৰহস্য আছে। সেই ৰহস্যৰ সন্ধেদ লোক পিচত জনালেও হ'ব, কিজানিবা মই আপোনাক সহায় কৰিব পাৰোৱেই। প্ৰথমতে আপুনি সুস্থ হৈ লওক।

বাৰু মাদাম, এতিয়া আৰু অধিক বিলম্ব নহয়। যিকোনো মুহূৰ্ততে ৰাকা আহি পাব।

অমিতে কথাৰ লগে লগে শোভনাক আলফুলে ধৰি ঠিয় কৰাই দিলে। তাৰপিচত কান্ধত এটা হাতৰে ধৰি খোজকঢ়াত সহায় কৰি দিলে।

মাদাম, গলিৰ ভিতৰভটো টেক্সি নোসোমাব, গতিকে এই গলি পথখিনি আপুনি খোজ কাঢ়িয়েই যাব লাগিব। সৌখিনিৰ পৰাহে টেক্সি লব পাৰিম।

চাহকাপ খোৱাৰ পিচত শোভনাৰ মূৰৰ যন্ত্ৰণা বহুখিনি কমিছে যদিও এতিয়াও খোজবোৰ থৰক বৰক। অমিতে প্ৰায় সাৱটি নিয়াৰ দৰেই এখোজ এখোজকৈ টেক্সি পৰ্য্যন্ত আগবঢ়াই নিলে।

কিন্তু আৰু কেইখোজমান আগবঢ়াৰ পিচতে অকস্মাৎ ভাৱে ঘটিল এক কাণ্ড।

এখন জীপগাড়ী তীব্ৰগতিত আহি গলিটোৰ মুখত ঘপকৈ ৰৈ গল।

অমিতৰ অস্ফুট স্বৰ আপোনা আপুনি বাহিৰ হ'ল—সৰ্বনাশ।

যিমানেই হলেও শোভনা হ'ল পুলিচ বিষয়া। গতিকে এই মুহূৰ্তত তাই অসুস্থ যদিও পুলিচৰ মগজৰ দৰেই তাইৰ মগজেও কাম কৰিবলৈ ধৰিলে। জীপগাড়ী আৰু তাৰ আৰোহীসকলৰ চাল চলন দেখিয়েই তাই বুজি পালে—আৰু এক প্ৰতিবন্ধক আহি সন্মুখত ঠিয় হ'ল।

কিন্তু যিমানেই হলেও এতিয়া দিনৰ পোহৰ। গতিকে শোভনাই পৰবৰ্তী ভয়াবহ পৰিস্থিতিৰ উমান পাই নিজকে এই অৱস্থাতো কিছু সাব্যু কৰি লবলৈ সুযোগ পালে।

জীপ গাড়ীৰ আৰোহী প্ৰতিজন যেন একোটা দানৱ। কিম্ভূত-কিমাকাৰ ভয়াবহ অঙ্গীভঙ্গীৰে যেতিয়া সিহঁতে আগবাঢ়ি আহিল—অমিতে চিঞৰি উঠিল—বাকা, আৰু এখোজো আগনাবাঢ়িবি, নিজৰ ভিতৰত যুঁজ বাগৰ কৰি চা কোনো ফায়দা নাই। তইঁতে চৌকাৰ আন—তইঁতৰ চৌকাৰৰ ওপৰত মই কেতিয়াও চকু নিদিওঁ। কিন্তু মোৰ চৌকাৰৰ গাত তইঁতৰ মানুহে হাত দিলে কিয়? একে খাওঁতাৰ মানুহ, আমি হাতমিলাই নচলিলে কেনেকৈ হব?

তোৰ চৌকাৰ?—হা হাঃ হাঃ বাকাই উচ্চ স্বৰত হাঁহিবলৈ ধৰিলে। বাকাৰ হাঁহিৰ লগত সঙ্গী কেইটাইও হাঁহিত যোগ দিলে। তোৰ চৌকাৰ মূৰ্খ। শুন সেইয়া তোৰ চৌকাৰ নহয়, সেইয়া তোৰ যম। মূৰ্খ, সেইজনী পুলিচৰ মানুহ।

বাকাৰ কথাত অমিতে থৰমৰ খালে—এই ছোৱালীজনী পুলিচৰ মানুহ? হয়তো—পুলিচৰ মানুহ নহলে ছোৱালীজনীয়ে অকলশৰে এই অন্ধকাৰ গলিত প্ৰৱেশ কৰিবলৈ সাহস কৰিবনে? চিঃ সি ইমানকৈয়ে মূৰ্খ তোৰ মগজহে—নহলেনো ইমান সময়ে তাৰ এই কথাটোকে মগজত খেলোৱা নাইনে? এতিয়াহে তাৰ মনত পৰিল—ছোৱালীজনীয়েতো বিশুদ্ধভাবেও গুলি চলাইছিল। ঠিকেইতো—এইজনী পুলিচৰ মানুহ নহৈনো কি হব? কিন্তু সেই বুলিয়েই এইটো অৱস্থাত ছোৱালীজনীক ফালি চিৰি খাবলৈ বাকাৰ দলৰ হাতত তুলি দিবনে? নাই সেইটো হব নোৱাৰে। পুলিচেই হওক বা যিয়েই হওক সেইটো সময়ত দেখা যাব। কিন্তু এতিয়া তাৰ কৰ্তব্য হ'ল—বাকাৰ দলৰ কবলৰ পৰা ছোৱালীজনীক ৰক্ষা কৰা।

অমিতে মুহূৰ্ততে কথাখিনি চিন্তা কৰি লৈ যেতিয়া সি দৃঢ়প্ৰতিজ্ঞ হ'ল যে—ছোৱালীজনীক যিকোনো প্ৰকাৰে বাকাৰ দলৰ পৰা ৰক্ষা কৰিব তেতিয়া তাৰ মাতটোও কৰ্কশ হ'ল। সি চিঞৰি উঠিল—বাকা, তইঁতৰ দৰে মোৰ খুনীৰ মগজু নহয়, মই জানো—এওঁ কোন। আৰু জানি শুনিয়েই আমি ইয়ে কৰিছো। কোন সকলটো বুলি পুলিচ

মিছা কথা এটা ইমান সহজে কবলৈ তাৰ জিভাখন বৈ গল। সি বাকাক যেন বুজাব খুজিছে—পুলিচৰ লোক হলেও সিহঁত ছুয়োৰে মাজত গভীৰ প্ৰেম আছে। যিহৰ বাবে অমিতক বিচাৰি ছোৱালীজনী গলিত প্ৰৱেশ কৰিছিলহি।

বাকাই সঙ্গী কেইটাক চকুৰ থাৰৰে ইঙ্গিত দি—অমিতৰ কথাৰ ওপৰতে কলে—ফাল্টু কথা কোৱাৰ সময় এইটো নহয়। পুলিচ অফিচাৰে তোৰদৰে ভিকছু এটাৰ লগত প্ৰেম কৰিবলৈ আহিছে—তই বাকাৰ চকুত কি ধূলি মাৰিব পাৰিবি? আতৰ হ—সম্মুখৰ পৰা, ছোৱালীজনী ভালে ভালে আমাৰ হাতত গতাই দে।

অমিতেও অধিক উৰ্দ্ধত চিঞৰি উঠিল—কেতিয়াও নিদিও। এই ছোৱালীৰ গাত হাত দিলে তইঁতে জিন্দা ঘূৰি যাব নোৱাৰিবি।

কথাৰ লগে লগে অমিতে ক্ৰমান্বয়ে সিহঁতৰ ফাললৈ যুদ্ধংদেহি মনোভাৱত আগবাঢ়ি অহা বাকাৰ ওপৰত জপিয়াই পৰিল। অমিতে ভাবিলে—কেইবাটাও আছে বাকাৰ দলত। গতিকে প্ৰথমে আক্ৰমণ কৰিলেহে যদি সিহঁতক কাবু কৰিব নোৱাৰিলেও চমক খুৱাই দিব পৰা যাব আৰু তেনে কথা চিন্তা কৰিয়েই অমিতে বাকাৰ ওপৰত জপিয়াই পৰিয়েই চম্ভালিব পৰাৰ আগতেই সোঁৱে বাঁৱে প্ৰচণ্ড মাৰ আৰম্ভ কৰি দিলে।

অমিতৰ এই আকস্মিক প্ৰচণ্ড আক্ৰমণত বাকা ওকৰি পৰিল। কিন্তু অলেক পিচতে এই আকস্মিক আক্ৰমণৰ বাবে প্ৰস্তুত নথকা বাকাৰ সঙ্গী কেইটাও সম্বিৎ ঘূৰাই পোৱাদি কেউফালৰ পৰা অমিতৰ ওপৰত সমূহীয়া আক্ৰমণ আৰম্ভ কৰিলে। সঙ্গী কেইটাৰ সহযোগ পাই এইবাৰ বাকাইও ৰেপেৰি পাতি অমিতৰ ওপৰত জপিয়াই পৰিল।

অকলশৰীয়া অমিতে দৈত্যৰ দৰে বিশাল বপুৰ মানুহকেইটাৰ লগত কিমান যুজিব?

যুজি যুজি এটা সময়ত সি ভাগৰি পৰিল। অমিতৰ যুজা শক্তি

কমি অহাৰ লগে লগে তাৰ ওপৰত প্ৰচণ্ড মাৰ পৰিবলৈ ধৰিলে। এটা সময়ত সি ঢলি পৰিল।

শোভনাৰ সন্মুখতে সকলো ঘটিছে যদিও শোভনাই নিজৰ কাহিল অৱস্থাৰ বাবে অমিতৰ সাহায্যত একোকে কৰিব পৰা নাই। বিশ্বাসঘাতক টো কালি কাটি নিনিয়াহলে সেইটোৱেই এতিয়া কামত দিলেহেঁতেন।

কিন্তু এতিয়া উপায় ?

তাইক ৰক্ষা কৰিবৰ বাবেই অমিতে সেই দস্যু কেইটাৰ লগত জীৱন মৰণ যুঁজ দিছে।

তাৰ নাকে মুখে তেজৰ ঢল নামিছে। হাত ভৰিৰ শক্তি খুনে তাক অৱসন্ন কৰি আনিছে। আৰু অমিতৰ বাধা ক্ৰমান্বয়ে লেহুকা হৈ অহাৰ লগে লগে বাকীৰ দলৰ লোককেইটাৰ দৃষ্টি পৰিল এইবাৰ শোভনাৰ ওপৰত।

শোভনাই দেখিলে অমিতৰ বাধা উফৰিল যেতিয়া এতিয়া আৰু তাইৰ ৰক্ষা নাই। তাই তৰিৎগতিত চিন্তা কৰিলে—এতিয়া তাই কি কৰিব। আৰু তৎমুহূৰ্তে তাইৰ মনত খেলালে—এই দৈত্য কেইটাৰ লগত অকলেই যুঁজ দিয়াৰ উপায় মাথো এটাই আছে—গতিকে শেষ চেষ্টা এটা কৰি চাবলৈ তাই একেজাপেই ওচৰত ৰৈ থকা সিহঁতৰ জীপ গাড়ীখনত জপিয়াই উঠিল।

গাড়ীখনত ষ্টাৰ্ট দিয়েই তীব্ৰগতিত তাই বাকী আৰু সহযোগী কেইটাৰ ফালে গাড়ীখন আগবঢ়াই নিয়াত এনে এটা পৰিস্থিতিৰ সম্ভাৱনীয়তাৰ বিষয়ে সচেতন নথকা আটাই কেইটাই গাড়ীৰ চেপাত পৰা নিজকে বচাবলৈ বেনিতেনি জপিয়াই পৰিল।

এই সুযোগতে শোভনাই অমিতক উদ্দেশ্যি চিঞৰিলে—গাড়ীত উঠা।

অমিতে সময় মতেই সুযোগটো গ্ৰহণ কৰিবলৈ সমৰ্থ হোৱাত এইবাৰ পূৰ্ণগতিত গাড়ীখন বেক কৰি নি ঠিক গলিটোৰ পৰা কোনো

মত্তে উলিয়াই পূৰ্ণগতিত আকৌ সন্মুখৰ ফালে আগবাঢ়িল।

যেতিয়া গাড়ীখনে ৰাকাইতক পিচত পেলাই ভালেখিনি আগবাঢ়িল শোভনাই এটা পেট্ৰল পাম্পৰ সন্মুখত হঠাতে গাড়ীখন ৰাখি একেলৰে ভিতৰলৈ সোমাই গল আৰু কাকো সোধপোচ নকৰাকৈ ফোনটো ডাঙি ললে।

ছয়

পুলিচ কমিচনাৰৰ সাক্ষাৎ লভিবলৈ পুলিছ ইন্সপেক্টৰ শোভনাই ৱেটিংৰুমত দহমিনিটতকৈও অধিক সময় বহি বহি আমনি লাগিল।

শোভনাৰ মনত পৰিল অমিতলৈ। যোৱা এসপ্তাহ ধৰি শোভনাই অমিতক লগ পোৱা নাই। এই কেইদিন তাই ইমানেই ব্যস্তভাৱে ইমানেই সমাজৰ মাজত কটাব লগা হৈছে যে—তাই এই কেইদিন আন কোনো চিন্তাই মনলৈ আনিব পৰা নাই। অথচ এই কম সময় খিনিতে তাইৰ আৰু অমিতৰ মাজত এনে এটা সম্বন্ধ গঢ় লৈছে—যি সম্বন্ধই দুয়োকে ইমানেই ওচৰ চপাই পেলালে যে—দুয়ো দুয়োকে এটা দিনো নেদেখাকৈ থাকিব নোৱাৰা হ'ল।

কিছুদিন আগতেও দুয়োৰে মাজত সম্বন্ধ আছিল চোৰ আৰু পুলিচৰ।

মাজত মাথো এটা বছৰ।

মাত্ৰ এটা বসন্ত অতিক্ৰম হওতেই দুয়ো দুয়োৰে কিমান কাষলৈ ওচৰ চাপি আহিল।

অমিতৰ কিমান পৰিবৰ্ত্তন হ'ল। যিটো মানুহ সিদিনালৈ আছিল আইনৰ দৃষ্টিত অপৰাধী সেই মানুহটোৱেই এতিয়া আইনৰ সহায়ক হৈ পৰিল। অমিতৰ এই সংশোধন তাইৰ সান্নিধ্যলৈ আহিয়েই নহয় জানো।

যিদিনা অমিতে নিজৰ জীৱন বিপন্ন কৰিও মাকা আৰু তাৰ সঙ্গী সকলৰ কবলত পৰাৰ পৰা তাইক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল—সেই খিনিকালতে শোভনাৰ মনৰ কোণত অমিতৰ প্ৰতি কিবা এটা উদয় হৈছিল। ইয়াৰ মাজেই যদি আছিল প্ৰথম দৃষ্টিত প্ৰেম তেনেহলেও আচৰিত হবলগা একো নাই।

সেইদিনা সাহসিকতাৰে তাই পৰিস্থিতিৰ সন্মুখীন হৈ যি বিচক্ষণতাৰ পৰিচয় দিছিল—তাৰবাবেই তাই নিজে যেনেকৈ সেই

[illegible]

বদৰাচৰ মলটোৰ পৰা ৰক্ষা পৰিছিল, অমিতকো তেনেদৰেই ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল।

হস্পিতালত শয্যাশায়ী অমিতৰ খবৰ যেতিয়া তাই প্ৰতিদিনে লবলৈ আহিছিল কৰ সময়তে ছয়ো ছয়োৰে কৰনোৱাবাকৈয়ে ইমানেই ওচৰ চাপি গৈছিল যে—এটা সময়ত ছয়োৰে উপলব্ধি হ'ল—তেওঁলোক যিটো বিন্দুত উপস্থিত হৈছে—তাৰপৰা তেওঁলোকৰ উভতি যোৱাৰ আৰু কোনো পথ নাই।

এটা সময়ত শোভনা উচপ খাই উঠিল—তাই এইয়া কি কৰিবলৈ ওলাইছে? এটা আইনৰ দৃষ্টিত অপৰাধী মানুহ আৰু তাই হ'ল আইনৰ পালক। বিপৰীতমুখী দুটা গতি একেলগ হোৱাতো জানো সম্ভৱ?

অসম্ভৱ। কিন্তু অসম্ভৱ হলেও এটা কথা অন্ত ত সম্ভৱ তাই আইন ৰক্ষক হিচাপে এটা অপৰাধীক সংশোধিতটো কৰিব পাৰে। আইন পালক হিচাপেতো তাক শুদ্ধ পথটো আঙুলিয়াই দেখুৱাব পাৰে। কিজানিবা পৰিস্থিতিত পৰিহে মানুহটোৱে বেয়া পথ লৈছিল। তাৰ মানে প্ৰথমতে জানি লব লাগিব অমিতে অপৰাধীৰ পথটোকে জীৱনৰ ব্ৰত বুলি বাচি লোৱাৰ কাৰণ কি?

অমিতে কৈছিল। তাইক পুলিচ বিষয়া বুলি জনাৰ পিচতো কৈছিল। কৈছিল তাৰ জীৱনৰ চৰম বিপৰ্য্যয়ৰ কথা।

অমিতৰ পিতৃ আছিল এখন চাহবাগিছাৰ মহৰি। সীমিত আৰ্জনৰে টানিটুনি সংসাৰৰ জোৰা তালি মাৰি যিখিনি অৱসৰ সময় পাইছিল সেইখিনি সময়ত তেওঁ সঙ্গীত চৰ্চ্চা কৰিছিল।

অতি ক্ষুদ্ৰ চাকৰী কৰিলেও অমিতৰ পিতৃ আছিল—অতিশয় সৎ আৰু নিষ্ঠাবান। চাহবাগিছাৰ মহৰি অমিতৰ পিতৃয়ে—নিজৰ নিষ্ঠা আৰু কৰ্তব্যৰ প্ৰতি অতি তৎপৰ বাবেই কালক্ৰমত তেওঁ সেইবাগিছাৰে বৰ বাবুৰ আসনত বহিল। মহৰীৰ পৰা বৰবাবু, বৰ এটা ডাঙৰ পাৰ্থক্য নহয় যদিও সৎ, নিষ্ঠাবান বুলিয়েই তেওঁক এই প্ৰমোচন দিয়া বাবে

অমিতৰ পিতৃ কৰ্তৃপক্ষৰ এনেবত কৃতজ্ঞ হ'ল। আৰু তেওঁৰ এই কৃতজ্ঞতা প্ৰকাশ কৰিলে নিজৰ কৰ্মৰ মাজেৰে, কৰ্তব্য নিষ্ঠাৰে।

কিন্তু এনেকুৱা এজন সৎ, সৰল লোকৰ সৰলতাৰ সুযোগ ললে—সেই বাগিছাৰে আন এজন লোকে। অমিতৰ পিতৃ বহুটকাৰ আত্মসাৎৰ অভিযোগত জড়িত হৈ পৰিল।

যদিও সকলোৱে বুজিলে অমিতৰ পিতৃৰ দৰে এজন সহজ সৰল লোকে এনে এটা অপকৰ্ম কেতিয়াও কৰিব নোৱাৰে—কিন্তু সকলো প্ৰমাণ অমিতৰ পিতৃৰ বিৰুদ্ধেই ঠিয় হ'ল।

অমিতৰ পিতৃৰ বাগিছাৰ টকা আত্মসাৎৰ অভিযোগত জেল হ'ল।

কিন্তু তেওঁ আৰু জেললৈ যাব লগা নহ'ল যিহেতু আদালতে তেওঁক জেল দিয়া নিশাই হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু মুখত পৰিল।

সগু কলেজৰ শিক্ষা সাং কৰি আইন পঢ়িবলৈ গুণাগথা চলাই থকা অমিতে পিতৃৰ জেললৈ যাব লগা এই বিপৰ্য্যয়ত হতভম্ব হৈ পৰিছিল, আৰু ঠিক সেইখিনি কালতে পিতৃৰ মৃত্যুৰ বাতৰিটো অমিতৰ বাবে বজ্ৰাঘাত ভাঙি পৰাৰ দৰেই হ'ল।

পিতৃ অবিহনে অমিতে দিনতে অন্ধকাৰ দেখিলে। এতিয়া সি কি কৰিব?

তাৰ যেন অভিমান হ'ল। তাৰ এই অভিমান সমাজখনৰ প্ৰতি। আইন আদালতৰ প্ৰতি। যিখন সমাজে, যি আইন আদালতে তাৰ পিতৃৰ দৰে এজন সৎলোকক ভুৱা প্ৰমাণৰ ভিত্তিত এনে পুৰস্কাৰ দিলে সেইখন সমাজত ভাল হৈ থাকি লাভ কি? আইন আদালতক সন্মান কৰিবৰ প্ৰয়োজন কি?

এই সমাজে তাৰ মানে মানুহক অসৎ হবলৈহে উদগনি দিয়ে। তাৰ মানে অসৎলোকেহে আজিৰ সমাজত সন্মান লৈ জীয়াই থাকিব পাৰে।

ঠিক আছে—সেয়েই হ'ব। মই হোৱাৰে পথা তাৰ চিন্তুৰে, তাক

[illegible]

যি সৎ, আদৰ্শবান হোৱাৰ শিক্ষা দিছিল, যি সৎ চৰিত্ৰলৈ অমিত গঢ় লৈছিল সেইবোৰ তাৰ বাবে এতিয়া প্ৰহসনত পৰিণত হ'ল। সি আৰু ভাল মানুহ হৈ থাকিব নোখোজে। সি বেয়া মানুহ হ'ব। সি হ'ব আইন ভঙ্গকাৰী।

সেইখিনি সময়তে অমিতে সন্মুখীন হ'ল আন এক বিপৰ্য্যয়ৰ। এইবাৰৰ বিপৰ্য্যয় হ'ল অমিতৰ ভনীয়েক নয়নাক লৈ।

পিতৃ মাতৃ অবিহনে অমিতে ভনীয়েক নয়নাক এক সম্বন্ধীয়াৰ আশ্ৰয়ত থৈ নিজৰ আৰ্জনৰ পথ বিচাৰি যেতিয়া দিল্লী মহানগৰী আহি পাইছিল—তাৰ কিছু দিন পিচতে অমিতে খবৰ পাইছিল তাৰ অতি মৰমৰ ভনীয়েক নয়না নিখোজ হৈছে।

উপৰ্য্যুপৰি এনে বিপৰ্য্যয়ত অমিত অধিক ভাঙি পৰিল।

সি ভনীয়েকক বিচাৰি তল ওপৰ কৰিলে। পুলিচৰ সহায় বিচাৰিলে। সহায় বিচাৰিলে তাৰ চিনাকী বন্ধু বান্ধৱৰ পৰা। কিন্তু সকলোৱে দায়িত্বহীন মন্তব্যৰে তাক বিদায় দিলে। সকলোৱে যেন কব খোজে—সুন্দৰী গাভৰু ছোৱালী। অলগৰ্দ্ধ ককায়েকটোৰ লগত থাকি জীৱন দুৰ্বিষহ কৰি তোলাতকৈ মনে বিচৰা কাৰবাৰ লগত চাপি ভাগিল।

কিন্তু অমিতে তাৰ এজন বন্ধু পানদোকানীৰ পৰা গম পাইছিল যে তাৰ ভনীয়েকক কোনোলোকে অপহৰণ কৰি নিছে। যি অপহৰণত যাৰ আশ্ৰয়ত সি নয়নাক থৈ গৈছিল সেই সম্বন্ধীয়া লোকজনো জড়িত আছে।

অমিতেও ঠিক এনে এটা ঘটনাই ঘটিছে বুলি সন্দেহ কৰি আছিল। যিহেতু সি নয়নাক জানে। নয়না কিমান ভাল ছোৱালী তাতকৈনো বেছিকৈ কোনে জানিব? কিন্তু সকলো জানিও এতিয়া সি কি কৰিব? পুলিচে যদি তাক সহায় নকৰে, বন্ধুসকলে যদি তাক সহায় নকৰে সি কি কৰিব? সি তাৰ মৰমৰ ভনীয়েকক ক'ত বিচাৰিব, কেনেকৈ উদ্ধাৰ কৰিব?

অমিত নয়নাৰ চিন্তাত বলিয়া হোৱাদি হ'ল। ইফালে কাপোৰৰ বিপৰ্য্যয়ৰ খুণ্ডা হুজৰ নহওঁতেই এইটো দুৰ্য্যোগে অমিতক তলং ভতং কৰি দিলে।

বলিয়াৰ দৰে নয়নাক বিচাৰি ফুৰোঁতেই অমিতে কৰ নোৱাৰাকৈয়ে কেইজনমান বন্ধু গোট খালে। অমিতৰ এই বন্ধু কেইজন হৈ পৰিল অমিতৰ নতুন পথৰ পথ প্ৰদৰ্শক। অন্ধকাৰ জগতৰ লগত চিনাকী থকা এই বন্ধু কেইজনে অমিতকো পৰিচয় কৰাই দিলে আন এখন পৃথিবীৰ লগত।

প্ৰথমতে চিনাকী। তাৰ পিচত প্ৰশিক্ষণ, তাৰ পিচত পৰীক্ষা।

অচিৰেই অমিত পৰিণত হ'ল আইনৰ দৃষ্টিত এজন অপৰাধী লোক। এখন নতুন পৃথিবীত প্ৰৱেশ কৰি, নতুন বন্ধু বান্ধৱ পাই, নতুন কৰ্মক্ষেত্ৰ পাই অমিতে লাহে লাহে পিতৃক হেৰুওৱা বেদনা, ভনীয়েকক হেৰুওৱা বেদনা পাহৰি পেলালে।

অমিতে নিজৰ এখন নতুন সমাজ গঢ়ি তুলিলে। অনাথ বালিকা লক্ষ্মীছায়াক পাই অমিতে নিজৰ ভনীয়েক নয়নাৰ দৰেই মৰমেৰে আকোৱালি ললে। সঙ্গীতৰ প্ৰতি বাপ থকা পিতৃৰ দ্বাৰাই অমিতৰ লৰালি কালতে সঙ্গীতৰ লগত পৰিচয় ঘটিছিল। সেই সঙ্গীতে এতিয়া তাৰ কামত দিলে। তাৰ কণ্ঠ ভাল। তাৰ গীত শুনি ভালপোৱা লোকৰ প্ৰশংসাবাণী শুনি সি এই ক্ষেত্ৰত অধিক মনোযোগ দিলে।

আৰু ঠিক এনে এটা সময়তে সেই নাটকীয় পৰিৱেশত অমিতৰ লগত শোভনাৰ সান্নিধ্য ঘটিল।

গৈছিলে চোৰকণী অমিতক জব্দ কৰিবলৈ—হ'লগৈ তাৰ বিপৰীতটো।

কৰিচনাৰক লগ পাবলৈ গৈ ওৱেটিং ৰুমতে বহি বহি শোভনাই অমিতৰ চিন্তাত ইমানেই মগ্ন হৈ পৰিছিল যে—প্ৰেমবোৰ হৈ [illegible] বৃত্ত যেন [illegible] পৰ্য্যাত তাহি উঠাৰ দৰেই তাহি

উঠিছিল। অমিতক লগপোৱা তাইৰ সেই ভালপোৱা মুহূৰ্তবোৰৰ কথা। অমিত আজি তাইৰ কিমান আপোন। অমিতৰ বিপৰ্যয়ৰ কাহিনী যেতিয়া তাই শুনিছিল যেতিয়া শুনিছিল নয়নাৰ নিখোজৰ কাহিনী, তেতিয়া তাইৰ চকুৰ কোণতো চকুপানীয়ে দেখা দিছিল। অমিতৰ বিপৰ্যয়ৰ কাহিনী যেন তাইৰ বিপৰ্যয়ৰ কাহিনীৰ লগত বহুখিনি একে। যিটো কাৰণত প্ৰতিজ্ঞাবদ্ধ হৈ তাই পুলিচত সোমাইছিল, একে কাৰণতে অমিতেও অপৰাধ জগতত ভৰি দিছিল। গতিকে ইমানখিনি জনাৰ পিচত তাই অমিতক কেতিয়াও অপৰাধী বুলি নাভাবে। আৰু নাভাবে বাবেই দুয়ো দুয়োৰে ইমান সান্নিধ্যলৈ আহিবলৈ সহজ হ'ল। সহজ হ'ল দুয়ো যেতিয়া বুজি পালে—এই সংসাৰত দুয়ো বৰ অকলশৰীয়া।

পিয়নটোৰ মাতত শোভনা উচপখাই উঠিল।

মেমচাব—অথনিৰে পৰা মাতি আছো। আপুনি বাৰু চকুমেলিয়েই টোপনি গৈছিলনেকি?

শোভনাই লাজ পালে। সচাকৈয়ে কল্পনাৰ ৰাজ্যত তাই ইমানেই ডাহি আছিল যে পিয়নটোৱে যে তাইক চিএৰি আছে—কৰ নোৱাৰে।

শোভনাই ঢৰমৰাই ঠিয় হ'ল আৰু ত্বৰিৎবেগে কমিচনাৰৰ কমত প্ৰবেশ কৰিলে।

ফাইলত চকু ফুৰাই থকাৰ পৰাই মূৰ নোতোলাকৈয়ে কমিচনাৰ জগমোহনে কলে—আহা, আহা, সাহসী পুলিচ অফিচাৰ। এসপ্তাহ ধৰি অপৰাধীৰ পিচত দৌৰিছা—কোনো খবৰটো মই পোৱা নাই।

চাৰ, খবৰ পঠিয়াবলৈ সুযোগেই পোৱা নাই। তদুপৰি চাৰ—

তদুপৰি খবৰ বৰ ভাল নহয়।

ভাল নহয়? তোমাৰ মুখতো এনেকথা শুনিবৰ বাবে মই কিন্তু প্ৰস্তুত নহয়—মিচ বেদী।

মই কি কৰিম চাৰ—মইতো যথাসাধ্য চেষ্টা চলাইছো—কিন্তু

শেষ মুহূৰ্তত অপৰাধী আমাৰ হাতৰ মুঠিৰ পৰা ওলাই গল।

বাক ঠিক আছে মিচ বেদী—তোমাৰ অভিযানৰ আদ্যোপান্ত কোৱাচোন।

আদ্যোপান্ত মানে আপুনিটো চাৰ আমি সেই অপৰাধী দলটোক কিদৰে জব্দ কৰিবৰ বাবে অগ্ৰসৰ হোৱাৰ কথা আছিল—সেই আচনি খনৰ কথা জানে।

আপুনি অনুমোদন জনোৱা সেই আচনি অনুযায়ীয়েই আমি কাৰত অগ্ৰসৰ হৈছিলো।

সতীশ গিদোৱানী নামৰ আমি সন্দেহ কৰা লোকজনৰ পিচলৈ মই যেতিয়া শ্ৰীনগৰৰ উপস্থিত হৈছিলো—তেতিয়া সমগ্ৰ কাশ্মীৰ উপত্যকাতে ৰাজনৈতিক দৃশ্যপট আছিল বেয়া। কিয় বেয়া সেই কথা আপুনি জানেই। শ্ৰীনগৰৰ এয়াৰ পৰ্টত প্লেনৰ পৰা নামিয়েই মই বুজি পালো কাশ্মীৰৰ বতৰ গোমা। হৰতাল, সংঘৰ্ষ, পুলিচৰ গুলিচালনা, নিহত ব্যক্তিৰ কান্দোন, দাঙ্গা হাঙ্গামাই পৰিবেশখন থমথমীয়া কৰি পেলাইছিল। গতিকে এই থমথমীয়া পৰিবেশত অপৰাধীৰ পিচত লৰ দিয়াত স্বাভাৱিকতে প্ৰতিবন্ধক আহি পৰিল।

কিন্তু সেই প্ৰতিবন্ধককো নেওচি মই সতীশ গিদোৱানীৰ পিচ এৰা নাছিলো।

গুলমাৰ্গ, সোণমাৰ্গ, পেহেলগাম এই তিনিওখন ঠাইলৈ সতীশ গিদোৱানী—কাৰবাৰ সন্ধানত ভৰানৰা চিতিগৈ বিফল মনোৰথ হৈ উভতি আহিছিল।

তাৰ পিচত মানুহটোৱে এটা দিন তাপ মাৰি ব'ল—শ্ৰীনগৰৰ এখন হোটেলত।

গিদোৱানীৰ পিচে পিচে মইও গুলমাৰ্গ, সোণমাৰ্গ হৈ আহি পৰিলো শ্ৰীনগৰ।

কিন্তু হোটেল ইচ্‌লাণ্ডিয়াত সেইদিনা মই কোনো পথেৰেই এটা চিটি যোগাৰ কৰিব নোৱাৰি খিতাপি লগো গাতে লগা কাষৰ হোটেল-

খনত। গিদোৱানী এই ইচ্লামিয়া হোটেলত উঠিছিল—মানুহটোৰ চিট টো দিল্লীৰ পৰাই ফোন কৰি বুক কৰা আছিল। বাকী গোটেই হোটেলখন বয়েৰ দুটা চিনেমা ইউনিটে দখল কৰি বহি আছিল। যিহেতু শ্ৰীনগৰত হৰতাল গতিকে দুয়োটা ইউনিটৰ লোকসকলে হোটেলত বহি দল দোপ হেন্দোল দোপ কৰি আছিল।

ইমানখিনি মানুহৰ লৰাচপৰা চিঞৰ বাখৰত মই কাষৰ হোটেল-খনৰ পৰা গিদোৱানীৰ ওপৰত দৃষ্টি ৰাখিবলৈ কঠিন হৈছিল। তথাপিও মই সন্দেহজনক দূৰত্বৰ পৰা আতৰি থাকিয়েই গিদোৱানীৰ ওপৰত দৃষ্টি ৰাখিবলৈ চেষ্টা কৰিছিলো।

অৱশ্যে মই এটা কথাত নিশ্চিত আছিলো যে—এই গিদোৱানী নামৰ মানুহটো এলাপেচা লোক নহয়। যিটো মানুহে হৰতাল হৈ থকা শ্ৰীনগৰত এদিন দুদিন নহয় তিনিদিন গুলমাৰ্গ, সোণমাৰ্গ, পেহেলগামলৈ অহাযোৱাৰ ব্যৱস্থা কৰিব পাৰে সেই মানুহটোক নিশ্চয় সহায় কৰা লোক আমাৰ পুলিচ বিভাগতো থাকিব লাগিব। পুলিচৰ লোক হিচাপে মই অৱশ্যে গিদোৱানীৰ পিচ লবলৈ অসুবিধা হোৱা নাছিল। আপোনাৰ পত্ৰ পাই কাশ্মীৰৰ পুলিচ মোক সকলোপ্ৰকাৰৰ সহায়েই আগবঢ়াইছিল।

কিন্তু মই দুঃখিত যে—গিদোৱানীয়ে মোৰ চকুত ঢুলি মাৰি মাজতে এদিন লাডাখৰ পৰা উভতি আহিল—মই ধৰিবই নোৱাৰিলো। লাডাখৰ পৰা পিচদিনা উভতি অহাৰ পিচতহে মই গম পালো মোৰ অসমৰ্থতা।

সেইদিনা এটা ঘটনাও ঘটিল।

মই খিতাপি লোৱা হোটেলত অকস্মাৎ এটা ফোন পালো। কোনোবা অচিনাকী কণ্ঠ। মোক কোৱা হ'ল—কোনোবা মানুহটোৱে মোক এটা খবৰ দিব খোজে। খবৰটো লবলৈ মই তৎমুহূৰ্তে ডাল লেকত থকা কাঞ্চনজঙ্ঘা নামৰ হাউচ বট খনলৈ যাব লাগে।

বহু ভাবিচিন্তি বহুতটোনো কি সেই কথাটোকে উদ্ধাৰ কৰিবলৈ

মই যথাসময়ত কোনত উল্লেখ কৰা মতেই কাৰুনজন্মা নামৰ হাউচ বটখনত উপস্থিত হলো। কিন্তু বহু সময় অপেক্ষা কৰিও মই সেই হাউচ বটত কোনো খবৰ দিবলৈ অহা লোক লগ নাপালো। মোৰ সন্দেহ হ'ল মোক ভুৱাদি কোনোবাই মাতি আনিছে, কিজানিবা মোক হোটেলৰ পৰা আঁতৰাই গিদোৱানীক দৃষ্টিমুক্ত কৰিবৰ বাবেই এই ভুৱা ফোনটো কৰা হৈছিল। কথাটো মোৰ মনত উদয় হোৱাৰ লগে লগে মই কাল বিলম্ব নকৰি হোটেল অভিমুখে ঢাপলি মেলিলো।

হোটেল পাই মই বিচুৰ্তি খালো—মোৰ কাণি কাপোৰ লণ্ডভণ্ড। তাৰ মানে মোৰ ৰুমত কাৰোবাৰ অনুপ্ৰৱেশ ঘটিছিল। আৰু মোৰ ৰুমত সোমাবৰ বাবেই মোক ভুৱা ফোন কৰি তিনি চাৰি ঘণ্টাৰ বাবে হোটেলৰ ৰুমটোৰ পৰা আঁতৰাই ৰখা হৈছিল।

ইয়াৰ অৰ্থ এইটোৱেই হব—মোৰ পিচত কোনো লোক চাঁৰ দৰে লাগি ৰৈছে। যদিহে এই অদৃশ্য লোক সতীশ গিদোৱানীৰে লোক তেতিয়াহলেতো গিদোৱানীৰ পিছত লাগি মই সময় অপব্যয় কৰি একো লাভ নহব। মোৰ উপস্থিতি যদি গিদোৱানীয়ে জানিব পাৰিছে নিশ্চয় এইটোও জানিব মোৰ আগমনৰ উদ্দেশ্য কি। গতিকে মোৰ পৰা গিদোৱানী সাৱধান হবই।

সেইদিনা নিশাই ঘটিল আন এটা ঘটনা। দিনত মোৰ হোটেলৰ ৰুমত অনুপ্ৰৱেশৰ কথাটো মই বৰ সাৱধান হৈ আছিলো বাবেই নিশাৰ সেই ঘটনাৰ সাহসৰে সন্মুখীন হৈ কথমপি প্ৰাণৰক্ষা পৰিল।

নিশা তেতিয়া মই বিচনাতে পৰি মোৰ অভিযানটোৰ আগপিচ গুণাগথা কৰি আছিলো। এটা সময়ত সম্ভৱতঃ চিলমিলিয়া টোপনিত মই ঢলি পৰিছিলো।

আৰু ঠিক সেইখিনি সময়তে খুটকৈ হোৱা এটা শব্দত মই খক্মক্কৈ সাৰ পাই গলো। মোৰ মনটোৱে কিয় জানো বাৰে বাৰে সকীয়াইছিল নিশাৰ ভিতৰতে যেন কিবা এটা অঘটন ঘটিব পাৰে। সেয়ে চিলমিলিয়া টোপনিৰ পৰা সাৰ পাই মই খৰ ঠিৰ হৈ বহিলো।

অনুমান হ'ল—ৰুমৰ বাহিৰত যেন কোনো লোক আহি উপস্থিত হৈছে।

মই আগতে ভাবি থোৱাৰ দৰেই খৰখেদাকৈ বিচনাত গাৰু কেইটা মই শুই থকাৰ দৰে দিঘলীয়াকৈ দি তাৰ ওপৰত ব্লেংকেটৰ ঢাকন দি একেজাপেই মই বাথৰুমত সোমাই পৰিলো।

বাথৰুমৰ দুৱাৰখন সামান্য মেলা ৰাখি মই ৰুমটোৰ প্ৰবেশ পথৰ ওপৰত দৃষ্টি ৰাখিলো।

কেইটামান মুহূৰ্ত। তাৰপিচতে খুংকৈ এটা শব্দ কৰি দুৱাৰখন মেল খাই গল। ভিতৰত প্ৰৱেশ কৰিলে এটা ছাঁ মূৰ্তি।

মই বাথৰুমৰ দুৱাৰৰ ফাকেদি যিখিনি দৃষ্টিত পৰিল—মোৰ অনুমান হ'ল মানুহটোৰ হাতত এডাল দিঘলীয়া জোং।

মানুহটোৱে কালবিলম্ব নকৰি—মোৰ বিচনাত মোৰ ঠাইত সজাই ৰখা গাৰুতে জোংডাল ভৰাই দি নিমিষতে অন্তৰ্দ্ধান হৈছিল।

মোৰ বুকু ঢপঢপাইছিল। মনত কিবা সন্দেহ হোৱা বাবেই মই বিচনা এৰি সেই বুদ্ধি নকৰা হলে সেই জোং ডাল নিশ্চয় মোৰ বুকুতে সোমালহেঁতেন। মই ঘটনা প্ৰবাহ জুকিয়াই চালো—দিনত ভুৱা ফোন, তাৰ পিচত মোৰ ৰুমত কোনো লোকৰ অনুপ্ৰবেশ আৰু নিশা হত্যাৰ প্ৰচেষ্টা। এইবাৰ মই অধিক নিশ্চিত হলো যে যিদৰে মই সতীশ গিদোৱানীৰ পিচত লাগি ৰৈছো কোনো লোক নিশ্চয় তেনেদৰেই মোৰ পিচতো লাগি ৰৈছে। হয়তো গিদোৱানীৰ লোকেই মোক একেবাৰে আতৰাই পেলোৱাৰ বাবে চেষ্টা কৰিছিল।

মই সেই দুৰ্য্যোগৰ নিশাটো অন্তহোৱাৰ বাতিপুৱাই হোটেল বদলালো। এদিন আগৰপৰা হৰতাল কাৰফিউ উঠি যোৱাত শ্ৰীনগৰৰ স্বাভাৱিক অৱস্থা পুনৰ ঘূৰি আহিছিল। আৰু এইখিনি সুযোগতে মই তৰ্কিব নোৱাৰাকৈয়ে সতীশ গিদোৱানী লাডাখৰ পৰা ঘূৰি আহিলগৈ।

তাৰ পিচদিনা হঠাৎ মই গম পালো—সতীশ গিদোৱানীয়ে সেই দিনাৰ প্লেনত দিল্লীলৈ উৰুতি গল। তেওঁৰ সহযোগী কেইজন বাৰু

জম্মুটাৱীৰ পৰা ট্ৰেইনত।

মই শেষমুহূৰ্ত্তত জম্মুটাৱীৰ পৰা দিল্লী অভিমুখী হিমগিৰি এক্স-প্ৰেছত কথমপি উঠিবলৈ সমৰ্থ হৈছিলো। এই ক্ষেত্ৰত ৰেল কৰ্তৃপক্ষই মোক যথেষ্ট সহায় কৰিছিল। আনকি আসন আদিও গিদোৱানীৰ সহযোগী এজনৰ কাষতে এডজাষ্ট কৰি দিছিল।

ট্ৰেইনত গিদোৱানীৰ মানুহজনে নিজৰ পৰিচয় দিছিল—এজন মিলিটাৰীৰ লোক বুলি। নাম কৈছিল—উমেশ আনন্দ বুলি। মই মোৰ নিজৰ পৰিচয় দিছিলো এগৰাকী পাকিস্তানী বিষয়াৰ পৰিত্যক্তা স্ত্ৰীৰূপে। মোৰ সাজ-সজ্জা চাল চলনৰে আনন্দক ভাবিবলৈ বাধ্য কৰাইছিলো যে—প্ৰকৃততে মই অন্ধকাৰ জগতৰ লোকহে। মই ধাৰণা কৰি লৈছিলো—গিদোৱানীৰ সহযোগী আনন্দক মই জব্দ কৰিব পাৰিমেই। আৰু তেনে ধাৰণা মোৰ মনত উদয় হোৱাৰ পিচতে দিল্লী পাই মই আনন্দৰ এটাচীটো মোৰ এটাচীটোৰ লগত সলাই পেলাইছিলো। এটাচী সলোৱাৰ উদ্দেশ্য আছিল—এক পৰিকল্পিত জালতৰি আনন্দ আৰু তাৰ লগৰ আন কেইজনকো জালত পেলোৱা।

সকলো কাম সুকলমে আগবাঢ়িছিল। জম্মুটাৱীত ট্ৰেইনত উঠাৰ পিচৰে পৰা সতীশ গিদোৱানীৰ সহযোগী উমেশ আনন্দৰ সহযোগী যাত্ৰী হৈ মই মানুহটোক কথাৰে আবদ্ধ কৰি ৰাখিছিলো। আনকি মদখোৱাৰ অভিনয়, অসৎ ছোৱালীৰ অভিনয় আদিও ক্ৰমান্বয়ে মই তেওঁৰ সন্মুখত কৰি গৈছিলো। মোৰ এই অভিনয়ৰ উদ্দেশ্য যিদৰে আছিল মানুহটোৰ লগত হৃদ্যতা গঢ়ি তোলা ঠিক তেনেদৰেই আছিল মানুহটোৱে যাতে মোৰ দৃষ্টিৰ পৰা আতৰ হব নোৱাৰে সেইটো দিশতো সতৰ্ক দৃষ্টি ৰখা।

নিউ দিল্লী ষ্টেচন পাই মানুহৰ উদুলি মুদুলিত অলপতে মানুহটো অলপ সময়ৰ বাবে দৃষ্টিৰ আৰ হৈছিল, যদিও নিমিষতে মই তৎপৰতাৰে মানুহটোক বিচাৰি উলিয়াবলৈ সমৰ্থ হৈছিলো।

মানুহটোক নিবলৈ ষ্টেচনত এখন টেক্সি সাজু আছিল। মইও এখন টেক্সি লৈ সিহঁতৰ টেক্সিখনক অনুসৰণ কৰি ঠিকে ঠাকে আগবাঢ়িছিলো যদিও অকস্মাৎ এঠাইত ট্ৰেফিক জামৰ সুৰুঙাৰে আগৰ গাড়ীখন অন্তৰ্দ্ধান হৈ গৈছিল।

কিছু পলমকৈ যেতিয়া গাড়ীখন বিচাৰি পালো—তেতিয়া সকলো শেষ। দিল্লী গেটৰ কিছু আগত দৰিয়াগঞ্জৰ এটা আলি কেকুৰিত আমাৰ আগে আগে আহি থকা টেক্সিখন একটীয়াহৈ পৰি আছে। আৰু তাতে তেজত বুৰগৈ মই জম্মুটাৱাৰ পৰা সহযাত্ৰী হৈ অহা উমেশ আনন্দ নামধাৰী মানুহটোৰ মৃতদেহ উবুৰি খাই পৰি আছে। ড্ৰাইভিং চিটত ড্ৰাইভাৰৰ মৃতদেহ।

মই যথাৰ্থতে এনে এটা পৰিস্থিতিৰ বাবে সাজু নাছিলো। যিহেতু মোৰ উদ্দেশ্য আছিল উমেশ আনন্দ নামধাৰী মানুহটোৰ পিচলৈ তাৰ অৱস্থিতিৰ সন্ধান লোৱা। যিহেতু মানুহটো যদি আমি সন্দেহ কৰামতেই সতীশ গিদোৱানীৰ লোক হয়—তেতিয়া হলে এই মানুহটোৰ গতিগোত্ৰই অৰ্থাৎ মানুহটোৱে ক'ত বল, কোন ঠাইত নামিল, কাক লগ ধৰিলে সেই কথাখিনিৰ ওপৰত দৃষ্টি ৰখা হলেও আমাৰ অনুসন্ধানৰ সূত্ৰ এটা হয়তো পোৱাৰ সম্ভাৱনা আছিল।

কিন্তু মানুহটোৱেই যেতিয়া কাবোবাৰ চোকাৰ হ'ল—আমাৰ মানুহটোৰ পৰা আশা কৰা অনুসন্ধানৰ পথ সিমানতে নাইকীয়া হ'ল।

গতিকে স্বাভাৱিকতেই মই উমেশ আনন্দ নামধাৰী মানুহটোৰ এই আকস্মিক মৃত্যুত বিমৰ্ষ হলো। বিমৰ্ষ হলো এই ভাবিয়েই যে—ইমান পৰিশ্ৰম কৰি শ্ৰীনগৰ, গুলমাৰ্গ, পেহেলগাম আদিতো গিদোৱানীৰ পিচ নেৰি যি এটা আলোকৰ সন্ধান দেখিছিলো সেইটোও কোনো কামত নহাকৈয়ে মৰিমূৰ হৈ গল।

মই তথাপিও আশা এৰি দিয়া নাছিলো।

গাড়ীত আনন্দৰ মৃতদেহৰ কামত মই সন্ধানি কৰা এটাচীকেচ তেনেদৰেই পৰি আছিল। মই এটাচীকেচ তেনেদৰেই পৰি থাকিবলৈ

সি—দৰিয়াগঞ্জৰে এখন হোটেলত উঠিলো।

মই এটাচীতো তাত তেনেদৰেই পৰি থাকিবলৈ দিলো এই ভাবিয়েই যে—এটাচীত মোৰ এখন সৰু ডায়েৰী আছিল—যিখন ডায়েৰীত সেই হোটেলখনৰ ঠিকনাও আছিল।

হোটেলৰ ঠিকনাতো তেনেদৰেই কৌশলৰে মই আনন্দক দিব খুজিছিলো। এতিয়া আনন্দৰ হত্যাকাৰীয়ে নিশ্চয় এই ঠিকনা পাই মই থিতাপি লোৱা হোটেলখনত মোৰ শুংসূত্ৰ লগলৈ গৈ নিজ জালত ভৰি দিব।

হোটেলত থিতাপি লৈয়েই মই পুলিচ হেডকোৱাৰ্টাৰত দৰিয়াগঞ্জত হোৱা হত্যা আৰু মোৰ পুলিচৰ সাহায্যৰ আৱশ্যকতাৰ কথা জনাইছিলো।

মই ভৱাতকৈও আগতেই হোটেলত এটা মানুহৰ আবিৰ্ভাৱ ঘটিছিল। মানুহটোৱে নিজৰ নাম কৈছিল গোমৰাজ বুলি। কিন্তু মানুহটোৰ উপস্থিতিয়ে মোক উচপ খুৱাইহে দিছিল। উচপ খাবলগা হৈছিল—এইবাবেই যে—প্ৰথম কথা মানুহটোৱে স্পষ্টভাৱে কৈছিল সি মোক পুলিচৰ লোক বুলি জানে। আৰু জানে যে—আনন্দ নামৰ মানুহটোৰ এটাচীটো যে মই সলনি কৰি আনিছো সেই কথাও। মই নজনা কথা এটা সিয়েই প্ৰথমতে কৈছিল যে—আনন্দৰ এটাচীৰ কোনো ঠাইত এটা মাইক্ৰফিল্ম লুকুৱাই থোৱা আছে, যিটোৰ সন্ধানতে সি আনন্দ আৰু ড্ৰাইভাৰক হত্যা কৰিও কামত নহাত, মোৰ হোটেল পাইছেহি।

মই মানুহটোৰ চালচলনতে বুজি পালো যে—মানুহটো এলাপেচা লোক নহয়।

কথাবতৰাত মানুহটো যেন নিৰীহ লোকহে—অথচ সেই মানুহটোৱেই যেতিয়া দুটাকৈ মানুহ হত্যা কৰি অহাৰ কথা কৈ মাইক্ৰফিল্ম বিচাৰি মোক হুমকি দিলে—তেতিয়া মই বুজিলো—আমাৰ পৰিকল্পিত আচনি সম্পূৰ্ণৰূপে আমাৰ নিয়ন্ত্ৰণৰ বাহিৰ হোৱাৰ উপক্ৰম কৰিছে।

মানুহটোৱে হুমকি দিছিল—গোটেই হোটেলখন টাইম বম্ব দি উৰাই দিয়াৰ কথা কৈ।

সচাকৈয়ে মানুহটোৰ হাতত এটা টাইম বম্বৰ ঘড়ীৰ কাটা টিক্ টিক্ শব্দ কৰি আগবাঢ়িছিল। মই যদিও নিশ্চিত নাছিলো যে সেইটো প্ৰকৃততে টাইম বম্ব নে মোক ভয় খুৱাবৰ বাবে টাইম বম্বৰ খালি খোলাটোহে—তথাপিও এনে লোকে যিকোনো কামেই কৰিব পাৰে বুলি মই অধিক বাক্য ব্যয় নকৰি গোমৰাজৰ হাতত মাইক্ৰমিনি ফিল্মটো তুলি দিছিলো।

গোমৰাজেও মাইক্ৰমিনি ফিল্মটো হাতত লৈ চকুৰ পচাৰতে হোটেলৰ পৰা আতৰি পৰিছিল।

গোমৰাজৰ পিচে পিচে মইও হোটেলৰ বাহিৰ ওলাইছিলো যদিও—কিছু সময়ৰ পিচতো টাইম বম্বটো ফুটাতহে নিশ্চিত হব পাৰিলো যে—মানুহটোৱে পুতলা টাইম বম্বে সচা টাইম বম্বৰ ভাবুকি দি মোৰ পৰা মাইক্ৰমিনি ফিল্মটো সৰকোৱাবহে ফন্দি আতিছিল।

শোভনাই একে লেঠাৰীয়ে কোৱা কথাখিনি মনোযোগৰে ইমান সময় শুনি থাকি পুলিচ কমিচনাৰ জগমোহনে মাজতে মন্তব্য প্ৰকাশ কৰি কলে—মিচ বেদী, ইমান দিনে তুমি যিকেইটা জটিল কেচৰ সমাধান উলিয়াই গোটেই বিভাগটোৰে আস্থাভাজন হব পাৰিছিলা সতীশ গিদোৱানীৰ এই কেচটোৱে সেই আস্থা অনাস্থাত পৰিণত কৰিলে।

আপুনি চাৰ কি কব বিচাৰিছে?

কি কব বিচাৰিছো সেই কথা তুমি জানা। গোমৰাজ নামৰ মানুহটো যিটো মানুহে দুটাকৈ খুন কৰি মাইক্ৰমিনি ফিল্ম বিচাৰি তোমাৰ ওচৰত হাজিৰ হ'ল—তুমি তাৰ হাতত তুলি দিলা মাইক্ৰমিনি ফিল্মৰ নামত এটা ট্ৰেলমিটাৰ। গোমৰাজেও সেই মাইক্ৰমিনি ফিল্ম বুলি ট্ৰেলমিটাৰটোকে আলফুলে লৈ হোজামানুহৰ দৰে গতি কৰিলে যাতে ট্ৰেলমিটাৰৰ সহায়ত গোমৰাজ আৰু তাৰ সহযোগীসকলক

তোমাৰ হাতত জন্ম হয়। তুমি জানো সেই কথাটোকে চিন্তা কৰিয়েই গোমৰাজৰ হাতত টেলমিটাৰটো তুলি দি তাক যাবলৈ পথ মোকলাই দিয়া নাছিলা?

মই ভাবিছিলো চাৰ

তুমি কি ভাবিছিলা সেই কথা মোক কোৱাৰ প্ৰয়োজন নাই—তুমি কি ভাবিছিলা তাৰ কি ফল হ'ল সেইকথা এতিয়া আৰু মোৰ জানিবলৈ বাকী নাই। তুমি স্বীকাৰ নকৰিলেও মই জানো তুমি কিয় গোমৰাজক সেই মুহূৰ্তত জন্ম নকৰি যাবলৈ পথ মোকলাই দিছিলা?

আপুনি চাৰ কি কব খুজিছে—মই একোকে বুজা নাই?

বুজিবা কেনেকৈ? বুজাৰ পথ জানো ৰাখিছা? তুমি এতিয়াও কবখোজানেকি যে—গোমৰাজ নামৰ মানুহটো ইমানেই মূৰ্খ যে—সি টেলমিটাৰটোকে মাইক্ৰফিনি কিম্বা বুলি ভাবি লৈ গুছি গল? শুনা আমি জানো—যিদৰে গোমৰাজ সিমানখিনি মূৰ্খ নহয় তেনেদৰেই তুমি সেই কথা বিশ্বাস কৰি বহি থাকিব পৰা বুদ্ধিহীন নহয়।

তেনেহলে কি?

কব পাৰা এইয়া তোমালোকৰ এক নতুন ফন্দী।

নতুন ফন্দী! তাৰ মানে আপুনি চাৰ মোৰ কিবা কথাত সন্দেহ কৰিছেনেকি?

তাতকৈ তুমি নিজেই কোৱা শোভনা তুমি সন্দেহ কৰিব লগা কিবা কাৰ্য্য কৰিছানেকি?

সন্দেহ কৰিব লগা কাৰ্য্য? মই যি নিষ্ঠাৰে, যি সততাৰে নিজৰ দায়িত্ব পালন কৰি গৈছো—মোৰ সেই আশাশুধীয়া সেৱাৰ পিচতো মোৰ কৰ্তব্যক আপোনালোকে সন্দেহ কৰিছে?

তোমাক সন্দেহ কৰিব লগা পৰিস্থিতি উদ্ভৱ হোৱাটো আমাৰেই দুৰ্ভাগ্য শোভনা। তোমাৰ কৰ্তব্য পৰায়ণতাত যিটো বিভাগে

এসময়ত গৌৰৱ কৰিছিল আদৰ্শ কৰ্মী বুলি স্বীকৃতি দিছিল সেই গৰাকী মানুহক সন্দেহৰ দৃষ্টিৰে চাবলৈ লোৱা কথাটো আমাৰ বাবেই দুৰ্ভাগ্য বুলি নকৈ কি কম।

পুলিচৰ কমিচনাৰৰ এই আকস্মিক সুৰ পৰিবৰ্তনত শোভনা প্ৰথমতে হতভম্ব হ'ল, তাৰ পিচত তাইক শোকে খুণ্ডা মাৰি ধৰি'ল। তথাপিও তাই চলচলীয়া চকুৰেই যিমান পাৰি পুলিচ অফিচাৰৰ গাম্ভীৰ্য্যতা বজাই ৰাখিযেই কলে—আপোনালোকে হয়তো অমিতৰ কথালৈয়েই মোক সন্দেহৰ দৃষ্টিৰে চাবলৈ লৈছে। যিহেতু অমিত এসময়ত আইনৰ দৃষ্টিত অপৰাধী আছিল। অমিত আছিল এটা চোৰৰ দলৰ গেং লীডাৰ। কিন্তু সেই বুলিয়েই এটা মানুহ শুদ্ধ মানুহ, শুদ্ধ পথলৈ উভতি যে আহিব নোবাৰিব তাৰটো কোনো মানে নাই। যিটো মানুহে মোক অৰ্থাৎ এজন কৰ্তব্যৰতা পুলিচ বিষয়াক ৰাকাৰ দলৰ কবলৰ পৰা বচাবলৈ জীৱন মৰণ যুজ দিব পাৰে—সেই মানুহটোৰ প্ৰতি মইতো কিছু কৃতজ্ঞ হবই লাগিব। তদুপৰি মই যেতিয়া জানিলো অমিত ভদ্ৰ ঘৰৰ ভদ্ৰ সন্তান, অৱস্থাত পৰিহে অপৰাধজগতত ভৰি দিছিল তেতিয়া অমিতৰ প্ৰতি মোৰ অধিক সহানুভূতি হ'ল।

সেই সহানুভূতিৰ পৰাই ভালপোৱা নহয় জানো ?

হয় চাৰ মই অমিতক ভাল পাও। আমাৰ দুয়োৰে ভালপোৱা ইতিমধ্যে অধিক গভীৰ হৈ পৰিছে। মই ভাবো পুলিচৰ চাকৰী কৰিছো বুলিয়েই কাৰোবাক, মনে বিচৰাজনক ভাল পাব নোৱাৰিম —তেনে কথা মই মানি নলও।

অমিতক ভালপোৱাত আমাৰো আপত্তি নাছিল—মিচ বেদী। কিন্তু আপত্তি এই খিনিতেই যে—তুমি হলা পুলিচ অফিচাৰ আৰু অমিত হ'ল এটা ক্ৰিমিনেল।

ক্ৰিমিনেল ? নাই অমিত ক্ৰিমিনেল নহয়। অমিতে যদি আইনৰ দৃষ্টিত অপৰাধমূলক কিবা কাম কৰিছিল সেইয়া মোক ভালপোৱাৰ আগতেহে কৰিছিল। মোক ভালপোৱাৰ পিছত, আমাৰ

দুয়োৰো হৃদয় বিনিময় হোৱাৰ পিছত অমিত সম্পূৰ্ণ ৰূপে শুদ্ধ পথত চলা লোক। অমিতে গান গাই আৰু তাৰ আৰ্জনবেই খাই। এইকথা আপোনাক গেৰেন্টি দি কব পাৰো। আনকি এই কথাও মই গেৰেন্টি দি কব পাৰো যে অমিতটো কথাই নাই অমিতৰ যি সকল অপৰাধ-জগতৰ সহযোগী আছিল সেই সকলো আমাৰ দুয়োৰে প্ৰচেষ্টাত অপৰাধজগতৰ পৰা আতৰি আহিছে।

শুনা মিচ বেদী, আমিও পুলিচৰ লোক, কব পাৰা তোমাতকৈ অভিজ্ঞ। আমাৰ হাতত নিৰ্দিষ্ট কোনো প্ৰমাণ নপৰাকৈ কব খোজানেকি তোমাৰ বিৰুদ্ধে অভিযোগ আনিছো। তুমি কব পাৰিবানে এই মুহূৰ্তত অমিত ক'ত আছে? শুনা মই কও—অমিতৰ এতিয়া পাৰা আনন্দ পৰ্বতৰ এগৰাকী নাচনীৰ ঘৰত, য'ত অমিতে সুৰা আৰু সুন্দৰী লৈ মচগুল হৈ আছে। মচগুল হৈ আছে বাধা নাচনেৱালীৰ ৰূপসুধা পান কৰি।

অসম্ভৱ। একেবাৰে অসম্ভৱ। এই কথা মই কেতিয়াও বিশ্বাস নকৰো।

বিশ্বাস কৰিব নালাগে। তুমি নিজ চকুৰেই চাই আহাগৈ।

আৰু এটা কথাত নিশ্চিত হৈ আহিবা যে এই নাচনেৱালী বাধা, যাৰ চৰণত এই মুহূৰ্তত অমিত উবুৰি খাই পৰি আছে, সেই বাধা প্ৰকৃততে কাৰ ৰক্ষিতা, সতীশ গিদোৱানীৰ ৰক্ষিতা হয়নে নহয়? যি গোমৰাজক টেলিফিটাৰ দি পঠিয়াইছিলা সেই গোমৰাজ অমিতৰ সঙ্গী হয়নে নহয়। গোমৰাজ আৰু অমিতক যদি তুমি একেলগে চাবখোজা জেনেহলে তুমি পোহনিশা, অমিতৰ নৈশ ক্লাবত সঙ্গীত আসৰৰ পিছত এবাৰ ভুমুকি মাৰি আহিবা। তাৰপিছত তুমি নিজেই কবা অমিত আৰু গোমৰাজৰ মাজত সম্বন্ধ কি?

চাৰ, আপোনাৰ কথাবোৰ মোৰ কিবা অদ্ভুত অদ্ভুত লাগিছে। অমিত সম্পৰ্কে আপুনি যি অভিযোগ আনিছে—সেইয়া মোৰ বাবে সাগৰ হৈ দেখা দিছে। অমিত আৰু ৰাধ, নাচনেৱালী। অমিত

আৰু গোমৰাজ—সচাকৈয়ে মোৰ বাবে সাথৰ।

আমাৰ বাবেও সাথৰ শোভনা। আমিও ভাবি অন্ত পোৱা নাই, তোমাৰ দৰে পুলিচ বিষয়া এগৰাকীয়ে কিয় তোমাৰ কৰ্তব্যৰ বিপৰীতে কাম কৰিবলৈ আৰম্ভ কৰিলা। কিয় অমিতৰ দৰে ক্ৰিমিনেল এটাৰ লগলাগি সতীশ গিদোৱানীৰ দৰে স্কাউণ্ড্ৰেল এটাৰ সাহায্যত উঠিপৰি লাগিলা?

ৰ'ব চাৰ, বহুত হ'ল। আপুনি মোৰ বিৰুদ্ধে যি জঘন্য অভিযোগ আনিছে তাৰ প্ৰমাণ আপুনি মোক দিব লাগিব। নহলে মই কাকো শুদাই নেৰিম।

উত্তেজিত শোভনাই থৰ থৰকৈ কপিবলৈ ধৰিলে। কথা কওঁতে তাইৰ থোকাথোকি হৈছে। শোকে যেন তাইক খুণ্ডা মাৰি ধৰিছে।

পুলিচ কমিচনাৰেও উত্তেজিত স্বৰেই কলে—শুনা মিচ বেদী, তুমি কাৰ সন্মুখত কথা কৈছা পাহৰি গৈছা। এই মুহূৰ্তত মই তোমাৰ বিৰুদ্ধে কঠোৰ শাস্তিৰ ব্যৱস্থা কৰিব পাৰো। তোমাৰ বিৰুদ্ধে তেনে বহুতো প্ৰমাণ আমাৰ আছে। তোমাৰ বিৰুদ্ধে যে মই এতিয়াও কোনো ব্যৱস্থা লোৱা নাই—সেইয়া তোমাৰ ভাগ্য। কৰ পাৰা এসময়ৰ তোমাৰ বিশ্বস্ততাৰ স্বীকৃতি স্বৰূপেই এতিয়াও তোমাক মই অনুগ্ৰহ দেখুৱাই আছো। নহলে তুমি যি অপৰাধ কৰিছা তাৰ শাস্তি —যথেষ্ট কঠোৰ।

শোভনাই ধৈৰ্য্যৰ বান্ধোন খুলি আধা ক্ৰোধ, আধা উত্তেজনাৰে চিঞৰি চিঞৰি কলে—আপুনি আৰু অনুগ্ৰহ দেখুওৱাৰ প্ৰয়োজন নাই চাৰ। যাৰ ইমান নিষ্ঠাৰে কৰা সেৱাৰ স্বীকৃতি এনেকুৱা, তেনে চাকৰী কৰাৰ প্ৰয়োজন আৰু মোৰ নাই। মই এই মুহূৰ্ততে চাকৰী বিজাইন দিম।

ওহো—ইমান সহজ নহয় শোভনা। চাকৰী এৰিলেও তুমি আমাৰ নজৰবন্দী হৈয়েই থাকিব লাগিব। কাৰণ তুমি এতিয়া আমাৰ দৃষ্টিত অপৰাধী। তদুপৰি সৎ অফিচাৰৰ অভিনয় তুমি বহুত কৰিলা।

তোমাৰ অভিনয়ৰো আৰু কোনো মূল্য নাই তোমাৰ বিৰুদ্ধে আমাৰ হাতত যিখিনি প্ৰমাণ মজুত আছে, সেই প্ৰমাণ থকাৰ পিচতো তুমি যদি ভাবি আছা—তোমাৰ কোনো কথাই আমি নাজানো—তেতিয়াহলে ভুল ভাবিছা। শুনা মিচ্‌ বেদী—ছলনে ছল কঢ়া নীতি আমি বিশ্বাস কৰো, গতি'ক তুমিয়েই সতীশ গিদোৱানীক হাতে-লোটে জব্দ কৰি আমাৰ হাতত অৰ্পণ কৰিব লাগিব। তুমি হাতে লোটে জব্দ কৰি আমাৰ হাতত গটাব লাগিব অমিতক—তাৰ পিচতহে তোমাৰ মুক্তি।

সাত

আনন্দ পৰ্বতৰ এই এলেকাতো সুৰাপায়ী আৰু নাৰী সঙ্গ বিচাৰি ফুৰা সকলৰ বাবে ভূস্বৰ্গ, নিশা যিমানেই গভীৰ হয়—এই এলেকাটোৰ বৃহৎ বৃহৎ অট্টালিকাৰ চৌদিশে জুনুকাৰ শব্দ আৰু গীতৰ ধ্বনি ভাহি আহে। নিশাচৰী, সুৰাপায়ী আৰু নাৰীসঙ্গ বিচাৰি ফুৰা সকলে এই মজলিচত ভাগ লবৰ বাবে সন্ধিয়াৰে পৰা এই এলেকাত শাৰী পাতে।

ৰাধা নাচ নেৱালীৰ নাম এই এলেকাত সকলোৰে মুখে মুখে। ৰাধাৰ মজলিচত যি সকল উপস্থিত থাকে সেই সকল লোক সমাজৰ গণ্যমান্য পইচা থকা লোক, যথেষ্ট পইচা হাতত নাথাকিলে ৰাধাৰ নাচ চাবলৈ আশা কৰা মিছা।

ৰাধাৰ যিদৰে অঙ্গে অঙ্গে শোভা, তেনেদৰেই একোটা হাঁহিত যেন বিজুলীহে চমকে। ৰাধাৰ কণ্ঠৰ সুৰদী গীত, যৌৱন ভৰা দেহৰ লয়লাস গ্ৰাহকৰ সবাতোকৈ আকৰ্ষণীয়। সেয়ে বহুতে, বহু ধন ভাঙিও ৰাধাৰ নৃত্য উপভোগ কৰিবলৈ আহে, ৰাধাৰ গীত শুনিবলৈ আহে। কোচ ভৰাই তুলিব পৰাকৈ টকাৰ বৰষুণ কৰে, ৰাধাৰ সামান্য মিঠা পৰশৰ বাবে অধীৰ আগ্ৰহৰে বাট চাই।

কিন্তু সিমানেই। তাতকৈ অলপো বেচি নহয়।

ৰাধাৰ অধিক ওচৰ চপাৰ কাৰোবাৰ মন থাকিলেও কিন্তু ওচৰ চাপিব নোৱাৰে। কিয়নো ৰাধা হ'ল এজন লোকৰ ৰক্ষিতা।

সেই দিনা নিশা আগবঢ়াৰ লগে লগে ৰাধাৰ কোঠাত উপস্থিত হ'ল সচৰাচৰ দৰেই বহুতো লোক।

অলপ পিচতে মনমোহিনী ৰাধাই নিজৰ সৌন্দৰ্য্যৰ পোহাৰ বিলাই উপস্থিত সকলোৰে হৃদয় শান্ত পেলাই দিলে।

ৰাধাৰ কণ্ঠ, ৰাধাৰ নৃত্যত সকলো যেন বিয়াকুল হৈ পৰিল। আৰু সেই মুহূৰ্ত্ততে সম্পূৰ্ণ পুৰুষৰ সাজত ৰাধাৰ মজলিচত উপস্থিত

হ'ল—শোভনা।

এই মুহূৰ্ত্তত কাৰো ধৰিবৰ সাধ্য নাই যে—শোভনা পুৰুষ নহয় নাৰী। ছদ্মবেশ ইমানেই নিখুত আছিল যে—শোভনাই নিজৰ মুখ নিজে আয়নাত দেখি যেন বিশ্বাস কৰিব পৰা নাই সেইয়া তাই হয়নে নহয়।

ইফালে ৰাধাৰ নৃত্য পূৰ্ণগতিত চলিছে। আৰু পুৰুষৰূপী শোভনাই উপস্থিত সকলোৰে ওপৰত তীক্ষ্ণ দৃষ্টি বুলাই গমি চাবলৈ চেষ্টা কৰিছে—অমিত ক'ত। নিৰ্দ্দিষ্ট সময়ত উপস্থিত হলেতো অমিত ইতিমধ্যে আহি পাবৰ হৈছিল। কিন্তু ক'তা—ইমান সময়েতো অমিতৰ উমঘামেই নাই।

যিমানেই সময় অতিক্ৰম হ'ল—সিমানেই শোভনাৰ উপপিচনি বাঢি আহিল।

আৰু এটা সময়ত ৰাধাৰ নৃত্য শেষ হ'ল। মজলিচৰো সামৰণি পৰিল। উপস্থিত সকলো দিহাদিহি গল। কিন্তু শোভনা ঠাইতে ৰহি ৰ'ল।

তাই এতিয়াও বিশ্বাস কৰে—পুলিচ কমিচনাৰে অমিতৰ বিৰুদ্ধে যি অভিযোগ আনিছে সেইয়া সকলো মিছা। সেয়ে ৰাধাৰ মজলিচত অমিতক নেদেখি শোভনা আশাবাদী হ'ল। তাইৰ ভৰা কথাটোৰেই যেন সঁচা হৈ দেখা দিয়ে সেই আশাৰেই তাই অধীৰ অপেক্ষাৰে এতিয়াও বাট চাইছে।

ৰাধাৰ নাচ উপভোগ কৰা সকলো কেইজন ইতিমধ্যে দিহাদিহি গল।

অকলশৰে ডেকাৰূপী শোভনাক তাতে বহি থকা দেখি ৰাধাৰ অভিভাবিকা সুন্দৰী বাঈ আগবাঢ়ি আহি কলে—কি হ'ল চাহাব, আপুনি চোন বহি ৰ'ল।

মই ৰাধাক লগ পাব খোজো। শোভনাই যিমানে পাৰি মাতটো পুৰুষ সুলভ কৰিবলৈ চেষ্টা কৰি বাঈ গৰাকীয়ে তাইক কিয় একাষে

[illegible] /.৭৩

ই. এ—৫

সন্দেহ কৰিছে নেকি গম্ভি চালে।

কিন্তু শোভনাৰ নাৰীসুলভ মাভত বাঈ গৰাকীয়ে কোনো সন্দেহৰ ভাৱ প্ৰকাশ নকৰাকৈয়ে কলে—মজলিচৰ পিচত ৰাধাক লগপাবৰ কোনো উপায় নাই। ৰাধাই কোনো লোককেই আৰু দেখা নকৰে।

কিন্তু ৰাধাক লগপোৱাতো মোৰ অতি জৰুৰী।

নাই মই নিৰুপায়।

ৰাধাক লগনোপোৱাকৈ যে মই কোনোপধ্যেই যাব নোৱাৰিম।

কি কৰিম কওক। মই হুকুম পালনকৰা এগৰাকী বান্দীহে। নামত মই ৰাধাৰ অভিভাবিকা, কিন্তু কামত মালিকৰ আজ্ঞাবাহী ভৃত্যা।

মালিকৰ? তোমালোকৰ মালিক কোন?

সেইকথা আৰু নুসুধিব। কেৱল এইটোৱেই জানি থওক—ৰাধা যিজন লোকৰ ৰক্ষিতা, সেইজন লোকৰে মই আজ্ঞাবাহী ভৃত্যা।

কিন্তু ৰাধাই যদি এজন লোকৰ বাবেহে সুৰক্ষণ হৈ আছে, তেনেহলে এই মজলিচ, গান বাজনা, দহজন গুণগ্ৰাহীৰ আগমন—এই বোৰ কি? এইবোৰৰ প্ৰয়োজন কি? ৰাধাই তেওঁৰ মালিকৰ সন্মুখতে দেখোন নাচগান কৰিলেই হ'ল।

হয়তো মালিকে এটা আবৰণ বিচাৰে। হয়তো তেওঁ পোনপটীয়াকৈ কাকো জনাব নোখোজে যে—ৰাধা তেওঁৰেই ৰক্ষিতা। যদিও সকলোৱেই জানে ৰাধা কাৰ ৰক্ষিতা। এইবোৰ হ'ল ডাঙৰ মানুহৰ কথা। আমাৰ দৰে বান্দীৰ এনেবোৰ কথাত মূৰ ঘমায় নিজৰ বিপদ নিজেই চপাই লোৱাৰ কোনো প্ৰয়োজন নাই।

কিন্তু সুন্দৰী বাঈ—তোমালোকৰ মালিকে ৰাধাক সাক্ষাৎ কৰিবলৈ কোন সময়ত আহে?

মালিক ইয়ালৈ নাহে। ৰাধাহে মালিকৰ ওচৰলৈ যায়। অৱশ্যে ক'ত, কেনেকৈ, কোন সময়ত যায় সেইকথা মোক নুসুধি পিছে একো

লাভ নাই।

বাক সুন্দৰী বাঈ—তুমি এই পঞ্চাশ টকা ৰাখি থোৱা। এতিয়া শুনা মোৰ কথা—তুমি ৰাক অমিত নামৰ কোনো এজন লোক এই কোঠালৈ অহাৰ কথা জানানেকি?

সুন্দৰী বাঈৰ পঞ্চাশ টকীয়া নোটখন দেখি চকু জলমলাই উঠিল। তাই একেথাপে নোটখন লৈ ব্লাউজৰ ভিতৰত ভৰালে। তাৰ পিচত এমোকোৰা হাঁহি মাৰি কলে—দুই এজন মানুহ চুপি চুপি আমাৰ মালিকৰ অগোচৰে অৱশ্যে ৰাধাৰাণীক লগ পাবলৈ আহে। কিন্তু এই অহাযোৱা গোপন পথেৰে, কাৰো দৃষ্টিত পৰাকৈ নহয়। তেওঁলোকৰ নাম পিচে মই নাজানো। আপুনি আমাৰ ৰাধাৰাণীকে লগধৰি কথাটো সুধিব পাৰে।

শোভনাই বুজিলে—পঞ্চাশটকীয়া নোটখনে কামত দিছে। অলপ আগতে ৰাধাক সাক্ষাৎ কৰা কোনোপধ্যেই সম্ভৱ নহয় বুলি কোৱা মানুহগৰাকীয়ে দেখোন এতিয়া ৰাধাক সাক্ষাৎ কৰাৰ কথা কৈছে।

পুৰুষৰূপী শোভনাই কাল বিলম্ব নকৰি ৰহাৰ পৰা উঠিল আৰু খৰখেদাকৈ ৰাধাৰ কমত প্ৰৱেশ কৰিলে।

ৰাধাই কাপোৰ সলাই আছিল।

অকস্মাৎ এজন অচিনাকী পুৰুষৰ আগমনত চিঞৰি উঠিল—সুন্দৰী, সুন্দৰী—মোৰ অনুমতি নোহোৱাকৈ কোনে মানুহ আহিবলৈ দিলে।

শোভনাই কলে—সুন্দৰীৰ দোষ নাই, মইহে জোৰকৈ ইয়াত প্ৰৱেশ কৰিছো।

কিন্তু কাৰ অনুমতি লৈ? আপনাৰটো সাহস কম নহয়। আপুনি এতিয়াই বাহিৰ হৈ যাওক।

নাই, নাই ৰাধাৰাণী—মই কিবা বেলেগ উদ্দেশ্যলৈ ইয়ালৈ অহা নাই। মই আহিছো—এজন মানুহৰ সন্ধানত। শুনিছো, তুমি

মানুহজনৰ খবৰ জানা। সেই বুলিহে জোৰকৈ তোমাক লগপাই যাম বুলি আহিছো।

হয়াত কোনো খবৰ বিক্ৰী নহয় ডাঙৰীয়া। ৰাধাই খঙৰে কলে।

খবৰ কিনিবলৈ মই অহা নাই। খবৰ লবলৈহে আহিছো।

কলো নহয়—কোনো কথাই মোৰ লগত নহয।

উপায় নাই ৰাধা, তুমি নকও বুলিলেও জোৰকৈ মই কথাটো জানিহে যাম। অমিতৰ কথা তুমি মোক কবই লাগিব।

অমিত?

অ' অমিত অমিতৰ কথাই তোমাৰ মুখৰ পৰা মই জানিব খোজো।

মই কোনো অমিতক চিনি নাপাও।

চিনি নোপোৱা?

নাপাও।

চোৱা ৰাধা তোমাৰ কথাৰ ওপৰতে এজনৰ জীৱন মৰণ নিৰ্ভৰ কৰিছে।

মোৰ কথাৰ ওপৰত?

অ' ৰাধা, তোমাৰ ওপৰত।

কিন্তু প্ৰথমতে কওক—আপুনি কোন?

মই অমিতৰ বন্ধু।

অমিতৰ বন্ধু হৈ অমিতৰ খবৰ মোৰ পৰা জানিবলৈ আহিছে যে?

মই জানিবলৈ আহিছো—অমিতৰ লগত তোমাৰ সম্পৰ্ক কি সেই কথাহে।

অ' সেই কথা। তেনেহলে শুনক—প্ৰথম কথা অমিত নামৰ কোনো মানুহক মই নাজানো। দ্বিতীয় কথা হ'ল—এগৰাকী নৰ্তকীৰ কোঠাত আপুনি জনা কোনোবা অমিত যদি আহেও তেওঁৰ নাম জানিবৰ মোৰ কোনো প্ৰয়োজন নাই, ধনৰ বিনিময়ত তেওঁলোকে মোৰ নাচগান উপভোগ কৰে। নাচ শেষ হয়, আৰু তেওঁলোকেও

বিদায় লৈ যায়গৈ। গতিকে গ্ৰাহকৰ লগত মোৰ সম্পৰ্ক যে কেৱল ধনৰ সেই কথা নিশ্চয় ব্যাখ্যা কৰি কব নালাগে।

বেয়া নাপাবা বাধা—মই এটা কথা শুনিহে ইয়ালৈ আহিছো আৰু মই শুনা কথাটোৰ সত্যাসত্য কিমানখিনি নিৰ্ভৰশীল জানিবলৈ আহিছো।

আৰু সেইকথা জানিবৰ বাবেই নিশ্চয় পুৰুষৰ সাজত ইয়াত প্ৰবেশ কৰিব লগা হ'ল—নহয়নে পুলিচ অফিচাৰ।

আকস্মিক ভাবে পিচফালৰ অহা পুৰুষ কণ্ঠত থৎমৎ খাই পুৰুষৰূপী শোভনাই উভতি চাই দেখে—দুৱাৰ মুখত এজন অচিনাকী পুৰুষ। ঠিক অচিনাকী নহয়—ক'ৰবাত যেন এই মানুহটোক তাই লগ পাইছে। মাতটোও যেন তাইৰ চিনাকী।

মানুহটোৰ আগমনত শোভনাই যেনেকৈ থৎমৎ খাইছে, তেনেদৰেই বাধাও অপ্ৰস্তুত হৈ পৰিছে।

শোভনাই থৎমৎ খাইছে কোনো বেয়া পৰিস্থিতিৰ সন্মুখীন হবলগা হয় বুলি আৰু বাধা অপ্ৰস্তুত হৈছে পুৰুষৰূপী শোভনাৰ উপস্থিতিত সেই মানুহটোৰ আগমনত।

তাতেই মানুহটোৱে দেখোন কৈছে—পুৰুষৰূপী পুলিচ অফিচাৰ বুলি? তাৰ অৰ্থ কি—বাধাৰ দৃষ্টিত প্ৰশ্নবোধক চিন্।

মানুহটোৱে বাধাক অধিক ৰহস্যৰ মাজত থাকিবলৈ নিদি পোন পটীয়াকৈয়ে কলে—এওঁ হ'ল পুৰুষৰ ছদ্মবেশত পুলিচ ইন্সপেক্টৰ শোভনা। পুলিচৰ আগমন যে ভালৰ বাবে নহয়—সেইকথা তুমি জানা বাধা। তাতেই আহিছে ছদ্মবেশত। পুৰুষ সাজি।

মাদামে বোধহয় মোক চিনি পোৱা নাই? ক'ত চিনি পাব—সৰু সৰু মানুহ। এই দেখিলে এই পাহৰিলে। ধৰি লওক আপোনাৰ দৰেই মইও অমিতৰ বন্ধু।

ইয়ালৈ আপুনি কিবা এটা জানিবলৈ আহিছিল নহয়? অ' কি আহিল? মনত পৰিছে—বাধাৰ লগত অমিতৰ সম্পৰ্ক কি—নহয়

জানো? শুনক—বাধা আৰু অমিতৰ সম্পৰ্ক জীৱন মৰণৰ সম্পৰ্ক। জীৱন আৰু মৰণ। বুজি পাইছে নহয়? তেওঁলোকৰ সম্পৰ্কৰ ভাঙোন ইহ জনমত নহয়। দুয়োৰে হৃদয় অভিন্ন। কি বুজিলে মাদাম—অভিন্ন? তাতকৈ ভালকৈ বুজাবলৈ দেখোন এই মুহূৰ্ত্তত শব্দই বিচাৰি পোৱা নাই।

ইয়াতকৈও যদি বেচিকৈ জানিব খোজে—সোধক, এই অধমকে সোধক। যি জানো মোৰ কোৱাত আপত্তি নাই। আছে যদি—খোৰাকি অলপ দিলেতো—মূৰৰ ভিতৰত যিমান কথা সোমাই আছে—গোটেইখিনি উজাৰ কৰি দি দিব পাৰো। কিন্তু মাদাম—বাধাৰ পৰা আপুনি কোনো উত্তৰ নাপাব। কিয়নো বাধাৰ মুখত তলা মৰা আছে।

শোভনাই এনে এক অদ্ভুত পৰিস্থিতিত পৰি কি কৰা উচিত ভাবি নাপালে। অকস্মাৎ ক'ৰ এটা মানুহ উপস্থিত হ'ল—সি তাইৰ প্ৰকৃত ৰূপ জানে। সি জানে যে—তাই ছদ্মবেশত ইয়ালৈ আহিছে। অমিতৰ বিষয়ে যিখিনি কথা জানিবলৈ আহিছিল সেইখিনি কথা তাই মানুহ-টোৰ মুখেই গম পালে। অন্ততঃ এটা কথা নিশ্চিত হ'ল যে—অমিতৰ লগত যে বাধাৰ যোগাযোগ আছে সেইকথা সঁচা। পুলিচ কমিচনাৰে অথনি অমিত সম্পৰ্কে যিখিনি অভিযোগ আনিছে তাইৰ দৃঢ় বিশ্বাস—কিবা এটা প্ৰমাণ পাইছে এনে এক গুৰুতৰ অভিযোগ তাই আৰু অমিতৰ বিৰুদ্ধে আনিছে নিশ্চয়। যদিও তাই আশা কৰি আছে যে—অমিতক চিনি পোৱাত ইমান ভুল তাই কেতিয়াও কৰা নাই। অমিতৰ নিষ্পাপ মুখখন মনত পৰিলে তাইৰ ভাৱ নহয় যে—তেনে এটা মানুহে তাইৰ দৰে বিশ্বাসৰে লোৱা ছোৱালীক প্ৰতাৰণা কৰিব পাৰে।

অথচ অথনি পুলিচ কমিচনাৰে যিদৰে তাইক তিৰস্কাৰ কৰিলে, যিদৰে সাৱধানবাণী শুনালে—সেইকথাবোৰটো নিশ্চয় এটা ভেটি আছে। কিবা প্ৰমাণৰ ওপৰত ভিত্তি নকৰাকৈনো কমিচনাৰ চাহাবে ইমান গুৰুতৰ অভিযোগ এটা তাইৰ ওপৰত উত্থাপন কৰিব পাৰেনে?

ৰাধাৰ কোঠালৈ আহিছে তাই এটা কথাও পুনৰবাৰ প্ৰমাণ পালে—তাইৰ বিৰুদ্ধে যেন এক বৃহৎ অভিসন্ধি চলিছে। এই অভিসন্ধি কোনে কৰিছে তাই ধৰ নোৱাৰে—কিন্তু অমিতৰ মাৰা যদি প্ৰভাবিত হয়, এই অভিসন্ধিত যদি অমিত জড়িত আছে বুলি পিচত তাই প্ৰমাণ পায়—সেইয়া হ'ব তাইৰ বাবে অতিশয় দুখৰ কথা।

যিহেতু তাই অমিতক গভীৰ ভাৱে ভাল পাইছে, ভাল পাইছে প্ৰাণভৰি। অমিতে তাইৰ ভালপোৱা প্ৰতিদান এনেদৰেই দিবনে?

শোভনা অকস্মাৎ অন্যমনস্ক হৈ পৰা দেখি পিচফালে ঠিয় হৈ থকা মানুহটোৱে টেক টেকাই হাঁহি কৰলৈ ধৰিলে—মাদামে হয়তো চিন্তা কৰিছে—এই অধমৰ লগত ক'ত সাক্ষাৎ হৈছিল বুলি। তাতেই মই যেতিয়া আপোনাৰ প্ৰকৃত ৰূপ জানো—আপোনাৰটো চিন্তা হ'বই। প্ৰেমৰ চোক বৰ চোক মাদাম। এই প্ৰেমে একেবাৰে পানী খুৱাই দিব। তাতেই আপুনি প্ৰেমত পৰিল এনেকুৱা এটা হাবাৰজাদাৰ লগত—যাৰ প্ৰেমৰ কোনো অন্ত নাই। যেন গাৰ পোছাকহে সলাইছে। সি বাচকেলে আপোনাকেই প্ৰতাৰণা কৰিছে বুলি নাভাবিব, তাৰ কবলৰ পৰা এই ৰাধাৰাণীও সাৰি নাযায়। আপুনিও মাদাম, ইমান চতুৰা পুলিচ অফিচাৰ হৈ এটা চোৰ লম্পটৰ লগতহে প্ৰেমত পৰিবলৈ কিহে পালে?

ইয়াকেই কিজানি কয় লাক? কপাল? আমাৰ এই ৰাধাৰাণীকেই চাওক—ইউচুফ আলিৰদৰে এজন কোটিপতিৰ মনৰ মানুহ হৈও অমিতৰ পিচতনো কিয় দৌৰিব লাগে?

ৰবা ৰবা। কি ক'লা—ইউচুফ আলি? এই নামটো যেন মই ক'ৰবাত শুনিছো।

কিয় নুশুনিব মাদাম, নিশ্চয় শুনিব। পুলিচ অফিচাৰ হৈ ইউচুফ আলিৰ কথা নুশুনিব সি কেনে কথা। স্মাগলাৰ, খুনী, চোৰ বদমাচৰ লগতেইতো পুলিচৰ সম্পৰ্ক। গতিকে ইউচুফ আলিৰ নামতো আপুনি শুনিবই।

কিন্তু ইউচুফ আলিকে মই ক'ত কেনেকৈ লগ পাম তুমি ক'ব পাৰিবানে ?

আপোনাকলৈতো দেখিছো বৰ মচকিল মাদাম। অমিতক বিচাৰি আহি লাগিল ৰাধাৰ পিচত। ইউচুফৰ নাম শুনি ৰাধাও বাদ গল, অমিতো বাদ গল। এতিয়া লাগে ইউচুফৰ পৰিচয়। অলপ পিচত যেতিয়া মোৰ নামটো মনত পৰিব ইউচুফক বাদ দি আকৌ মোৰ পিচত লাগি নাযাযটো ?

শুনা এই মুহূৰ্ততে মোক ইউচুফৰ ঠিকনা লাগে।

লাগে বুলিলেই দিমনে ? তাতেই ইউচুফৰ ঠিকনা ? মাই লৰ্ড— আপুনি মোক এই পৃথিবীৰ পৰাই পঠিয়াব খুজিছে নেকি ? শুনক মাদাম—ইউচুফৰ কোপদৃষ্টিত মোক নেপেলাব। মইতো আপোনাকো উপদেশ দিম ইউচুফৰ কবলৰ পৰা আপুনিও আতৰি থকা ভাল।

মানুহটোৰ কথাত শোভনাৰ ধৈৰ্য্যচ্যুতি ঘটিল। শোভনাই এই-বাৰ ৰিভলভাৰ সাজু কৰি ললে। চোচালৈ মানুহটোৰ ফালে আগবঢ়া দেখি—মানুহটোৱে বৰ ভয় খালে যদিও নিৰ্বিকাৰ ভাবেই বলকি গল— সেইবোৰ খেল্না আকৌ হাতত লবলৈ গৈছে কিয় ? কি ফায়দা কওকচোন ? মোক যেনিবা ৰিভলভাৰৰ হাফ ডজন গুলিৰেই থকা সৰকা কৰিলে—ইউচুফ আলিৰ ঠিকনা জানো পাব ? নাপায়। কাৰণ ইউচুফ আলিৰ প্ৰকৃত পৰিচয় কোনেও নাজানে। আনকি ৰাধাৰাণীয়েও। অমিতেইটো ইউচুফৰ হৈ কত অপকৰ্ম কৰিছে— কেতিয়াবা জানো ইউচুফ আলিৰ মুখামুখি হব পাৰিছে। কত ৰূপ, কত পৰিচয় মানুহটোৰ। গতিকে কি সাধ্য—মোৰদৰে এটা ক্ষুদ্ৰাতি-ক্ষুদ্ৰ জীৱই ইউচুফ আলিৰ ঠিকনা আপোনাক দিব পাৰে ?

আৰু এটা কথা মাদাম। কথা নহয় অনুৰোধ। মানে ৰিকুৱেষ্ট। এই অধমৰ ফালৰ পৰা। আপুনি ভবিষ্যতে ইউচুফ আলিৰ কথাতো বাদেই, এই ৰাধাৰাণীৰ কোঠাতো যাতে পুনৰবাৰ ভৰি নিদিয়ে সেই কথা উনুকিয়াই দিছো। আপুনি পুলিচ অফিচাৰ

হলেও এগৰাকী মহিলা, সেয়েহে আপোনাক এই অনুৰোধ কৰিছো। কাৰণ ইউচুফ আলিৰ কেউ চৌদিশে ঘূৰিবই লাগিছে। সততে দৃষ্টি দিছে—ৰাধাৰ চেৰলৈ আহে কোন কোন। গতিক কিবা এটা কৰি মৰিলে বেলেগ কথা, বিনা কথাতনো মৰিবলৈ যাব কিয়—কওকচোন মাদাম? সেইবাবেই মাদাম মোৰ এইটো ৰিকুয়েষ্ট।

শোভনাই যেন কিবা এটা চিন্তা কৰিলে। তাৰ পিচত ক্ষন্তেক আগৰ উত্তেজনা প্ৰশমিত কৰি ৰাধাৰ ওপৰত দৃষ্টি থৈ পিচফালে ঠিয় হৈ বক্ বকাই থকা মানুহটোক উদ্দেশ্যেই কলে—ইউচুফক মোক লাগে। ইউচুফ মোৰ হাতৰ পৰা সাৰি যাব নোৱাৰে। এই ইউচুফক জেল দিয়াৰ বাবেই এদিন মোৰ পিতৃ মৃত্যুৰ মুখত পৰিছিল। আৰু এই ইউচুফক জব্দ কৰিবৰ বাবেই মই চাকৰী বিচাৰি লৈছো পুলিচত। আজিলৈ মই আহিলো। কিন্তু তাক কৈ দিবা—পুলিচ ইন্সপেক্টৰেচ শোভনা সেই বিচাৰকৰে ছোৱালী যি বিচাৰকক ইউচুফ আলিয়ে হত্যা কৰিছিল। ইউচুফক এটা সমুচিত শিক্ষা দিবৰ বাবেই সেই বিচাৰকৰ কন্যা আজিও জীয়াই আছে। মই আহিলো, আশা ৰাখিছো আমাৰ সাক্ষাৎ অচিৰেই পুনৰ ঘটিব।

শোভনাই নাটকীয় ভঙ্গীত ওলাই যোৱা দৃশ্যতো ৰাধা আৰু মানুহটোৱে চাই চেকচেকাই হাঁহিবলৈ ধৰিলে।

আঠ

এই লিডো নাইট ক্লাবতে অমিতে প্ৰতিনিশা গান গায়। গতিকে অমিতৰ বিষয়ে অধিক তদন্ত কৰিব খুজিলে—আমি অমিতৰ গীতৰ বাবে অপেক্ষা কৰিব লাগিব।

পুলিচ ডেপুটি কমিচনাৰ বসন্ত সিংযে শোভনাক উদ্দেশীয়েই কথাষাৰ কৈছে যদিও তেওঁৰ দৃষ্টি নাইট ক্লাবটোৰ চৌদিশে ঘূৰি ফুৰিছে।

শোভনাৰ মুখখন গম্ভীৰ, বিষণ্ণ। তাই আজি অমিতৰ দ্বাৰাই কেৱল প্ৰতাৰিত নহয়, গোটেই পুলিচ বিভাগটোৱেই যেন তাইৰ বিৰুদ্ধে উঠিপৰি লাগিছে। যিটো বিভাগে তাইক সন্মান দিছিল, মৰ্য্যাদা দিছিল—সেই বিভাগটোৰ মানুহৰ দৃষ্টিত তাইৰ এই দুৰৱস্থা কিয় হ'ল? অমিতৰ দৰে এটা অপৰাধীৰ সান্নিধ্যলৈ অহাবাবেই নহয় জানো? কিমান আশাৰে তাই অমিতক আকোৱালি লৈছিল, ভালপোৱা দিছিল আৰু অমিতে তাৰ বিনিময়ত দিলে এইয়া। তাই আজি পদে পদে তিৰস্কৃত হৈছে। পুলিচ অফিচাৰ হৈ এটা অপৰাধীৰ লগত সঙ্গ কৰা বাবে। সকলোৱে বিশ্বাস কৰিবলৈ লৈছে—অমিতে যি অপকৰ্মবোৰ কৰি ফুৰিছে তাত তাইৰো হাত আছে। আৰু হাত আছে বাবেই সতীশ গিদোৱানীৰ দৰে ক্ৰিমিনেল সিহঁতৰ হাতৰ পৰা সাৰি গল।

শোভনাৰ আজি সকলো শেষ। মান, মৰ্য্যাদা সকলো। কিন্তু তাই অমিতকো সুখৰে নেৰে। তাইক প্ৰতাৰণা কৰাৰ বাবেই নহয়, অমিতৰ দৰে অপৰাধীক আইনে যি শাস্তি দিয়া উচিত সেই শাস্তি দিয়াব। তাই পুনৰ সকলোৰে সম্মুখত মূৰ তুলি ঠিয় হবৰ বাবেই অমিতক শাস্তি দিয়াব। তেতিয়াহে যেন তাই শান্তি পাব। কিন্তু তাইৰ প্ৰথম কাম ইউচুফক ধৰা কৰা। যি ইউচুফ তাইৰ পিতৃৰ হত্যাকাৰী, যি ইউচুফৰ বাবে তাইৰ আজি এই দুৰৱস্থা সেই ইউচুফক

সন্ধান তাই পাইছে যেতিয়া সেই ইউচুফকো তাই শুদাই নেৰে।

এই বসন্ত সিং, পুলিচ ডেপুটি কমিচনাৰ হলে কি হব—তাই জানে এই মানুহটো কি পৰ্য্যায়ৰ লোক। এটা চৰিত্ৰহীন লম্পট। মানুহটোৱে তাইৰ মন পাবলৈ কম চেষ্টা কৰা নাছিল। কেইবাবাৰো এই বসন্ত সিঙক শোভনাই অপমানো কৰিছিল। কিন্তু ইমানদিনে মানুহটোক তাই আসৈ দিয়া নাছিল।

অথচ আজি পৰিস্থিতি কিমান সলনি হ'ল। তাই চকু পাৰি দেখিব নোৱাৰা লম্পট, চৰিত্ৰহীন মানুহটোৰ লগতে আজি সঙ্গ কৰি ঘূৰি ফুৰিব লগা হৈছে। কাৰণ তাইক সহায় লাগে। কাৰণ যি সময়ত গোটেই পুলিচ বিভাগটোৱেই তাইৰ বিৰুদ্ধে, তেনে পৰিস্থিতিত তাই অকলেই যুঁজিব কেনেকৈ? ইউচুফক জব্দ কৰিব কেনেকৈ? অমিতক জব্দ কৰিব কেনেকৈ?

সেয়ে আজি তাইৰ সঙ্গী হ'ল বসন্ত সিং। পুলিচ ডেপুটি কমিচনাৰ বসন্ত সিং। ইমান দিনে কৰা অৱহেলা, অপমানৰ পিচতো বসন্ত সিং আগবাঢ়ি আহিছে তাইক সহায় কৰিবৰ বাবে। বসন্ত সিংৰ সহায় বিনে তাইৰ যে আন কোনো উপায় নাই।

অ'মতে এই নাইট ক্লাৱতে সদায় গান গায়।

সেই বাবেই তাই চকু পাৰি দেখিব নোৱাৰা অথচ বিপদৰ বন্ধু বুলি সঙ্গী কৰি লোৱা বসন্ত সিঙকে লগত লৈ নিৰ্দিষ্ট সময়ৰ বহু পূৰ্বেই লিডো নাইট ক্লাৱৰ চকী দখল কৰি বহি লৈছে।

তদুপৰি শোভনাই আজি সাজু হৈ আহিছে এটা কথাৰ বাবে। আজি তাই মদ খাব। জীৱনত মুখত দি নোপোৱা বস্তু এটা তাই আজি খাব। কাৰণ তাই আজি বসন্ত সিঙৰ প্ৰেমিকা সাজিব লাগিব। নীচাগ্ৰস্তা নহলে বসন্ত সিঙৰ নিচিনা আদহীয়া নিম্ন থাপৰ মানুহ এটাক আকোৱালি লৈ তাই প্ৰেমিকাৰ অভিনয় কৰিব কেনেকৈ? সেয়ে তাই মদ খাব। নীচা হোৱাকৈ মদ খাব। আৰু নীচা হলে তাই বসন্ত সিঙৰ বাহু বন্ধনত সোমাই নাচিব। অমিতক দেখুৱাবৰ

ৰাবেই নাচিব। তাই আজি অমিতক দেখুৱাই দিব খোজে—সি যদি তাইৰ উপস্থিতিত বহু নাৰীৰ লগত সম্বন্ধ ৰাখিব পাৰে, ভাল মানুহৰ অভিনয় কৰি তাইক প্ৰতাৰণা কৰিব পাৰে—তাইও পাৰে, যি খুচি তাকে কৰিব পাৰে।

শোভনাই যদিও এনে এক জটিল পৰিস্থিতিৰ সন্মুখীন হবৰ বাবে সাজু হৈয়েই আহিছে—কিন্তু বাৰে বাৰে যেন অন্যমনস্ক হৈ পৰিছে। মনটো বাৰে বাৰে দৃঢ় কৰিবৰ চেষ্টা কৰিছে, কিন্তু বাৰে বাৰে যেন লেহুকা হৈ পৰিব খোজে। চি চি তাই আজি কি কৰিবলৈ ওলাইছে—সকলো আদৰ্শ জলাঞ্জলি দি তাই মদ খাবলৈ ওলাইছে, নৈশ ক্লাৱত পৰপুৰুষৰ বাহু বন্ধনত সোমাই নাচিবলৈ ওলাইছে—তাইৰ আজি ইমানেই অধঃপতন হলনে ?

কিন্তু পিচ মুহূৰ্ততে শোভনাই মনক পুনৰ সকিয়নি দিয়ে—নাই নাই তাই একো ভুল কৰিবলৈ ওলোৱা নাই। তাইৰ অন্তৰত দপ দপাই জ্বলিছে প্ৰতিহিংসাৰ দাবানল। তাই প্ৰতিহিংসা লব খোজে। ভীষণ প্ৰতিহিংসা। লাগিলে তাই শেষ হৈ যাব তথাপি তাই অমিতক নেৰে। তাই আজি মদ খাবই। তাইক আজি কোনেও বাধা দি ৰাখিব নোৱাৰে।

শোভনাই ফোপাইছে। মনৰ ভিতৰত হোৱা অন্তৰ্দ্বন্দ্বত যেন ভাগৰি পৰিছে। বিন্দু বিন্দু ঘাম বিৰিঙি পৰিছে তাইৰ মুখমণ্ডলত। বসন্ত সিঙে যেন তাইক কিবা কৈছে—কিন্তু তাই একো শুনা নাই।

তাই যেন শুনিবলৈ পাইছে ইউচুফ আলিৰ গুলিৰ আঘাটত বাপেকৰ মৃত্যু কাতৰ চিঞৰ। সন্মুখত ভাহি উঠিছে মচিব নোৱাৰা সেই দৃশ্যবোৰ এটা এটাকৈ। উহ বুলি শোভনাই এটা অস্ফুট চিঞৰ মাৰিলে আৰু লগে লগে কট্ কট্‌কৈ গিলি দিলে—সন্মুখত গিলাচত থকা বঙা পানীয় খিনি।

এগিলাচ মদ একেলগে ডিঙিত ঢালি শোভনাৰ যেন ভাব হ'ল—তাই বিহ খাইছে। আৰু তেনে ভাব মনলৈ অহাৰ পিচতে তাই বিহ

খোৱ মানুহৰ দৰে অদ্ভুত অঙ্গীভঙ্গী কৰিবলৈ ধৰিলে।

বসন্ত সিঙৰ ওঠত এটা ক্রুৰ হাঁহি বিৰিঙি উঠিল। ভেমত ওৰ্ফানি কৃৰা ছোৱালী জনী আজি আহি ধৰা দিছে তাৰ কৌশলৰে পতা বৃহৎ জালত। মদত ঢোকমৰা আৰম্ভ হৈ গল যেতিয়া আৰু চিন্তা নাই। এইবাৰ ওলাই যাব কলৈ? এইটো দিনৰ বাবেই তাৰ ধৈৰ্য্যৰ অপেক্ষা। নিজে আহি ধৰা দিয়া চীকাৰ কৰি কোনো আমেজ নাই, আমেজ আছে—এনেদৰে বহু ফন্দি কৰি বহু খোদাকোৰা কৰি জব্দ কৰা চীকাৰতহে।

বসন্ত সিঙে দ্বিতীয় গিলাচ মদ শোভনালৈ আগবঢ়াই দিলে।

শোভনাই মূৰ তুলি মদৰ গিলাচৰ ফালে হাত আগবঢ়াওতেই কোনোবাই যেন তাইৰ হাতত থাপ মাৰি ধৰিলে।

তাই এই আকস্মিক বাধাত বিস্মিত হৈ ওপৰলৈ চাই দেখে তাইৰ কাষত ঠিয় হৈ আছে অমিত। তাই এবাৰ অমিতে ধৰি থকা হাতখনলৈ চাই ইটো হাতৰে মদৰ গিলাচটো লৈ অমিতৰ মুখলৈ মাৰি পঠিয়াই উত্তেজিত স্বৰে চিএঞৰি উঠিল—ঠগ, প্ৰতাৰক, তই মোৰ গাত হাত দিবলৈ আহ। উত্তেজনাত যেন শোভনা ফাটি পৰিল।

এনে আকস্মিক পৰিস্থিতিত অমিত হতভম্বৰ দৰে ভেবা লাগি চাই ৰৈ ধীৰে ধীৰে আগবাঢ়িল মাইকটোৰ ফালে।

অমিতৰ কণ্ঠত এক কৰুণ গীত ভাহি আহিল। বহু হেকওৱাৰ বেদনা যেন অমিতৰ গীতত ফুটি ওলাল। গীত নহয় যেন কান্দোনহে।

বসন্ত সিঙে দেখিলে এইটোৱেই সুযোগ। ইয়াৰ পিচৰ পৰিস্থিতিবা কি হয় কোনে জানে।

মদৰ গোলাপী আমেজত লেতু সেতু হৈ পৰা শোভনাক আলফুলে আকোৱালি বসন্ত সিঙে ঠিয় কৰালে আৰু তাৰ পিচত বাহুত ধৰি ধীৰে ধীৰে ওলাই যোৱা পথটোৰ ফালে আগবাঢ়িল।

দুৱাৰত চকিওৱা শব্দত থক্ মকৈ মাৰ পাই শোভনাই যেতিয়া জাপমাৰি উঠিল—তেতিয়া দুপৰীয়াৰ ৰ'দ আহি তাইৰ কমৰ ভিতৰত

পৰিছে। তাই হঠাৎ সাৰপাই ধৰিব পৰা নাই তাই ক'ত আছে, তাইৰ কি হৈছে।

ক্ষন্তেক চকু মুদি আকৌ পৰি থাকি যেতিয়া তাই চকু মেলিলে—চাই দেখে—ঠিকেই তাই নিজৰ বিচনাতে শুই আছে। কিন্তু তাইৰ দেহৰ আৱৰণবোৰ কি হ'ল? নিশাখন তাই উদং ভাদংকৈ শুৱলগা হ'ল কিয়? তাইৰ মূৰটোৱেইবা ইমান আচন্ত্ৰাই কৰিছে কিয়? মনত পৰিছে—তাই কালি লিডো নাইট ক্লাৱলৈ গৈছিল। অমিতে গানগোৱা নাইট ক্লাৱটোলৈ। মনত ক্ৰোধৰ বহ্নি লৈ। এটা চৰিত্ৰ-হীন লম্পট বসন্ত সিঙৰ লগত। তাইৰেই ওপৰৱালা অফিচাৰ বসন্ত সিঙৰ লগত তাই মদ খাইছিল। অমিতক দেখুৱাবৰ বাবেই মদ খাইছিল। মদৰ নীচাত তাই কি কৰিছিল কব নোৱাৰে। কিন্তু এতিয়াহে তাই গম পাইছে—মদে তাইৰ কি সৰ্বনাশ কৰিলে। বসন্ত সিং লম্পটটোৱে তাইৰ দেহটোক অশুচি কৰিলে। প্ৰতিহিংসাৰ দাবানল নিৰ্বাপিত কৰিবলৈ গৈ তাই নিজেই দেখোন নৰকৰ পথকে বাচি ললে। এতিয়া আৰু এই পৃথিৱীত জীয়াই থাকি তাইৰ একো লাভ নাই। তাই মৰিব। কিন্তু মৰাৰ আগতে তাই ইউচুফ আলি আৰু অমিতকো প্ৰতিশোধ লব। চৰম প্ৰতিশোধ।

শোভনাই মনটোক অলপ প্ৰত্যয় দিবলৈ চেষ্টা কৰিলে। যি হবলগা আছিল হ'ল। সেই কথালৈ তাই ভাগি পৰা মানে—তাই পুনৰ মূৰ তুলি ঠিয় হব নোৱাৰিব? এই মুহূৰ্ত্তত তাই ধৈৰ্য্যৰে কাম নকৰিলে—প্ৰতিশোধৰ জুই অন্তৰত লৈয়েই তাই নিঃশেষ হৈ যাব লাগিব।

তাই এগৰাকী পুলিচ অফিচাৰ। এলাপেচা পুলিচ অফিচাৰ নহয়। অপৰাধীক তৎপৰভাৱে জব্দ কৰাত তাইৰ সমান বিচক্ষণ পুলিচ দিল্লী মহানগৰীতে একজো নাই। অথচ তাই এগৰাকী মহিলা। মহিলা হৈ পুলিচৰ চাকৰী কৰা যে কিমান বিপদজনক সেই কথা ইমান দিনে তাই বুজি পাইছিল। তথাপিও কৰ্তব্যক কাহানিও অৱহেলা

কৰা নাছিল। জীৱনৰ বাবে চিন্তা নকৰাকৈয়ে সন্মুখত বিপদ থুলি জানিও তাই খুনীৰ পিচত খেদা ধৰিছিল।

তাইৰ এই কৰ্মনিষ্ঠাৰ, তাইৰ এই কৰ্ত্তব্যপৰায়ণতাৰ পুৰস্কাৰ তাই এনেদৰেহে পালে। অমিতৰ লগত ভালভাব হ'ল বুলিয়েই তাইৰ অধঃপতনো হ'ল বুলিনো গোটেই বিভাগটোৱেই বিশ্বাস কৰি লব লাগেনে?

তাইও ভুল কৰিছে। তাই ইমান সহজেই অমিতক নিজৰ বুলি গ্ৰহণ কৰাতো অনুচিত হৈছিল। তাই বিচাৰ বিবেচনা নকৰাকৈয়ে অমিতক বিশ্বাসৰে আকোৱালি লোৱাতো তাইৰ ভুল হৈছিল।

সেই ভুলৰেই এতিয়া তাই প্ৰায়শ্চিত্ত কৰিবলৈ ওলাইছে। তাই প্ৰায়শ্চিত্ত কৰিব অমিতৰ প্ৰকৃত স্বৰূপ উদঘাটন কৰি আৰু অমিতৰ স্বৰূপ উদ্‌ঘাটন কৰিবলৈ সমৰ্থ হলেই তাই যে তাইৰ পিতৃৰ হত্যাকাৰী ইউচুফ আলিৰো সন্ধান পাই যাব—সেই ক্ষেত্ৰত তাই প্ৰায় নিশ্চিত।

তাই জানে—তাই যি কৰিবলৈ ওলাইছে সেই কাম বৰ সহজসাধ্য নহব। যি ইউচুফ আলিক সমগ্ৰ পুলিচ বিভাগে হাতেলোটে জব্দ কৰিব পৰা নাই সেই ইউচুফ আলিক তাই অকলেই কেনেকৈ জব্দ কৰিব? কাৰণ ইউচুফ আলি নামধাৰী মানুহজন কোনো ছদ্মনামত সমাজৰ আগশাৰীৰ লোক হৈ তলে তলে বে আইনী কামবোৰ কৰি ফুৰে বুলিহে সন্দেহ হয়। হয়তো তেওঁ বাহিৰৰ সমাজত ইমানেই প্ৰতিপত্তিশালী যে আইন, আদালতে তেওঁৰ ওচৰ চাপিব নোৱাৰে। ভিতৰি ভিতৰি বে-আইনী কাম কৰি, বাহিৰত শীৰ্ষস্থানীয় গণ্যমান্য হৈ ফুৰা মালা পিন্ধা লোক এই দিল্লী মহানগৰীতেই বহুতো আছে। অনেকুৱা এজন লোকেই নিশ্চয় ইউচুফ আলি।

বাধাৰ বৈঠকখানাত যেতিয়া তাই প্ৰথম ইউচুফ আলিৰ নাম শুনিছিল, ৰূপালী পৰ্দাৰ দৃশ্যৰ দৰেই লগে লগেই তাইৰ মনৰ পটত ভাহি উঠিছিল—বাপেকৰ হত্যাৰ সেই দৃশ্য। যি হত্যা সংঘটিত কৰিছিল এই ইউচুফ আলি নামৰ মানুহটোৱে। সেইয়া এতিয়া

পুৰণি কথা। কিন্তু পুৰণি কথা হলেও তাইৰ ইমান দিনে বিশ্বাস আছিল যে—ইউচুফ আলি যে বেলেগ নামত, বেলেগ ৰূপত এতিয়াও জীয়াই আছে। সেয়ে ৰাধাৰ ঘৰত ইউচুফ আলি নামটো শুনিয়েই—প্ৰথমেই তাইৰ মনত উদয় হৈছিল এই ইউচুফ আলিয়েই নিশ্চয় তাইৰ বাপেকৰো হত্যাকাৰী।

ৰাধাৰ ঘৰত ইউচুফ আলিৰ নাম শুনাৰ পিচৰে প্ৰৰা কেইবাদিনো ধৰি শোভনাই ৰাধাৰ বৈঠকখানাৰ ওপৰত, ৰাধাৰ ঘৰলৈ যি সকল মানুহ আহযাহ কৰে সেই সকলৰ ওপৰত সংগোপনে স্থিৰ দৃষ্টি ৰাখিছে। ব্যতিক্ৰম কেৱল বিগত অভিশপ্ত নিশাটো।

যোৱা নিশা যে তাইৰ কি হৈছিল নিজেই কব নোৱাৰে।

হয়তো কেইবাদিনো ধৰি ৰাধাৰ বৈঠকখানাত স্থিৰ দৃষ্টি ৰাখিও ইউচুফ আলি আৰু এই ইউচুফৰ লগত অমিতৰ যোগসূত্ৰ উদ্ধাৰ কৰিব নোৱাৰি হতাশ হৈ পৰিছিল।

সেয়ে লিডো নাইট ক্লাবত উপস্থিত হোৱাৰ প্ৰস্তাৱ তাইয়ে বসন্ত সিঙক দিছিল। শোভনাৰ সান্নিধ্যৰ প্ৰতি সুযোগলৈ বাটচোৱা বসন্ত সি য়ে তাইৰ প্ৰস্তাৱ একে আষাৰেই গ্ৰহণ কৰিছিল।

যাৰ বিষময় ফল এতিয়া উপলব্ধি কৰি তাই অনুশোচনাত দগ্ধ হৈছে।

তাই মনটো পুনৰ জাৰি জোকাৰি ললে।

বাৰে বাৰে মনটোক সকীয়াইছে—এইটো অনুশোচনাৰ সময় নহয়। অথচ ঘূৰি ঘূৰি একেটা চিন্তাই তাইৰ মনলৈ আহি তাইক দুৰ্বল কৰি তুলিছে।

শোভনাই খৰতকীয়াকৈ প্ৰাতঃকৃত সমাপন কৰি ওলাই পৰিল নিজৰ অভীষ্ট সিদ্ধিৰ বাবে। জীনৰ পেণ্টটোৰ জেপত বিভলভাৰটোও ভৰাই লবলৈ নাপাহৰিলে। দুৱাৰত তলা লগাই মটৰ চাইকেলখনত উঠি উদ্দেশ্যহীন ভাবে একালে চাপলি মেলিলে। মটৰ চাইকেলখন যিমানেই তীব্ৰ গতিত আগবাঢ়িছে, তাইৰ মনটোৱেও যেন গতি কৰিছে

সিমানেই বেগৰে।

এনেদৰেই কিছু দূৰ আগবঢ়াৰ পিচত তাইৰ দৃষ্টিত পৰিল এঠাইত মানুহে জুম বান্ধি ঘেৰি ঘেৰি কিবা এটা চাইছে।

কি চাইছে? শোভনাই নিজৰ মটৰ চাইকেলৰ গতি হ্ৰাস কৰি জুমটোৰ ওচৰ পাই দেখিলে—একো নাই, এজনী ছোৱালীয়ে গীত গাই নাচিছে। তাকেই মানুহে জুম বান্ধি চাইছে।

শোভনাই নাচি থকা ছোৱালীজনীৰ ওপৰত সংক্ষিপ্ত দৃষ্টি দি—মটৰ চাইকেলখন বিপৰীত ফালে ঘূৰাই যাবলৈ উপক্ৰম কৰোতেই কিবা এটা মনত পৰাদি ব্ৰেক মাৰি মটৰ চাইকেলখন ৰাখি দিলে।

মটৰ চাইকেলখন ঠাইতে ঠিয় কৰাই এইবাৰ তাই ধীৰ পদক্ষেপে মানুহৰ জুমটোৰ ফালে আগবাঢ়ি গল।

তাইৰ দৃষ্টিয়ে ভুল দেখা নাই, এই ছোৱালীজনীক তাই ক'ৰবাত লগ পাইছে। কিন্তু ক'ত?

এইবাৰ বিজুলীৰ চমকৰ দৰেই তাইৰ মনলৈ আহিল—এই ছোৱালীজনা ক'ত লগ পাইছিল। ছোৱালীজনীৰ পৰিচয় মনত পৰাৰ পিচত শোভনাই যেন তাইৰ পৰৱৰ্তী লোমহৰ্ষক অভিযানৰ এটা সূত্ৰহে বিচাৰি পালে।

ন

ইমান কেইদিন উত্ৰাৱল হৈ ঘূৰি ফুৰি অৱশেষত তাইৰ অভীষ্ট লক্ষ্যৰ এটা ক্ষীণ সন্দেহ বিচাৰি পোৱাত শোভনাৰ উৎসাহৰ অন্ত নাই।

অলপ আগৰণীয়া ঠাইত তাই গাড়িখন থৈ এই ঠাইত ধৈৰ্য্য ধৰি অপেক্ষা কৰা তাইৰ প্ৰায় এঘণ্টা অতিক্ৰম হ'ল। তাই যেন এতিয়াও নিশ্চিত ইউচুফ আৰু অমিতৰ গোপন জগতৰ ৰহস্য সন্ধানৰ পথ আজি তাই পাবই।

সেয়ে ইমান সময় অপেক্ষা কৰিও তাইৰ আজি উলাহৰ অন্ত নাই।

তাই আৰলৈ থকা ঠাইৰ সম্মুখেদি ইখনৰ পিচত সিখন গাড়ী পাৰ হৈ গৈছে—আৰু তাই স্থিৰ দৃষ্টি নিবদ্ধ ৰাখিছে সকলে বিলাক গাড়ীৰ ওপৰত।

আৰু ঠিক সেইখিনি সময়তে তাইৰ সম্মুখেদি যিখন গাড়ী পাৰ হৈ গল—শোভনাই গাড়ীৰ আৰোহী দুজনক দেখি উত্ৰাৱল হৈ পৰিল।

কোনো সন্দেহ নাই—গাড়ীৰ ভিতৰত সেইয়া ৰাধা আৰু ৰাধাৰ লগত সেই মানুহটো। যিটো মানুহক শোভনাই পুৰুষৰ বেশলৈ ৰাধাক লগ পাবলৈ যাওঁতে মানুহটোৰ কবলত পৰিছিল। এই মানুহটোৱেই জানো তাইক ইউচুফ আলিৰ পিচ নলবলৈ সাৱধান কৰি দিয়া নাছিল? এই মানুহটোক ৰাধাৰ ঘৰতেই প্ৰথম নহয়—তাৰ আগতেও তাক লগ পাইছিল কিন্তু ক'ত লগ পাইছিল বহুত ভাবি চিন্তিও তাই মনত পেলাব পৰা নাছিল।

যন্ত্ৰচালিতৰ দৰেই শোভনাই আৰলত থকা নিজৰ গাড়ীখনত একেজাপে উঠি আগে আগে যোৱা গাড়ীখনৰ পিচ ললে।

সম্মুখৰ গাড়ীখন অকাই পকাই ভীৰ ফালি আগবাঢ়ি গৈ থাকিল, আৰু পিচে পিচে শোভনাৰ গাড়ীখন দৃষ্টিৰ আৰ হবলৈ নিদিয়াকৈ গৈ

থাকিল।

পথত গাড়ীৰ ভীৰ যথেষ্ট। সেয়ে সম্মুখৰ গাড়ীখনে বহু সময়লৈ কৰ নোৱাৰিলে যে—তেওঁলোকক এখন গাড়ীয়ে অথনিয়ে পৰা পিছ লৈছে।

এটা সময়ত সম্মুখৰ গাড়ীখনে মহানগৰীৰ কোলাহলৰ পৰা ওলাই এটা মুকলি পথত আহি পৰিল। আৰু তেতিয়াই সম্ভৱত গম পালে যে—গাড়ীখনক আন এখন গাড়ীয়ে পিচ লৈছে। লগে লগেই গাড়ীৰ গতি বাঢ়িল।

শোভনাই গাড়ীৰ গতি বঢ়াই সম্মুখৰ গাড়ীখনক ক্ৰমান্বয়ে ওচৰ চাপি আহিল।

আৰু কিছু ওচৰ চপাৰ পিচতে সম্মুখৰ গাড়ীখনৰ পিচৰ চিটত এটা মানুহ আৰু এগৰাকী মহিলা বহি থকাটো স্পষ্ট দেখা গল।

সম্মুখৰ গাড়ীখনে সম্মুখতে পোৱা কেকুৰিটোত হঠাতে মোৰ ললে।

অকস্মাৎ মোৰলোৱাত সেই একে গতিৰে মোৰ লবলৈ গৈ শোভনাৰ গাড়ীখন নিয়ন্ত্ৰণৰ বাহিৰ হৈ গল। শোভনাৰ গাড়ী গৈ পথৰ দাতিৰ এটা পষ্টত খুণ্ডা মাৰিলেগৈ। পষ্টটোত খুণ্ডা খাই শোভনাৰ গাড়ীৰ মাডগাৰ্ড উফৰি গল।

কিন্তু শোভনাই অলপ সময়ৰ বাবে থমকি পৰি লও পুনৰ পূৰ্ব-গতিত আধাভঙা গাড়ীখনকে আগুৱাই নিলে। শোভনাৰ গাড়ী পুনৰ সম্মুখৰ গাড়ীখনৰ ওচৰ চাপিল।

শোভনাৰ দৃষ্টি এইবাৰ সম্মুখৰ গাড়ীখনত পৰি উচপথাই উঠিল। ক'ত্তা গাড়ীখনতটো বাধা নাই। গাড়ীখনৰ পিচৰ চিটত কেৱল মানুহটো বহি থকাহে পিচফালৰ পৰা দেখা পৈছে। তেনেহলে বাধা কলৈ গল।

কিন্তু শোভনাই অধিক চিন্তা কৰিবলৈ সুযোগ নাপালে। হঠাতে সম্মুখৰ গাড়ীখনে এটা মোৰলৈ এখন প্ৰকাণ্ড লোহাৰ গেট অতিক্ৰমি

ভিতৰলৈ প্ৰৱেশ কৰিলে। গাড়ীখন প্ৰৱেশ কৰাৰ পিচতে লোহাৰ গেটখন পুনৰ বন্ধ হৈ গল।

শোভনাই বন্ধ হোৱা গেটখনৰ সম্মুখত এক মুহূৰ্ত বৈ ঠিৰা কৰিলে—তাইৰ লক্ষ্যত উপনীত হোৱাৰ উপক্ৰম হৈছে। অৱশেষত শত্ৰুৰ ছাউনীৰ অৱস্থানটো অন্ত ত গম পোৱা গল। চাৰিওকাষে ওখ প্ৰাচীৰ আৰু সম্মুখৰ প্ৰকাণ্ড লোহাৰ গেটখনৰ আকৃতি প্ৰকৃতি চাই এইটো কোনোবা ৰজা মহাৰজা বা নবাবৰ ৰাজহাউলী যেনহে ভাব হয়। বোধহয় তদাৰকৰ অভাৱত এৰাবাৰীত পৰিণত হোবা হাবি জঙ্ঘলৰে ঘেৰি থকা এই এৰাবাৰীক ইউচুফ আলিৰ দলে নিজৰ আত্মগোপনৰ ছাউনি পাতি লৈছে।

যদিহে ভবামতেই এইটোৱেই ইউচুফ আলিৰ প্ৰধান আড্ডা হয়—সেই আড্ডাত তাই অকলেই প্ৰৱেশ কৰাতো নিশ্চয অনুচিত হব। কিয়নো এনে এজন শক্তিশালী শত্ৰুৰ আড্ডাত তাই এনেদৰে প্ৰৱেশ কৰাৰ অৰ্থ হব—আত্মহত্যাৰ লেখীয়া।

তেনেহলে উপায ?

তাই একমুহূৰ্ত চিন্তা কৰি গাড়ীখন ঘূৰালে। আৰু পূৰ্ণগতিত যোৱা পথত এৰি থৈ অহা পেট্ৰল পাম্পটোৰ সম্মুখলৈ গাড়ী আগুৱাই নি একেজাপে গাড়ীৰ পৰা নামিল।

কিন্তু যি উদ্দেশ্যৰে তাই পেট্ৰল পাম্পটোলৈ আহিছিল—সেই উদ্দেশ্য তাইৰ সফল নহল। তাই আহিছিল পুলিচ হেডকোৱাৰ্টাৰলৈ ফোন কৰিবলৈ আৰু জৰুৰী ভাৱে পুলিচ সাহায্য পঠিয়াবলৈ। পেট্ৰল পাম্পত ফোন নাই বুলি জানিব পাৰি শোভনা পাৰযোৱা বেলুনৰদৰে হ'ল। তাই ভাবি অন্ত নাপালে এতিয়া তাই কি কৰিব। যদি উভতি যায়—তাই সুযোগ হেৰুৱাৰ। পুলিচ লৈ সদলবলে ঘূৰি আহে মানে—শত্ৰুপক্ষই আতৰি পৰাৰ সম্ভাৱনাই বেচি। আৰু বিপক্ষলৈ শত্ৰু ছাউনীত তাই অকলেই প্ৰৱেশ কৰা মানেও মৃত্যু অৱশ্যম্ভাবী।

কিন্তু সেই বুলিয়েই সম্মুখত চীকাৰ পাই তাই এৰি থৈ যাব

কেনেকৈ ? এই সুযোগ যদি ছুনাই নাহে ? গোটেই পুলিচ বিভাগটোৱেই তাইলৈ আঙুলিয়াই আছে—অৱিতৰ লগত হৃদয়তা গঢ় লোৱা বাবে। তাই শত্রুক জব্দ কৰাতো সেইবাবেই নিতান্ত আৱশ্যক। ইউচুফ আলি যিদৰে বাপেকৰ হত্যাকাৰী, তেনেদৰেই এই ইউচুফৰে ৰক্ষিতা ৰাধাৰ লগত সম্বন্ধ পতা অমিতো তাইৰ পুলিচ বিভাগৰ বহু কষ্টোপাৰ্জিত নিকা কেৰিয়াৰটোৰ হত্যাকাৰী।

গতিকে তাইৰ বাবে ইউচুফ যেনেকৈ শত্রু তেনেকৈ অমিতো শত্রু। কিন্তু এটা কথাইহে তাইৰ মনত খোকোজা লগাইছে—সেই মানুহটোক আৰু ৰাধাক সম্মুখৰ গাড়ীত আহি থকা দেখাৰ পিচত হঠাৎ ৰাধা কেনেকৈ নাইকীয়া হৈ গল ? চলন্ত গাড়ীখনৰ পৰা ঠেলা মাৰি ৰাধাক পেলাই দিয়া নাইতো ?

কিন্তু ৰাধাক তেনেদৰে পেলাবলৈ যাব কিয় ? ৰাধাতো ইউচুফ আলিৰে লোক।

যদি নাই পেলোৱা ৰাধা কলৈ গল ?

ৰাধাৰ লগতে এইবাৰ যেন শোভনাৰ মনলৈ আৰু এটা প্ৰশ্ন আহি পৰিল। তাই ৰাধা আৰু মানুহটোৰ গাড়ীখনৰ পিচলৈ আহিছিল ঠিকেই—কিন্তু এই হাউলিটোত ইউচুফ আলিৰ আড্ডা হৰই বুলি তাই কেনেকৈ নিশ্চিত হ'ল ?

তাইৰ মনলৈ অহা প্ৰশ্নৰ উত্তৰ তাই নিজেই দিলে—ইউচুফ আলিৰ এইটোৱেই ঘাই আড্ডা বুলি অৱশ্যে তাই নিশ্চিত নহয়—সেইয়া তাইৰ অনুমানহে। যিদৰে তাই অনুমান কৰিছে—ইউচুফ আলি ৰাধাৰ লগত অমিতো যোগ আছে।

আৰু যদি ইউচুফ আলিৰেই কোনো অস্তিত্ব নাই ? ৰাধাৰ কোঠালীত সেই অদ্ভুত ধৰণৰ কথাকোৱা মানুহটোৰ মুখতহে তাই ইউচুফ আলিৰ নাম প্ৰথমে শুনিছিল। বাপেকৰ হত্যাকাৰীজনৰ নামো ইউচুফ আলি হোৱা বাবে তাই ধৰিয়েই লৈছিল—এইটোৱেই সেই ইউচুফ আলি। অৰ্থাৎ সকলো অনুমান।

গতিকে অনুমানৰ ওপৰতে ভিত্তি কৰি তাই এতিয়া অকলশৰে এই হাউলীত প্ৰৱেশ কৰাৰ চেষ্টা চলাবনে নচলায় ?

কিন্তু তাৰ বাহিৰেনো উপায় কি ? অনুমানৰ ওপৰত নিৰ্ভৰ কৰিয়েই আগবঢ়াৰ বাহিৰে আন কিবা জানো উপায় আছে ?

এই মুহূৰ্তত অন্তত আন কোনো উপায় নাই। গতিকে শোভনাই গাড়ীখন পেট্ৰল পাম্পতে একাষৰীয়াকৈ থৈ খৰ গতিৰে আগবাঢ়িব খুজিও পেট্ৰল পাম্পৰ বৃদ্ধ চকীদাৰটোক দেখি থমকি ৰ'ল। তাৰ পিচত সোধা উচিত হবনে নহয় একমুহূৰ্ত ভাবি বৃদ্ধক সেই হাউলিটোৰ বিষয়ে সুধি পেলালে।

বৃদ্ধই ক্ষন্তেক সন্দেহৰ দৃষ্টিৰে শোভনালৈ চালে। তাৰ পিচত নিজে নিজেই প্ৰত্যযগৈ কলে—সেইটো এটা অভিশপ্ত হাউলী। এতিয়া তাত ভূতে বাহ লৈছে। বহু তোলোক আহে—হাউলীটো চোৰামেলা কৰি কিনাৰ প্ৰস্তুতি চলায়েই আতৰি পৰে। কাৰণ হাউলীটো অভিশপ্ত। নবাবৰ কাৰেং হৈ থাকোতে এই হাউলীতে ঘটিছিল—কিমান পাপাচাৰ। পাপৰ ভাৰ সহ্য কৰিব নোৱাৰি নবাবৰ বংশ নিৰ্বংশ হ'ল, আৰু হাউলীটো পৰিণত হ'ল অভিশপ্ত হাউলীত।

বৃদ্ধৰ কথাত শোভনা বিৰক্ত হ'ল। সুধিছিল কি—আৰু বুঢ়াই কোৱা আৰম্ভ কৰিলে পাপ পুণ্যৰ কথা।

শোভনাই বৃদ্ধৰ আধাকোৱা কথা আধাতে ৰাখি এইবাৰ সুধিলে—হাউলীটোলৈ মূল প্ৰৱেশ-পথৰ বাহিৰে ভিতৰলৈ সোমোৱা আন কোনো পথ আছেনে নাই।

বৃদ্ধৰ চকু বিস্ময়ত কপালত উঠিল—ভাবটো এনেকুৱা,—ছোৱালী জনীয়ে কয় কি ? দিনতেই মানুহে এই হাউলীত সদলবলেও প্ৰৱেশ নকৰে, এই ছোৱালীজনীয়ে যেখোন সোধে হাউলীটোত ভিতৰলৈ সোমোৱা পথৰ কথা ?

হতবাকৰ চাৱনি লৈয়েই বৃদ্ধই শোভনাক হাউলীটোৰ চমু নক্সা

এটা ডাঙি ধৰিলে।

শোভনাই ভাই যে পুলিচৰ লোক সেই পৰিচয় বৃদ্ধক দি—তাইৰ আগমনৰ উদ্দেশ্যটোও চমুকৈ কৈ ওচৰতে পোৱা পুলিচ ষ্টেচনত এটা খবৰ দিবৰ বাবে বৃদ্ধক কলে। যদিও বৃদ্ধ নির্ভৰযোগ্য নহয়—এই মুহূৰ্তত তাকে কৰাৰ বাহিৰে তাইনো কৰিব কি ?

শোভনা এইবাৰ আগবাঢ়িল হাউলীটোৰ ফালে। একেবাৰে নি সঙ্গ অভিযান। শত্ৰুৰ শক্তি কিমান একো নজনাকৈয়ে তাইৰ এই অভিযান। হাতত জাগ্ৰত বিভলভাৰটো—যিটো তাইৰ একমাত্ৰ ভৰষা।

প্ৰাচীৰ পাৰ হৈ আবেষ্টনীৰ ভিতৰত সহজেই প্ৰৱেশ কৰি তাই চালে—অদূৰত সেই অভিশপ্ত হাউলীতো।

চাৰিফালে জোপোহা বননিৰে ঘেৰা হাবিৰ মাজেদি বগুৱাই বাই তাই ক্ৰমান্বয়ে আগবাঢ়িল হাউলিটোৰ ফালে।

যিমানেই হাউলিটোৰ ওচৰ চাপি গল সিমানেই তাইৰ চিন্তা হ'ল —প্ৰকৃততে হাউলীটোত কোনোবা আছেনে নাই। কোনো জন প্ৰাণীৰ অস্তিত্বই যেন তাই বিচাৰি পোৱা নাই। আনকি অলপ আগতে প্ৰৱেশকৰা গাড়ীখনৰ অস্তিত্বও তাই চাৰিওফালে চাই বিচাৰি নাপালে।

তথাপিও তাই আগুৱাই গল।

এইবাৰ হাউলীটোত সোমোৱা প্ৰৱেশ পথটোৰ অলপ দূৰ আগুৱাই গৈ সন্মুখত বন্ধ দুৱাৰখন পাই থমকি ৰ'ল।

অলপ চেষ্টা কৰোতেই দুৱাৰখন খোল খালে। দুৱাৰৰ কেৰ কেৰনি শব্দ চৌদিশে প্ৰতিধ্বনিত হ'ল।

তাই সন্তৰ্পণে ভিতৰত প্ৰৱেশ কৰি ইফালে চালে—নাই কোনো নাই। এটা বৃহৎ হল ঘৰ। লাখ্যা লিখিহে অত ত'ত ইটো সিটো বস্তু পৰি আছে আৰু গোটেই ঘৰটোৱেই মকৰাজালৰে আবৃত।

শোভনাই খৰ গতিৰে হলঘৰটোৰ ইমূৰ পাই চিন্তা কৰিলে—

সম্মুখত তিনিখন দুৱাৰ। এতিয়া তাই কোনখন দুৱাৰেদি আগবাঢ়িব ?

চিন্তাৰ সময় নাই। এখন দুৱাৰৰ ফালে তাই আগবাঢ়িল। বহু চেষ্টা কৰিও কোনোপধ্যেই দুৱাৰখন খুলিব নোৱাৰি দ্বিতীয় দুৱাৰখন খুলিবলৈ চেষ্টা কৰিলে। অলপ চেষ্টা কৰাৰ পিচত দ্বিতীয় দুৱাৰখন কথমপি মেল খালে। শোভনাই ভিতৰত ভৰি দিয়েই পুনৰ ভৰিটো কোচাই আনিলে। ভিতৰত হাড় কপোৱা এজাক বতাহে তাইৰ গাটো জিকাৰ খুৱাই থৈ গল।

কি কৰিম কি নকৰিম চিন্তা কৰি শোভনাই ভাবিলে এতিয়া আৰু উভতি যোৱাৰ প্ৰশ্ন নুঠে। মৰসাহ কৰি ইমান দূৰ আগবাঢ়ি আহিছেই যেতিয়া হাউলিটোৰ অভ্যন্তৰত কিবা ৰহস্য আছে নেকি গমি চাইহে উভতি যাব। অথচ ক্ৰমান্বয়ে যেন তাইৰ সাহস কমি আহিছে। ক্ৰমান্বয়ে যেন তাইৰ মনলৈ আহিছে—তাই এনেদৰে মৰসাহ কৰাটো অনুচিত হৈছে।

কিন্তু তথাপিও শোভনাই এখোজ দুখোজকৈ আগুৱাই গৈ থাকিল।

আৰু যেতিয়া ঘৰটোৰ মাজভাগ পালেহি—এটা বুকু কপোৱা অট্টহাহি চৌদিশে প্ৰতিধ্বনিত হৈ অকস্মাৎ তাইক উচপ খুৱাই দিলে।

তাই যেন দেখা পালে এটা ছামূৰ্ত্তি ক্ৰমান্বয়ে তাইৰ ফালে আগবাঢ়ি আহিছে।

লাহে লাহে ছা মূৰ্ত্তিটো তাই থৰহৈ ঠিয়হৈ থকা ঠাইখিনিৰ ওচৰ পালেহি।

অকস্মাৎ এচমকা পোহৰ ক'ৰবাৰ পৰা আহি ছা মূৰ্ত্তিটোৰ মুখত পৰাৰ লগে লগে তাই সেই ভয়াবহ মুখ দেখি জিকাৰ খাই উঠিল।

তাই মানুহৰ ইমান ভয়াবহ মুখ কাহানিও দেখা নাই। মুখখন একেবাৰে ড্ৰেকোলাৰ মুখৰ সদৃশ।

তাইৰ এইবাৰ ভয়ৰ মাত্ৰা বৃদ্ধি পালে।

ইফালে ছাঁমূৰ্ত্তিটোৰ হাতজুখন ক্ৰমান্বয়ে তাইৰ ডিঙিটোৰ ফালে আগবাঢ়ি আহিছে।

তৎ-ভৎ হেকৱাই ইমান সময় তাই পাহৰি পেলাইছিল তাইৰ হাতত যে ৰিভলভাৰ এটাও আছে।

কদাকাৰ মুখৰ মানুহটোৰ হাত দুখন ক্ৰমান্বয়ে তাইৰ ডিঙিটোৰ ফালে আগবাঢ়ি অহা দেখি এইবাৰ তাই ৰিভলভাৰটোৰে গুলি কৰিবলৈ ধৰিলে। নিমিষতে ছা মূৰ্ত্তিটো নাইকীয়া হৈ গল। গুলি লাগি কিবা ভঙাৰ শব্দত চৌদিশ ঝন ঝনাই গল।

বিমূঢ় শোভনাই পথ হেকওৱা পথিকৰ দৰে সন্মুখৰ ফালেই লৰ দিলে।

দৃষ্টিত পৰিল—সন্মুখৰ এটা কমত যেন সামান্য পোহৰ।

তাই একো চিন্তা নকৰি একেলৰে কমটোত প্ৰৱেশ কৰিলেগৈ।

শোভনা কমত প্ৰৱেশ কৰাৰ পিচ মুহূৰ্ত্ততে দুৱাৰখন বন্ধ হৈ গল।

বন্ধ ঠেক কমটোত ইফাল সিফাল কৰি তাইৰ মনত দেখা দিয়া সন্ত্ৰাস আৰু চিন্তাৰ ধুমুহাই এটা কথাই সকীয়ালে—তাইৰ আজি আৰু উদ্ধাৰৰ কোনো পথ নাই। আৰু তাইৰ এই দুৰ্য্যোগৰ বাবে জগৰীয়া তাই নিজেই। তাই এনে অবিবেচকৰ দৰে কাম কৰিবৰ বাবেই বিচক্ষণ পুলিচ বিষয়াৰ আখ্যা পাইছিলনে বাৰু?

শোভনা যেতিয়া চিন্তাত বিয়াকুল—ঠিক সেইখিনি সময়তে তাই অনুভৱ কৰিলে সেই ঠেক অন্ধকাৰ কমটোত তাইৰ বাহিৰেও আন কোনোবা উপস্থিত আছে। ক্ষীণ নিশ্বাসৰ শব্দ তাই ঠিকেই শুনিছে। অনুভৱ হৈছে কোনো লোকে যেন চুপি চুপি তাইৰ ওপৰত দৃষ্টি ৰাখিছে।

ঠিকেই টো—তাইতো সামান্য পোহৰ দেখিছে এই কমটোৰ কাষে লৌৰমাৰি আহিছিল। তাইৰ প্ৰৱেশৰ লগে লগে যিদৰে পিচৰ দুৱাৰখন বন্ধ হৈ গল তেনেদৰেই পোহৰটোওতো নাইকীয়া হৈ গল।

এই অলৌকিক কাণ্ডবোৰ অলপ আগতে বৃদ্ধটোৱে কোৱা ভূত-প্ৰেতৰ কাণ্ডনে? আৰু সেই ড্ৰেকোলাৰ দৰে ভয়াবহ মুখৰ মানুহটো?

কিন্তু সেইমুহূৰ্ত্ততে শোভনাক উচপ খুৱাইদি কমৰ ভিতৰত থকা বুলি সন্দেহ কৰা দ্বিতীয় প্ৰাণীটোৱে ফুচফুচাই কোৱা আৰম্ভ কৰিলে—সিহঁতে ভাবিছে মই মৃতা কিন্তু মই মৰা নাই। মৰাৰ সময় মোৰ এতিয়াও হোৱা নাই।

অকস্মাৎ এনেকৈ দ্বিতীয় ব্যক্তি এটাৰ মাতত শোভনাই থৎমৎ খালেও পিচমুহূৰ্ত্ততে তাই সুধি পেলালে—তুমি কোন?

মই ৰাধা।

ৰাধা?

কিয় পুলিচ অফিচাৰ—তুমি যে পুৰুষৰ বেশলৈ মোৰ কোঠালৈ আহি—?

আৰু কব নালাগে—মই বুজিছো। কিন্তু তোমাক যিখন গাড়ীত অনা হৈছিল সেই গাড়ীখনৰ পৰা অকস্মাৎ অন্তৰ্ধান কেনেকৈ হৈছিলা?

সি মোক অচেতন কৰি পেলাইছিল। নাকৰ আগত কিবা শুঙাই দিয়াৰ পিচতে মই অচেতন হৈ পৰিছিলো।

অলপ আগতে মই যেতিয়া জ্ঞান ঘূৰাই পালো—মই বুজিলো—সিহঁতে মোক অতিকৌশলৰে এই হাউচলৈ আনিলে। মই এতিয়া সিহঁতৰ হাতত বন্দী। যিদৰে আপুনিও—?

এই সিহঁত কোন?

কিয় ইউচুফ আলি আৰু তাৰ দলৰ লোক সকল।

ইউচুফ আলি? তুমি কি কৈছা ৰাধা? তুমি জানো এই ইউচুফ আলিৰেই ৰক্ষিতা নাছিলা?

আছিলো। কেৱল ইউচুফ আলিৰেই নহয় আৰু বহুতৰে। কিন্তু প্ৰকৃততে ইউচুফ আলিনো কোনজন মই বুজিব নোৱাৰিলো।

মানুহটোৰ নাম শুনি শুনি মোৰ ইমানেই কৌতূহল হৈছিল যে—এই মানুহটোক নামে মানুহে জানিবৰ বাবে মই এটা সময়ত ব্যাকুল হৈ পৰিছিলো। হয়তো মানুহটোৰ সাক্ষাৎ লাভ কৰিছিলো, হয়তো শঙ্কাশায়িনীও। কিন্তু মই নিশ্চিত নাছিলো যে—এই মানুহটোৱেই ইউচুফ আলি। শুনিছিলো মানুহটোৰ একো একো সময়ত একোটা ৰূপ। দহজনৰ দৰে ভদ্ৰ সাজি চলাফুৰা কৰে—অথচ তলে তলে ইমান অপকৰ্ম। আইনৰ দৃষ্টিত অপৰাধী এই মানুহজনৰ প্ৰকৃত পৰিচয় নাজানে বাবেই এই মানুহজনক আজিলৈকে পুলিচে বন্দ কৰিব পৰা নাই। কথাটো হয়োদিয়কচোন—যিজন মানুহক নিজৰ ৰক্ষিতাই চিনি নাপায় সেইজন মানুহক পুলিচে বিচাৰি উলিওৱাৰ কি সাধ্য? কিবা অসম্ভৱ কথা যেন নালাগেনে?

শোভনাই এইমুহূৰ্তত পুলিচ অফিচাৰৰ তীক্ষ্ণতাৰে নিজৰ বিচাৰ বিবেচনাক কামত লগাইছে বাধাৰ কথাত যেন তাই পতিয়ন যাব পৰা নাই। বাধা ৰক্ষিতা হৈ ইউচুফ আলিক চিনি নাপাও বুলি কোৱা কথাষাৰ কিমান দূৰ বিশ্বাসযোগ্য? অন্তত এটা কথাত শোভনা নিশ্চিত যে—বাধা ইউচুফ আলিৰ দলৰ লোক—তেনেস্থলত তাইকেই কিডনাপ কৰি, ক্লৰফৰ্ম দি অচেতন কৰি ইয়াত, এই অলৌকিকভাৱে ভৰা হাউলীটোত বন্দ। কৰি ৰখাৰ কি অৰ্থ হব পাৰে? যি মুহূৰ্তত তাই বাধাৰ মুখখন দেখা নাই তেনেক্ষেত্ৰত বাধাই কেনেকৈ তাইৰ মুখখন দেখিলে? কেনেকৈ গম পালে—তায়েই যে বাধাৰ বন্দীশালাত প্ৰৱেশ কৰিছে? কিবাযেন কথাবোৰ খেলিমেলি হৈ পৰিছে?

এইবাৰ কিবা এটা মনত পৰাদি শোভনাই বাধাক উদ্দেশী সুধিলে —কিন্তু তোমাক যিটো মানুহে গাড়ীত অপহৰণ কৰি আনিছে—সেই মানুহটো কোন?

সেই মানুহটো ইউচুফৰ দলৰে লোক। নাম গোমৰাজ।

গোমৰাজ? ঠিকেইতো এই মানুহটোকেই ক'ত লগ পাইছিলো বুলি তাই সিদিনা ভাবি অন্তপোৱা নাছিল। এতিয়া মনত পৰিছে—

এই মানুহটোৱেই দৰিয়াগঞ্জৰ হোটেলৰ পৰা সেইদিনা মাইক্ৰফিল্ম কিনি দাবী কৰিছিল। এই মানুহটোৱেই দাবী কৰিছিল উমেশ আনন্দ আৰু ড্ৰাইভাৰটোক হত্যা কৰা বুলি।

এইবাৰ শোভনাই প্ৰশ্ন কৰিলে—আৰু অমিত? অমিতো এই ইউচুফ আলিৰ দলৰে লোকনে?

কোন অমিত? ৰাধাৰ মাতত যেন বিস্ময়।

কিয় অমিতৰ পৰিচয় এতিয়া মইহে তোমাক দিব লাগিবনেকি?

মই কোনো অমিত নামৰ মানুহক চিনি নাপাও।

চিনি নোপোৱা? ৰাধা মিছা মাতি লাভ নাই। তুমি নিশ্চয় নজনা নহয়—অমিতৰ আৰু উদ্ধাৰৰ কোনো পথ নাই।

কিন্তু অমিতৰ দোষ কি?

কিয়—এইমাএতো তুমিয়েই কলা অমিত নামৰ কোনো মানুহক তুমি চিনি নোপোৱা?

অমিতক মই চিনি পাও। অতি গভীৰ ভাৱে চিনি পাও। আপুনিটো পুলিচৰ মানুহ। আপোনাক যদি সকলো কও আপুনি মোক সহায় কৰিবনে?

কোৱা। নিৰ্ভয়ে কোৱা ৰাধা। মই নিশ্চয় তোমাক সহায় কৰিম।

ইফালে অন্ধকাৰ কক্ষত বন্দী। সিফালে এই অভিশপ্ত হাউলীৰ অলৌকিকতা। সেই বিসদৃশ মুখখনে শোভনাক এতিয়াও পেপুৱা লগাই ৰাখিছে। তেনেক্ষেত্ৰত এই সময়ত উদ্ধাৰৰ উপায় চিন্তা কৰাৰ বাহিৰে ৰহস্য হৈ দেখা দিয়া ৰাধাৰ কথা শুনি থকাৰ সময় নহয় যদিও শোভনাই যেন ৰাধাৰ কথাৰ ইঙ্গিতত আন এক ৰহস্যৰ গোন্ধ পাইছে। সেয়ে চাৰিওফালে সতৰ্কভাৱে দৃষ্টি ৰাখিয়েই শোভনাই কলে—কোৱা ৰাধা, হাতত সময় কম, যি কব খুজিছা সোনকালে কোৱা।

অমিত মোৰ অতি আপোন।

আপোন?

প্ৰাণভকৈও আপোন। অমিত মোৰ দাদা।

দাদা ?

অ' দাদা। ইউচুফ আলি নামে যাৰ কবলত পৰি মই এই জীৱনত ভৰি দিলো—সেই ইউচুফ আলিয়েই মোক অপহৰণ কৰি আনি এনে জীৱন যাপন কৰিবলৈ বাধ্য কৰিছিল।

ঘটনাচক্ৰত যেতিয়া অমিতে মোক লগপাই গম পালে মই তাৰ ভনী নয়না, যি বাধা নাম লৈ বজাৰত নাচগান কৰে তেতিয়া সি বিচাৰিছিল ইউচুফক। কিন্তু যি ইউচুফক তাৰ বক্ষিতাই চিনি নাপায় অমিতে কেনেকৈ বিচাৰি পাব। গতিকে ইউচুফক বিচাৰি উলিয়াবৰ বাবেই অমিতে বহু প্ৰয়ন্ধে বিশ্বাস জন্মাই সিহঁতৰ দলত অন্তৰ্ভুক্ত হৈছিল। ইউচুফৰ সন্ধান পিচে সি আজিকোপতি নাপালে। আনহাতে মোৰ পতনৰ বাবে দায়ী, ইউচুফক বিচাৰিয়েই অমিত এই দলত সোমাইছে বুলি সিহঁতে কেনেবাকৈ সন্দেহ কৰি মোক যেনেকৈ বন্দী কৰিলে তেনেকৈ অমিতো এতিয়া সিহঁতৰ নজৰ বন্দীত আৱদ্ধ হ'ল। এই ইউচুফ আলিৰেই আন এক পৰিচয়ও হ'ল সতীশ গিদোৱানী।

সতীশ গিদোৱানী ?

হয়—মই সিহঁতৰ দলৰ লোকৰ মুখতে এই তুয়োটা নাম বহুবাৰ শুনিছো।

তেনেহলে সতীশ গিদোৱানীকটো মই চিনি পাও। এই মানুহটোৰ পিচ লৈয়েইতো মই কাশ্মীৰ পৰ্য্যন্ত পাইছিলো। শুনা বাধা সতীশ গিদোৱানীক মই চিনি পাও যেতিয়া ইউচুফ আলি আৰু আমাৰ হাতৰ পৰা সাৰি যাব নোৱাৰে। এই মানুহটোক বিচাৰিয়েই মই ইমান দিন হাবাথুৰি খাই ফুৰিছো। যিহেতু এই মানুহটোৱেই হ'ল—মোৰ পিতৃৰ হত্যাকাৰী, যিটো মানুহক এটা সমুচিত শিক্ষা দিয়াৰ উদ্দেশ্যৰেই মই পুলিচত সোমাইছিলো।

হৰ বাধা—আজি তুমি মোক পথৰ সন্ধান দিলা। অমিতৰ প্ৰতি

যেনেকৈ মোৰ ভুল ভাব আতৰিল, ইউচুফ আলিক বিচাৰি উলিওৱাৰ এটা পথো সম্মুখত আহি পৰিল।

শোভনাই আৰু কিবা কব খুজিছিল, কিন্তু সেই মুহূৰ্ত্ততে দুৱাৰৰ ছুক খোলাৰ শব্দত তাই সতৰ্ক হৈ পৰিল।

এটা মানুহ—হাতত ফ্লাশ লাইট লৈ কমত প্ৰবেশ কৰাৰ লগে লগে শোভনা মানুহটোৰ গাত জপিযাই পৰিল। প্ৰচণ্ড মাৰত মানুহটো লগে লগে কাবু হৈ গল।

শোভনাই কলে—ৰাধা আহা। সময় অপব্যয় নকৰিবা।

দুযো আন্ধাৰত খেপিয়াই খেপিয়াই বগুৰাবাই আগবাঢ়িল। ৰাধাৰ মুখত কথাখিনি শুনাৰ পিচত যিদৰে ৰাধাৰ প্ৰতি উদয় হোৱা সন্দেহৰ ভাব নাইকীয়া হ'ল তেনেদৰেই শোভনাই বুজি পালে—ভূত প্ৰেতৰ কথাবোৰ মিছা। এই হাউলীটোৰ ক'ৰবাৰ মাটিৰ তলৰ ঘৰে চৰে নিশ্চয ইউচুফ আলিৰ আড্ডা।

ৰাধা আৰু শোভনা তেনেদৰেই বগুৰাবাই কিছুদূৰ আগবাঢ়ি এটা শব্দ শুনি থমকি ৰ'ল। আৰু ঠিক সেই মুহূৰ্ত্ততে ক্ল'ৰখনৰ সিইঁত দুজনী থকা অংশ তললৈ সৰি পৰিল।

শোভনা আৰু ৰাধাই মাটিৰ তলত ঘৰ থকাৰ কথা যি সন্দেহ কৰিছিল সেই কথাই এতিয়া প্ৰমাণিত হ'ল।

সিইঁত দুজনী যি ঠাইত পৰিলহি সেইটো এটা বৃহৎ ঘৰ। ঘৰ নহৈ যেন দুৰ্গহে। চৌদিশে বন্দুকধাৰীৰ চোকা প্ৰহৰা।

দুজন লোক আগবাঢ়ি আহি শোভনা আৰু ৰাধাক নিমিষতে জব্দ কৰি দুটা ওখ লোৰ খুটাত বন্দী কৰি পেলালে।

সেই মুহূৰ্ত্ততে এঠাইত এটা ডাঙৰ লাইট জ্বলাহুমা কৰিলে। ওপৰৰ পৰা নামি অহা চিৰিয়েদি ক্ষন্তেক পিচতে এজন লোক প্ৰৱেশ কৰাৰ লগে লগে উপস্থিত বন্দুকধাৰী সকলোৱে হৰ্ষধ্বনি কৰিলে।

মানুহ টাৰ প্ৰৱেশৰ লগে লগে শোভনাৰ দৃষ্টিত পৰিল সেই মানুহটোৱেই। সেই কদাকাৰ মুখৰ মানুহটো। কি ভীষণ হাঁহি

কি ভয়াবহ চাৱনি, কদাকাৰ মুখখনত হত্যাৰ স্পৃহা স্পষ্ট।

মানুহটো ক্ৰমান্বয়ে শোভনাৰ ফালে আগবাঢ়ি আহিল।

বন্দুকধাৰীসকলে মানুহটোৰ নিৰ্দ্দেশৰ বাবে অপেক্ষা কৰি ৰ'ল।

শোভনাই ভাবি অন্ত নাপালে—এই মানুহটোৱেই সতীশ গিদোৱানীযে৷ কেতিয়াও হব নোৱাৰে। সতীশ গিদোৱানীক শোভনাই দেখিছে এচবৰ পৰা। সেইটো মানুহটো এইটো মানুহ নহয়। অথচ ৰাধাই যে কলে—সতীশ গিদোৱানী আৰু ইউচুফ আলি একেটাই মানুহ।

কিন্তু সতীশ গিদোৱানী আৰু ইউচুফ আলিৰ পৰিচয় এতিয়া আৰু শোভনাৰ বাবে কোনো মুল্য নাই। যিহেতু তাই এতিয়া বন্দী। ইহঁতৰ হাতত মৃত্যুৰ বাহিৰে এতিয়া আৰু তাইৰ সম্মুখত কোন পথ নাই। জানি শুনি জুইত জাপ দিয়াৰ দৰেহ তাইৰ এই মৃত্যু।

কদাকাৰ মানুহটোৱে ইঙ্গিত দিয়াৰ লগে লগে এইবাৰ দুটা মানুহে ৰাইফলৰ বেয়নেটৰে ৰাধাৰ পিন্ধি থকা কাপোৰ ঠায়ে ঠায়ে ফালি দিলে। বেয়নেটৰ খোচত তেজ বিৰিঙি ওলাল।

এইবাৰ মানুহটোৱে এডাল চাবুক লৈ ৰাধাৰ দেহত বলিয়াহোৱাৰ দৰে কোবাবলৈ ধৰিলে—নিমখ হাৰাম, পুলিচ মাতি আনিছিলি, এতিয়া তোৰেই নহয়, চাই থাক এই পুলিচ অফিচাৰবো কি দশা হয়।

মানুহটোৰ চাবুকৰ প্ৰচণ্ড আঘাটত ৰাধাৰ দেহ ক্ষত-বিক্ষত হৈ পৰিছে। মানুহটোৱে এইবাৰ ৰাধাক বন্দী অৱস্থাৰ পৰা মোকলাই দি উচ্চ স্বৰত চিঞৰি উঠিল—এইবাৰ তোৰ নাচ চাম। সকলোৱে তোৰ নাচ চাব। মৰাৰ আগতে তোক হেপাহ পলুৱাই চাই লও। নাচ, নাচ ৰাধাৰাণী—তোৰ নাচ মই চাম।

কিন্তু ৰাধাক লোৰ খুটাটোত বন্দী অৱস্থাৰ পৰা খুলি দিয়াৰ লগে লগে সি মজিয়াত উবুৰি খাই পৰিল।

আৰু লগে লগে পৰিল মানুহটোৰ চাবুকৰ কোব ৰাধাৰ পিঠিত।

প্ৰচণ্ড প্ৰহাৰৰ পিচতো ৰাধাৰ সাৰস্বৰ নেদেখি মানুহটোৱে কিন্তু

এটা ইঙ্গিত দিলে।

মানুহটোৰ ইঙ্গিত পাই কেইবাটাও বন্দুকধাৰী একালে লৰ দিলে।

আৰু অলপ পিচতে চোচৰাই অনা হ'ল অমিতক।

অমিতক খুটাত বন্ধা হ'ল।

তাৰ পিচতে মানুহটোৱে ৰাধালৈ চাই কলে—এক দুই তিনি গণি কৰিম, তাৰ ভিতৰত তই যদি নাচ আৰম্ভ নকৰ—তেনেহলে গুলিগৈ এই হাৰামজাদাৰ মূৰত সোমাব।

প্ৰায় সংজ্ঞা হেৰুওৱা অবস্থাত পৰি থাকিও নয়নাই ককায়েক অমিতক বন্দী অৱস্থাত চোচৰাই অনা দেখি সামান্য মূৰ তুলি চালে আৰু চাবুকে চিৰাচিৰ কৰা দেহৰ যন্ত্ৰণাকো আওকাণ কৰি নাচিবলৈ প্ৰস্তুত হ'ল।

ইফালে অমিতক লক্ষ্য কৰি দুটা বন্দুকধাৰীয়ে বন্দুক সাজু কৰি নেতাৰ নিৰ্দ্দেশৰ বাবে অপেক্ষা কৰি ৰ'ল।

সেই কদাকাৰ মুখৰ মানুহটোৱে চিঞৰি উঠিল—এক—দুই—

কিন্তু তিনি কোৱাৰ আগতেই এটা গুলিৰ শব্দই সকলোকে স্তম্ভিত কৰি দিলে।

মুখীয়াল আৰু বন্দুকধাৰীবিলাকে ধৰিব নোৱাৰিলে গুলিৰ শব্দটো ক'ৰ পৰা আহিছে। আৰু তৎধৰাৰ আগতেই মুখীয়ালৰ পিঠিত বিভলভাৰ লগাই পিচফালে ঠিয় হৈ থকা গোমৰাজে চিঞৰি উঠিল—ইউচুক তোৰ পিঠিত গুলিয়ে বিন্ধাৰ আগতে তই তোৰ সঙ্গী সকলক নিৰ্দ্দেশ দে বন্দুকবোৰ পেলাই দিবলৈ।

একান্ত বাধ্য ছাত্ৰৰ দৰে মুখীয়ালটোৱে ইঙ্গিতৰে সকলোকে বন্দুক পেলাই দিবলৈ নিৰ্দ্দেশ দিলে।

ইতিমধ্যে এই সুযোগতে ৰাধাই তৰিৎ গতিৰে অমিত আৰু শোভনাক বন্দী অৱস্থাৰ পৰা মুকলি কৰি দিলে।

শোভনা হতবাক—এই গোমৰাজেই দেখোন দুটা মানুহ হত্যা-কৰাৰ দাবী কৰি তাইৰ পৰা মাইক্ৰফিল্ম বিচাৰিছিল, সেই

গোমৰাজেই ইউচুফৰ সহযোগী হৈ কাম কৰিছিল, আৰু আজি গোমৰাজেই ইউচুফৰূপী বিকৃত মুখৰ মানুহটোক জব্দ কৰিলে।

বোধহয় শোভনাৰ দৰে অমিত আৰু ৰাধাও হতভম্ব হৈ পৰিছিল। সিহঁতৰ হতভম্বৰ কাৰণো নিশ্চয় গোমৰাজ।

কিন্তু সেই মুহূৰ্ততে আন এটা গুলিৰ শব্দত গোটেই পৰিস্থিতিটোৱেই সলনি হৈ গল।

গুলিৰ শব্দই কৰা সামান্য অন্যমনস্কতাৰ সুযোগতেই ইউচুফে নিমিষতে গোমৰাজৰ হাতৰ পৰা ৰিভলভাৰ কাঢ়ি ললে। বন্দুকধাৰীসকলেও নিমিষতে নিজৰ নিজৰ বন্দুকবোৰ হাতত তুলি লৈ সিহঁতক ক্ৰমান্বয়ে ঘেৰি আনিলে।

অমিত, শোভনা, ৰাধা আৰু গোমৰাজে একে থুপ হৈ পৰৱৰ্তী পৰিস্থিতিৰ সম্মুখীন হবলৈ সাজু হৈ ৰ'ল।

এইবাৰ অমিত, শোভনাক উচপ খুৱাই দি হাতত ৰিভলভাৰ লৈ প্ৰবেশ কৰিলে লক্ষ্মীছায়াই।

লক্ষ্মীছায়াৰ দৃষ্টিত ঈৰ্ষাৰ দাবানল দপদপাই জ্বলিছে।

উত্তেজিত লক্ষ্মীছায়াই অমিতৰ ফালে চোঁচাই চিঞৰিলে—বিশ্বাসঘাটক প্ৰতাৰক—সুন্দৰী পাই তই মোক পাহৰিলি। তই মোৰ প্ৰেম প্ৰত্যাখ্যান কৰি ভাবিছিলি বাচি যাবি—আজি মোৰ হাতত তহঁত দুয়ো প্ৰেমিক প্ৰেমিকাৰ মৃত্যু হব মৰিবৰ বাবে সাজু হ নিমখহাৰাম।

লক্ষ্মীছায়াই একমুহূৰ্তও বিলম্ব নকৰি অমিতক উদ্দেশ্যি গুলি এৰিলে।

অমিত এনে আকস্মিকতাৰ বাবে সাজু নাছিল।

কিন্তু ৰাধা বেগে নয়না অমিতৰ সম্মুখত জপিয়াই পৰিল। গুলি আহি বিন্ধিলে ৰাধাৰ বুকুত। ৰাধা ঢলি পৰিল।

ৰাধাৰ মৃত্যুত অমিত বলিয়াৰ দৰে হৈ পৰিল। নিমিষতে জপিয়াই পৰিল—সেই বিকৃত মুখৰ পেৰত।

গোমৰাজ আৰু শোভনাইও তৎপৰতাৰে কেইবাজনকো ধাৰাশায়ী কৰি পেলালে।

অবস্থা বেগতিক দেখি বাকী বন্দুকধাৰী বিলাক পলাবলৈ ধৰিলে।

অমিতৰ প্ৰচণ্ড মাৰত ইউচুফ ওৰফে কদাকাৰ মুখৰ মানুহটো ওফৰি পৰিল। অমিতে সহজে এৰি নিদিলে—মানুহটোক মাৰি মাৰি লেৰেজান কৰিহে উশাহ সলালে। ইফালে শোভনা আৰু গোমৰাজেও লক্ষ্মীছায়াক নিমিষতে বন্দী কৰি বান্ধি পেলালে।

আৰু সেই মুহূৰ্ততে সশস্ত্ৰ পুলিচ বাহিনী লৈ সেই ঠাইত প্ৰৱেশ কৰিলেহি পুলিচ কমিচনাৰ জগমোহন।

সশস্ত্ৰ পুলিচে ইউচুফক বন্দী কৰি পেলালে।

অমিতে বন্দী ইউচুফৰ কদৰ্য্যমুখৰ মুখাখন টান মাৰি খুলি দিওঁতেই সকলোৱে চিঞৰি উঠিল—বসন্ত সিং। পুলিচ ডেপুটি কমিচনাৰ বসন্ত সিং?

পুলিচ কমিচনাৰ জগমোহনে এইবাৰ সকলোলৈ চাই কলে—অৱশেষত অপৰাধী ধৰা পৰিল। এজন পুলিচৰ উচ্চতম বিষযাই অপৰাধী সাজি কাম কৰিলে ধৰা পেলোৱা সচাকৈয়ে কঠিন।

পুলিচ কমিচনাৰ জগমোহনে উপস্থিত সকলোৰে ওপৰত দৃষ্টি বুলাই শোভনালৈ চাই কলে—মিচ বেদী, আপোনাৰ ওপৰত মই যি সন্দেহৰ ভাব পোষণ কৰিছিলো তাৰ বাবে সঁচাকৈয়ে মই দুঃখিত। যোৱা কিছুদিন ধৰি দিল্লী মহানগৰীত সম্পন্ন হোৱা কেইবাটাও ডাঙৰ ডাঙৰ অপৰাধৰ তদন্তৰ অন্তত আমাৰ এটা সন্দেহৰ উৎপত্তি হৈছিল যে—এই অপৰাধৰ অন্তৰালত আমাৰ কোনো উচ্চস্তৰৰ পুলিচৰ লোক জড়িত আছে।

কিযনো কেইবাটাও তদন্তত দেখা গৈছিল শেষ মুহূৰ্তত অপৰাধীয়ে আমি পতা জালফালি ওলাই যাবলৈ সমর্থ হয় যিটো কথা পুলিচৰ লোক জড়িত নাথাকিলে সম্ভৱ নহয়।

আমাৰ মনত সন্দেহ উদ্রেক হোৱাৰ পিচত আমি সকলো মিলিত হৈ গভীৰ ভাবে চিন্তা কৰিলো—পুলিচৰ লোক, যাৰ অপৰাধীৰ লগত সংযোগ থাকিব পাৰে—তেনে পুলিচ বিষয়া আমাৰ মাজত কোন আছে।

পুলিচ ডেপুটি কমিচনাৰ বসন্ত সিংয়ে এই ক্ষেত্ৰত অধিক তৎপৰ যেন দেখুৱাই সংগোপনে চলোৱা অনুসন্ধানৰ কথাকৈ পুলিচ ইন্স-পেক্ট্ৰেচ মিচ বেদীলৈ আঙুলিয়াই দিলে।

যদিও ইয়াৰ পূৰ্বে গোটেই বিভাগটোৰেই মিচ বেদীৰ প্ৰতি পূৰ্ণ আস্থা আছিল—বসন্ত সিংয়ে আঙুলিয়াই দিয়াৰ পিচত মিচ বেদীৰ প্ৰতি সন্দেহৰ বহুতো প্ৰমাণ আমাৰ হাতত আহি পৰিল।

সিংয়েও মিচ বেদীৰ অমিতৰ লগত থকা সম্বন্ধৰ কথাটোকেই ভেটি স্বৰূপে লৈ আমাৰ মনত প্ৰত্যয় জন্মালে যে—মিচ বেদী আৰু অমিত—ইউচুফ আলি ওৰফে সতীশ গিদোৱানী নামৰ ক্ৰিমিনেল জনৰ সহযোগী।

আমিও এই কথাতে এনেদৰে পতিয়ন গলো যে—বসন্ত সিংক

সন্দেহৰ উৰ্ধ্বত ৰাখি মিচ্ বেদীৰ চালচলনত এনেদৰে উঠিপৰি লাগিলো যে বসন্ত সিংযে সহজেই নিজৰ কাৰ্য্য চলাই যাবলৈ সুবিধা পালে।

নিজে পুলিচৰ ডেপুটি কমিচনাৰৰ নিচিনা উচ্চপদত থাকি সফলতাৰে অপৰাধ কৰি যাবলৈ সিঙৰ বাবে কঠিন নাছিল—যিদৰে কঠিন নাছিল মিচ বেদীৰ বিৰুদ্ধে সন্দেহৰ বীজ সিচাটো।

মিচ বেদীৰ পিতৃৰ হত্যাকাৰী ইউচুফ আলিক যিদৰে বিচাৰি ফুৰিছিল তেনেদৰেই অমিতেও তেওঁৰ ভনীয়েক নয়না ওৰফে ৰাধাৰ অপহৰণকাৰীজনক বিচাৰি ফুৰিছিল। যিহেতু মিচ বেদীৰ পিতৃৰ হত্যাকাৰী ইউচুফ আলি আৰু নয়নাৰ অপহৰণকাৰী জনো ইউচুফ আলি গতিকে এই ইউচুফ আলিৰ সন্ধানতে মিচ বেদী আৰু অমিত উঠিপৰি লাগিছিল

অথচ দুইজনৰ এজনেও জনা নাছিল যে—তেওঁলোকৰ আকাংক্ষিত ইউচুফ আলি নামৰ ক্ৰিমিনেল জন বহুদিন পূৰ্ব্বে এই বসন্ত সিঙৰ হাততে নিহত হৈছে।

প্ৰকৃতে ইউচুফ আলিৰ মৃত্যুৰ পিচতো বসন্ত সি যে কাম কাজৰে ইউচুফ আলিক জীয়াই ৰাখি যিদৰে পুলিচক দোমোজাত পেলাইছিল, তেনেদৰেই মিচ বেদী আৰু অমিতকো ৰহস্যৰ মেৰ জালত পেলাইছিল। আৰু সেই বাবেই ইউচুফ আলিৰ প্ৰকৃত পৰিচয় কোনোৱে জনা নাছিল। এই নজনাৰ সুযোগ লৈ বসন্ত সিংয়ে কেতিয়াবা ইউচুফ আলি সাজি, কেতিয়াবা সতীশ গিদোবানী সাজি একো একোজনক নিয়োগ কৰিছিল।

আনহাতে বসন্ত সিঙক হাতেলোটে জব্দ কৰা কঠিন আছিল এই বাবেই যে—তেওঁ পৰাপক্ষত কোনো অপৰাধতে প্ৰত্যক্ষ অংশ নলৈছিল। নিৰাপত্তা মূলক দূৰত্বত বৈ তেওঁ অভিযান সমূহ কেৱল পৰিচালনাহে কৰিছিল। তাতেই পুলিচৰ এনে উচ্চ স্তৰৰ বিষয়া এজনক কোনেনো সন্দেহ কৰিবলৈ যাব। তদুপৰি নিজে কাৰোবাক দেখা দিব লগা হলে ড্ৰেকুলাৰ মুখা পিন্ধিহে আত্ম প্ৰকাশ কৰিছিল।

কিন্তু অতি চতুৰ হলেও কেতিয়াবা নিজৰ বিঘিনিহে ঘটে। বসন্ত সিঙৰো অৱশেষত সেয়ে হ'ল।

লক্ষ্মীছায়াক নিজৰ দলত অন্তভুক্ত কৰিযেই বসন্ত সিংয়ে মাৰাত্মক ভুল কৰিছিল। লক্ষ্মী আছিল অমিতৰ প্ৰেমৰ পৰা প্ৰতাৰিত ছোৱালী। সেয়ে তাইৰ ক্ষোভ আছিল অমিত আৰু মিচ শোভনা বেদী দুয়োৰে ওপৰত। যিমানেই হলেও প্ৰেমত প্ৰতাৰিত ছোৱালীক প্ৰেমিকৰ বিৰুদ্ধে ঈৰ্ষান্বিত কৰি বহু কামেই কৰাই লব পাৰি। আমাৰ বিশেষ পুলিচ বিষয়া যিজন পুলিচ বিষযাৰ অস্তিত্ব আনকি ডেপুটি পুলিচ কমিচনাৰ বসন্ত সিংযেও জনা নাছিল যিজন বিষযাক মিচ বেদী আৰু অমিতৰ চালচলনৰ ওপৰত নজৰ ৰাখিবলৈ আমদানী কৰ হৈছিল সেই ভেদ বাঁমাই গোমবাজ নাম লৈ লক্ষ্মীছায়াক এনেদৰে জব্দ কৰিছিল যে—লক্ষ্মীৰ অবিবেচনাৰ বাবেই ইউচুফ আলিৰ যে কোনো অস্তিত্ব নাই সেইকথা জানিব পাৰে। গোমবাজে নিশ্চিত কৰি দিয়ে যে—মিচ বেদী বসন্ত সিংয়ে অভিযোগ অনাৰ দৰে পুলিচ বিৰোধী কাৰ্য্যত লিপ্ত নহয যিদৰে অমিতো নিৰ্দোষী বুলি তেৱেঁই প্ৰত্যক্ষ প্ৰমাণ ডাঙি ধৰে।

আৰু তেনেদৰেহে অৱশেষত ইউচুফ আলি আৰু সতীশ গিদোৱানীৰ নাম কৰি দিল্লী মহানগৰত অবাধে অপৰাধ কাৰ্য্য চলাই অহা ড্ৰেকুলাৰ মুখা পিন্ধা বসন্ত সি অৰ্থাৎ পুলিচ ডেপুটি কমিচনাৰে অৱশেষত ধৰা দিবলৈ বাধ্য হয়।

———